4) Once the dirt has been completely removed, rinse off the detergent with running water.
5) After rinsing, wipe off the vehicle body with a wet chamois or cloth and allow it to dry in the shade.

6) Check carefully for damage to painted surfaces. If there is any damage, touch up the damage following the procedure below:
   1. Clean all damaged spots and allow them to dry.
   2. Stir the paint and touch up the damaged spots lightly using a small brush.
   3. Allow the paint to dry completely.

NOTICE
If you use an automatic car wash, make sure that your vehicle's body parts, such as spoilers, cannot be damaged. If you are in doubt, consult the car wash operator for advice.

Waxing

EXAMPLE



82DY010

After washing the vehicle, waxing and polishing are recommended to further protect and beautify the paint.

- Only use waxes and polishes of good quality.
- When using waxes and polishes, observe the precautions specified by the manufacturers.

GENERAL INFORMATION

Vehicle Identification 10-1
FASTag (if equipped) 10-2

Vehicle Identification

Chassis Serial Number



77PH059

The chassis and/or engine serial numbers are used to register the vehicle. They are also used to assist your dealer when ordering or referring to special service information. Whenever you have occasion to consult your MARUTI SUZUKI COMMERCIAL workshop, remember to identify your vehicle with this number. If you find the number difficult to read, you can also find it on the identification plate.

Engine Serial Number



54G082

The engine serial number is stamped on the cylinder block as shown in the illustration.

FASTag (if equipped)

As per Ministry of Road Transport and Highways, the FASTag (1) is mandatory for each vehicle for the purpose of electronic toll collection or any other purpose as may be defined by the Government of India.

In case of any damage to FASTag or replacement of front windscreen, please contact your nearest authorised Maruti Suzuki workshop.

EXAMPLE



66MM01001

As seen from inside of the vehicle

EXAMPLE

64MM01002

NOTE:
The picture shown is for indicative purpose only. Internal structure of actual device mounted on vehicle may be different.

As seen from outside of the vehicle

EXAMPLE

64MM01003

NOTE:
The picture shown is for indicative purpose only. Internal structure of actual device mounted on vehicle may be different.

NOTE:

- *Any attempt to remove the tag from the windscreen will result in permanent damage to the tag.*
- *Use of chemical cleaners to clean the windscreen area where the tag is mounted can damage the tag.*
- *Use of any sharp objects on the tag can damage the tag.*

SPECIFICATIONS

NOTE:
Specifications are subject to change without notice.

M/T: Manual transmission

Diesel: Diesel engine model

ITEM: Dimensions	UNIT: mm	
Overall length		3800
Overall width		1562
Overall height		1883
Wheelbase		2110
Track	Front	1345
	Rear	1330
Ground clearance		175 (unladen condition)

ITEM: Mass (weight)	UNIT: kg	
Curb mass (weight)	M/T	860
Gross Vehicle Mass (weight) Rating		1600
Permissible maximum Axle Weight	Front	900
	Rear	1020

SPECIFICATIONS

ITEM: Engine	
Type	E08A (DOHC)
Number of cylinders	2
Bore	77.0 mm
Stroke	85.1 mm
Piston displacement	793 cm^3
Compression ratio	15.1 ± 0.4 : 1

ITEM: Electrical	
Battery	12V 38B20R
Fuses	See “INSPECTION AND MAINTENANCE” section.

ITEM: Lights		WATTAGE	BULB No.
Headlight		12V 60/55W	H4
Position light		12V 5W	W5W
Turn signal light	Front	12V 21W	PY21W
	Rear	12V 21W	P21W
Brake/tail light		12V 21/5W	P21/5W
Reversing light		12V 21W	P21W
License plate light		12V 5W	W5W
Interior light		12V 5W	C5W

ITEM: Wheels and Tyres					
Tyre size	155R13 LT 8PR 89/88S*				
	155R13 LT 8PR 90/89Q*				
Rim size	13X4J				
Tyre pressures	For the specified tyre pressure, see the Tyre Information Label located on the driver's door lock pillar.				
	Loading	UP TO 300 KG		ABOVE 300 KG	
	COLD TYRE PRESSURE	FRONT	REAR	FRONT	REAR
	kPa	240	240	350	450
	(Kgf/cm^2)	(2.4)	(2.4)	(3.5)	(4.5)
	<psi>	<34>	<34>	<50>	<64>

* If you cannot prepare a tyre with the specified load index rate and speed symbol, prepare a tyre with higher load index rate and speed symbol.

ITEM: Recommended Fuel/Lubricants and Capacities (approx.)		
Fuel	See "FUEL RECOMMENDATION" section.	30 L#
Engine oil	Synthetic oil, Quality: ACEA A5/B5 Viscosity: SAE 5W-30	3.4 L (replacement with oil filter)
Engine coolant	See "INSPECTION AND MAINTENANCE" section.	3.5 L (including reservoir tank)
Manual transmission oil	"MGGO 75W-80"	1.3 L
Rear differential oil	"TOTALFINAELF TRANSELF LL 85W-140"	1.6 L
Brake fluid	Maruti Genuine Brake Fluid	Refill to the proper oil level according to the instructions in the "INSPECTION AND MAINTENANCE" section.

The fuel tank capacity is slightly much more than the recommended quantity of fuel that you can fill. The additional voluminous space is provided for safety and scientific reasons.

INSTRUCTIONS FOR BODY FABRICATION (for chassis variant)

The body fabrication on the cab-chassis vehicle shall be carried out ensuring the following recommendations and boundary conditions:

(a) **Dimensions**: The load body/application to be built upon the manufacturer supplied cab chassis vehicle shall be designed to fit within a minimum and maximum envelop as specified in below illustration.



77PM12001

(b) **Weight and its distribution**: The load body/application shall be fabricated considering the minimum kerb weight of complete vehicle as 860kg and maximum kerb weight of complete vehicle as 930kg. The ratio of front axle and rear axle kerb weight shall not exceed 1.389.
The body builder shall place the body-builder's plate specifying the unladen weight and payload as per requirement under CMVR Rule 122.

(c) **Body exteriors**: The load body/application shall be fabricated such that the external surface of the vehicle shall not have sharp edges or sharp projecting parts which are likely to increase the risk or seriousness of bodily injury to a person hit by the bodywork or brushing against it in the event of a collision. This is valid both when the complete vehicle is stationary and in motion. It is recommended to ensure a minimum 2.5mm radius of curvature on external edges and projecting parts. Body shall meet the stipulated requirement as defined under CMVR Rule 124(1)-11.

(d) **Lighting and signaling devices**: The cab chassis is being supplied with head lamp assembly inbuilt with the cab and a temporary panel with rear combination lamps and registration plate lamps. There shall not be any modifications done with the position of Head lamp assembly. The rear combination lamps and registration plate lamps shall be fitted on the load body/ application as per the recommended position (height and width) specified in below illustration.

EXAMPLE



77PM12002

(e) **Reflective Tape**: The body builder shall paste a red reflective tape (of not less than 20mm width) running across the width of the body on the rear of the vehicle and should comply with requirements under CMVR Rule No. 104.

(f) **Form 22A Part II**: The body builder shall provide Form 22A Part II as per requirement under CMVR Rule 47.

(g) The body builder shall not alter with the electrical wiring, electrical equipment, brake connections, brake piping, fuel connection, exhaust system and chassis components during the body fabrication.

Disclaimer: The owner/body-builder shall comply to applicable CMVR requirements and also State Motor vehicle Rules as applicable from time to time in respect of body fabrication of super carry chassis variant.
The vehicle manufacturer shall not be liable for any non-conformity of applicable laws arising due to fabrication of body/ application, in contradiction to manufacturer's recommendation and prevailing regulations.

প্ৰস্তাৱনা

এই নিয়মাৱলীখন আপোনাৰ গাড়ীৰ এক অন্যতম অংশ। সেয়েহে কাৰোবাক বিক্ৰী কৰিলে বা মালিকানা সলনি কৰিলে এইখন গাড়ীৰ লগতে ৰাখিব। আপোনাৰ নতুন মাৰুতি চুজুকী গাড়ীখন চলোৱাৰ আগত ভালদৰে পঢ়ক আৰু সময়ে সময়ে পুনৰীক্ষণ কৰক। ইয়াত সুৰক্ষা, চলোৱা আৰু তত্বাবধানৰ বহু গুৰুত্বপূৰ্ণ তথ্য আছে। নিয়মাৱলীত উল্লেখ কৰা ধৰণে চাৰিটাকৈ বিনামূলীয়া চাৰ্ভিচিঙৰ বাবে আপোনাক আমন্ত্ৰণ জনাইছো। এই নিয়মাৱলীখনৰ লগত চাৰিখন বিনামূলীয়া চাৰ্ভিচিঙৰ কুপন গাঁঠি দিয়া হৈছে। অনুগ্ৰহ কৰি আপোনাৰ মাৰুতি চুজুকী যিকোনো চাৰ্ভিচিঙৰ বাবে আনোতে ডিলাৰক এইখন দেখুৱাওক।

আপোনাৰ গাড়ীখন দীৰ্ঘকাল ভাল কৰি ৰখাৰ লগতে তত্বাবধানৰ খৰচ কম কৰিবলৈ হ'লে এইখনৰ ''পৰীক্ষণ আৰু মেৰামতি'' অংশত উল্লেখ কৰা ''পিৰিয়ডিক মেৰামতিৰ সূচী'' মতে তত্বাবধান লওক। সমস্যা আৰু দুৰ্ঘটনা প্ৰতিৰোধৰ লগতে আপোনাৰ সুৰক্ষা, সন্তুষ্টি নিশ্চিত কৰাৰ বাবে এই নিৰ্দেশনাবোৰ মানি চলাটো প্ৰয়োজন।

সুৰক্ষিত ড্ৰাইভিং আৰু গাড়ীখনৰ দীৰ্ঘম্যাদিতাৰ বাবে ইয়াৰ ''পৰীক্ষণ আৰু মেৰামতি'' অংশত উল্লেখ কৰা ''দৈনিক নিৰীক্ষণ কৰিবলগা তালিকা'' মতে দৈনিক পৰীক্ষণ আৰু যত্ন লওক।

পৃথিবীত থকা প্ৰকৃতিৰ সম্পদসমূহৰ সুৰক্ষা আৰু সংৰক্ষণৰ কথা মাৰুতি চুজুকী ইণ্ডিয়া লিমিটেডে বিশ্বাস কৰে।

সেয়েহে আমি গাড়ী মালিকক ব্যৱহাৰ্য ইঞ্জিন অইল, কুলেণ্ট আৰু অনান্য ইন্ধন বেটাৰী টায়াৰ আদি সঠিক সময়ত চাৰ্ভিচিং কৰি সলনি কৰিব লগা বস্তুবোৰ পেলাই দিবলৈ উৎসাহ দিও।

মাৰুতি চুজুকী ইণ্ডিয়া লিমিটেড

এই নিয়মাৱলীখনত দিয়া সকলোবোৰ তথ্য প্ৰকাশৰ সময়ত উপলব্ধ হোৱা সকলোবোৰ তথ্যৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে। আৰু অধিক বিকাশ কৰাৰ বাবে আপোনাৰ গাড়ী আৰু নিয়মাৱলী তথ্যৰ মাজত পাৰ্থক্য থাকিব পাৰে। মাৰুতি চুজুকী ইণ্ডিয়া লিমিটেডে যিকোনো সময়ত কোনো জাননী নিদিয়াকৈ নাইবা পূৰ্বে নিৰ্মাণ বা বিক্ৰী কৰা গাড়ীৰ উৎপাদনৰ সলনি কৰাৰ বা কোনো দায়িত্ব গ্ৰহণ নকৰাৰ অধিকাৰ সুৰক্ষিত কৰি ৰাখিছে।

এই গাড়ীয়ে আন কোনো দেশৰ উৎকৰ্ষৰ মান অথবা আইন কানুন পালন নকৰে। আন কোনো দেশত ৰেজিষ্টাৰ কৰাৰ প্ৰয়োজনীয় আইন কানুন পৰীক্ষা কৰক আৰু প্ৰয়োজনীয় পৰিবৰ্তন কৰি লওক।

প্রয়োজনীয়

⚠ সাবধান/ ⚠ সাবধানতা/*জাননী*/*টোকা*

অনুগ্রহ কৰি নিয়মাৱলীখন সাৱধানে পঢ়ক আৰু তাৰ নিয়মাৱলীবোৰ পালন কৰক। বিশেষ তথ্যৰ প্ৰতি জোৰ দিবলৈ চিহ্ন ⚠ আৰু **সাবধান**, **সাবধানতা,** ***জাননী*** আৰু *টোকা* আদি শব্দৰ বিশেষ অৰ্থ আছে। এই সাংকেতিক শব্দবোৰ দিয়া দাঙি ধৰা বাৰ্তাবোৰৰ প্ৰতি বিশেষ মনযোগ দিয়ক।

⚠ সাবধান

শব্দটোৱে সম্ভাব্য এনে বিপদৰ ইংগিত দিয়ে যিটোৰ পৰিণামত গভীৰ আঘাত নাইবা মৃত্যু পৰ্যন্ত হ'ব পাৰে।

⚠ সাবধানতা

শব্দটোৱে এনে এক বিপদৰ সংকেত দিয়ে যাৰ পৰিণামত সামান্য অথবা মধ্যমীয়া আঘাত পাব পাৰে।

জাননী

শব্দটোৱে এনে এক বিপদৰ সংকেত দিয়ে যাৰ পৰিণামত গাড়ীৰ ক্ষতি হ'ব পাৰে।

টোকাঃ
বিশেষ তথ্য সহজে পালন কৰা নাইবা উপদেশ সুনিশ্চিত কৰাৰ কথা বুজায়।



75F135

নিয়মাৱলীত থকা মাজত এটা কটা চিহ্নৰ বৃত্তটোৰ অৰ্থ হ'ল ''এইটো নকৰিব'', ''এনে হ'বলৈ নিদিব''।

সালসলনি বিষয়ক সতৰ্কবাণী

⚠ সাবধান

আপোনাৰ গাড়ীৰ কোনো সালসলনি নকৰিব। তেনে কৰাটোৱে সুৰক্ষা, পৰিচালন, প্ৰদৰ্শন আৰু দীৰ্ঘস্থায়িত্বতাত বেয়াকৈ প্ৰভাৱ পেলাব পাৰে। তদুপৰি তেনে কৰোতে চৰকাৰী নিয়ম উলংঘা হ'ব পাৰে। সাল-সলনি কৰাৰ ফলত দেখা দিয়া সমস্যাবোৰ ৱাৰেণ্টিৰ নিয়মৰ অধীনত নপৰিব।

জাননী

ম'বাইল যোগাযোগৰ বস্তু যেনে চেলুলাৰ টেলিফোন অথবা চি বি (চিটিজেন বেণ্ড) ৰেডিঅ' আদি সংস্থাপনৰ ফলত গাড়ীৰ জ্বলন ব্যৱস্থাৰ লগত ইলেক্ট্ৰনিক অন্তৰায় হৈ দেখা দিব পাৰে। ফলত গাড়ীৰ কাৰ্যক্ষমতাত সমস্যাই দেখা দিব পাৰে। তেনেধৰণৰ ব্যৱস্থা সংস্থাপনৰ বাবে স্বীকৃতিপ্ৰাপ্ত মাৰুতি চুজুকী কমাৰ্চিয়েল ডিলাৰৰ পৰামৰ্শ গ্ৰহণ কৰক।

জাননী

মাৰুতি চুজুকীয়ে অনুমোদিত নকৰা গুণগতভাৱে দুৰ্বল ইন্ধন / লুব্ৰিকেণ্ট ব্যৱহাৰ কৰিলে গাড়ীৰ গভীৰ ক্ষতি কৰিব পাৰে।

ৱাৰেণ্টি পলিচি

মাৰুতি চুজুকী ইণ্ডিয়া লিমিটেডে (এতিয়াৰেপৰা ''মাৰুতি চুজুকী'' বুলি উল্লেখ কৰা হ'ব) এই কথাৰ নিশ্চয়তা দিয়ে যে মাৰুতিত চুজুকীয়ে ভাৰতত আবণ্টন দিয়া আৰু স্বীকৃতিপ্ৰাপ্ত মাৰুতি চুজুকী ডিলাৰে বিক্ৰী কৰা প্ৰত্যেকখন গাড়ীৰ উৎপাদনৰ সময়ত কোনো উপাদান আৰু কাৰিকৰী ত্ৰুটি স্বাভাৱিক ব্যৱহাৰ আৰু সেৱাত ধৰা পৰিলে বিনামুল্যে ৱাৰেণ্টৰ নিশ্চয়তা দিছে। এই সম্পৰ্কীয় সময়সীমা আৰু চৰ্তাৱলীৰ প্ৰতি ধ্যান দিয়কঃ

(1) যোগ্যতাঃ

ৱাৰেণ্টিৰ বাবে যোগ্য বিবেচিত হ'ব লগা বৈশিষ্ট্যবোৰঃ
মাৰুতি চুজুকী গাড়ী স্বীকৃতিপ্ৰাপ্ত মাৰুতি চুজুকী ডিলাৰৰদ্বাৰা ডেলিভাৰ কৰা হ'ব লাগিব আৰু মাৰুতি চুজুকী স্বীকৃতিপ্ৰাপ্ত ডিলাৰ/চার্ভিচ ষ্টেশ্যনৰদ্বাৰা চেট-আপ আৰু চার্ভিচিং কৰিব লাগিব।

(2) সময়সীমাঃ

ৱাৰেণ্টিৰ সময়সীমা প্ৰথম কিনোতা মালিকে নিয়া দিনৰপৰা চৌবিশ (24) মাহ নাইবা 72,000 কিলোমিটাৰ (যিটোৱে প্ৰথম পূৰ্ণ হয়) হয়।

(3) মাৰুতি চুজুকী ৱাৰেণ্টি বাধ্যবাধকতাঃ

যদি উল্লেখ কৰি অহা সময়সীমাৰ ভিতৰত মাৰুতি চুজুকী গাড়ীৰ কিবা ত্ৰুটি ধৰা পৰে, তেতিয়া উক্ত ত্ৰুটি ধৰা পৰা অংশটো মেৰামতি নাইবা সলনি কৰি দয়িাত মাৰুতি চুজুকীৰ বাধ্যবাধকতা থাকিব। কিন্তু এই ক্ষেত্ৰত মাৰুতি চুজুকীয়ে উক্ত ত্ৰুটি অংশটোৰ বিজুতি নাইবা নিৰ্মাণৰ সময়ত কিবা বিজুতি হোৱা বুলি পতিয়ন যাব লাগিব। এই ৱাৰেণ্টিৰ পৰিধিৰ ভিতৰত নপৰিলে যিকোনো অংশৰ মেৰামতি অথবা সলনিৰ বাবে গৰাকী সম্পুৰ্ণৰূপে দায়বদ্ধ হ'ব।

(4) সীমাবদ্ধতাঃ

এই ৱাৰেণ্টি প্ৰযোজ্য নহ'বঃ

1) প্ৰথম চাৰ্বিটা চার্ভিচিঙৰ বাদে আইল আৰু ফ্লুইড সলনি, হেডলাইট এইমিং, ফাষ্টেনাৰ ৰিটাইটেনিং, হুইল বেলেঞ্চিং, হুইল এলাইনমেণ্ট আৰু টায়াৰ ৰ'টেশ্বন, ইনজেক্টৰ ক্লিনিং, কার্বুৰেটৰ এডজাষ্টমেণ্ট, ইগনিশ্বন টাইমিং, ক্লাটচ আৰু ভেহিক'ল ক্লিনাৰ সহ আন চার্ভিচিঙৰ বাবদ তত্বাবধানৰ মাননি দিব লাগিব।
2) বাল্ব, টায়াৰ আৰু টিউব, স্পার্ক প্লাগ, বেল্ট, হচেছ, ফিল্টাৰ, ৱাইপাৰ ব্লেড, ব্ৰাচ, কণ্টেক্ট পইণ্ট, ফিউজ, ক্লাটচ ডিস্ক, ব্ৰেক চুজ, ব্ৰেক পেজ, কেবল আৰু সকলোবোৰ ৰাবাৰ পার্টছ (অইল চিল আৰু গ্লাচ ৰাণ) আদি নর্মেল ৱেৰ পার্টছ সলনিৰ কোনো ৱাৰেণ্টি নাথাকিব।
3) প্ৰতিযোগিতা অথবা ৰেচিঙত ব্যৱহাৰ হোৱা গাড়ীৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।
4) দুৰ্ঘটনা অথবা সংঘাতৰ ফলত মেৰামতি নাইবা অংশ সলনিৰ বাবে।
5) অপব্যৱহাৰ, অসাৱধানতা, অনিয়মিত ব্যৱহাৰ নাইবা অসঠিক ব্যৱহাৰৰ বাবে হোৱা বিজুতি ।
6) কোনোধৰণৰ সীমাবদ্ধতা নোহোৱাকৈ, সালসলনি, পাৰফৰমেন্স এক্সেছৰী সংস্থাপন কৰা গাড়ীৰ ক্ষেত্ৰত।
7) মাৰুতি চুজুকীয়ে অনুমোদন নকৰা পার্টছ ব্যৱহাৰ কৰা গাড়ীৰ ক্ষেত্ৰত।
8) মাৰুতি চুজুকী মালিকৰ নিয়মাৱলীত দিয়া নির্দেশনাৱলীত উল্লেখ থকা মতে নচলোৱা গাড়ীৰ ক্ষেত্ৰত।
9) মাৰুতি চুজুকী মালিকৰ নিয়মাৱলীত দিয়া নির্দেশাৱলীত উল্লেখ থকা মতে ৱাৰেণ্টি সময়সীমাত চার্ভিচিং নকৰা গাড়ীৰ ক্ষেত্ৰত।
10) মাৰুতি চুজুকী স্বীকৃত ডিলাৰ/চার্ভিচ ষ্টেচনৰ বাদে আন কোনো ঠাইত গাড়ীৰ যন্ত্ৰাংশ খোলা, লগোৱা, মিলোৱা নাইবা মেৰামত কৰা গাড়ীৰ ক্ষেত্ৰত।

11) যি উদ্দেশ্যত নির্মাণ কৰা হৈছিল তাৰ সলনি আন কামত ব্যৱহাৰ কৰা গাড়ীৰ ক্ষেত্ৰত।

12) উদ্যোগিক প্ৰদূষণ নাইবা চৰাইৰ বিষ্টা পৰাৰ ফলত হোৱা যিকোনো ক্ষতি হোৱা গাড়ী।

13) সীমাবদ্ধতাহীন, শব্দ, কম্পন ফ্লুইড নিগৰা আদি কোনোধৰণৰ সমস্যা যিবোৰে গাড়ীৰ কার্যক্ষমতাত হানি নকৰা বিধিনিৰ বাবে।

14) সীমাৱদ্ধতাহীন সহ কোনো স্বাভাৱিক ক্ষয় আৰু ক্ষতিৰ বাবদ।

15) ঘৰুৱা গেছ/এলপিজি চিলিণ্ডাৰৰ সংস্থাপন আৰু ব্যৱহাৰ কৰা গাড়ীৰ ক্ষেত্ৰত।

16) ভি বেল্ট, হছেজ আৰু গেছ লিকেজ (মাৰুতি চুজুকী এ চি গাড়ীৰ ক্ষেত্ৰত)।

17) এল পি জি/চি এন জি কিটৰদ্বাৰা কিনাৰ পাছত পৰিবর্তন কৰা গাড়ী।

(5) ৱাৰেণ্টিৰ প্ৰসাৰ সম্পর্কত

মাৰুতি চুজুকীয়ে মাৰুতি চুজুকী গাড়ীৰ বাবে সম্পুর্ণ লিখিত ৰূপত দিয়া এই ৱাৰেণ্টি। কোনো ডিলাৰ, ইয়াৰ এজেণ্ট, কর্মচাৰীয়ে ইয়াৰ নীতি-নিয়ম উলংঘা কৰিব নোৱাৰে আৰু কোনো ডিলাৰ ইয়াৰ এজেণ্ট কর্মচাৰীয়ে মাৰুতি চুজুকীৰ হৈ মৌখিকভাৱে ৱাৰেণ্টি দিব নোৱাৰে।

মাৰুতি চুজুকীয়ে যিকোনো সময়ত কোনো জাননী নিদিয়াকৈ নাইবা পূর্বে নির্মাণ বা বিক্রী কৰা গাড়ীৰ উৎপাদনৰ সলনি কৰাৰ বা কোনো দায়িত্ব গ্রহণ নকৰাৰ অধিকাৰ সুৰক্ষিত ৰাখিছে।

(6) ৱাৰেণ্টি সেৱাঃ

ৱাৰেণ্টি সেৱা গ্রহণ কৰিবলৈ সম্পুর্ণ গাড়ীখন মালিকে নিজৰ খৰচত স্বীকৃতিপ্রাপ্ত মাৰুতি চুজুকী ডিলাৰত উপস্থিত কৰাব লাগিব।

(7) মালিকৰ ৱাৰেণ্টি দায়বদ্ধতাঃ

সকলো মালিকৰ কৰণীয় হ'লঃ

- গাড়ী প্রদান কৰা সময়ত ৱাৰেণ্টি পঞ্জীয়ন/পি ডি আই কার্ড সম্পুর্ণৰূপে পুৰণ কৰাটো নিশ্চিত কৰক।
- নিজৰ খৰচত আনি যিকোনো স্বীকৃতিপ্রাপ্ত মাৰুতি চুজুকী ডিলাৰ/চার্ভিচ ষ্টেচনত চার্ভিচিং কৰোতে মাৰুতি চুজুকীৰ মালিকৰ নিয়মাৱলী আৰু চার্ভিচ বুকলেটত নির্দিষ্ট কৰি দিয়াবোৰ পৰীক্ষা কৰাৰ সঠিক প্রমাণ ৰাখক।
- স্বীকৃতিপ্রাপ্ত মাৰুতি চুজুকী ডিলাৰ/চার্ভিচ ষ্টেচনত পৰীক্ষণ কৰাৰ সত্যতা মাৰুতি চুজুকীৰ মালিকৰ নিয়মাৱলীৰ ''মেণ্টেনেন্স চার্ভিচ ৰেকর্ড'' ৰাখক। আৰু
- চার্ভিচিং পৰীক্ষণ আৰু ৱাৰেণ্টি সেৱাৰ বাবে যেতিয়াই অনুগ্রহ কৰে মাৰুতি চুজুকী মালিকৰ নিয়মাৱলী আৰু চার্ভিচ বুকলেট স্বীকৃতিপ্রাপ্ত মাৰুতি চুজুকী ডিলাৰত দেখুৱাব লাগিব।

যদি মাৰুতি চুজুকী মালিকৰ নিয়মাৱলী আৰু চার্ভিচ বুকলেট হেৰায় অথবা নষ্ট হয় তেতিয়া মালিকে স্বীকৃতিপ্রাপ্ত যিখন মাৰুতি চুজুকী ডিলাৰৰ পৰা গাড়ী কিনিছিল উক্ত ডিলাৰৰ সৈতে মাৰুতি চুজুকী মালিকৰ নিয়মাৱলী আৰু চার্ভিচ বুকলেট নতুনকৈ দিয়াৰ সম্পর্কত আলোচনা কৰক।

(8) পৰিণামস্বৰূপে হোৱা ক্ষতিৰ অস্বীকাৰকৰণঃ

গাড়ী হেৰুওৱা, সময় নষ্ট হোৱা, অসুচলতা নাইবা আন কোনো প্রত্যক্ষ ঘটনা অথবা পৰিণামস্বৰূপে হোৱা ক্ষতিৰ বাবদ মালিকৰ হাতত গাড়ীখন উপলব্ধ থাকিলেও তাৰ বাবে মাৰুতি চুজুকীয়ে কোনো দায়বদ্ধতা স্বীকাৰ নকৰে।

(9) মালিকৰ সলনি

যদি গাড়ীৰ মালিক সলনি হয়, বাকী থকা ৱাৰেণ্টিৰ সময়সীমা নতুন মালিকৰ ক্ষেত্ৰত প্রযোজ্য হ'ব।

নিৰ্গমন ৰাৱেণ্টি পলিচি

মাৰুতি চুজুকীয়ে 2001 চনৰ প্ৰথম জুলাইৰপৰা কাৰ্যকৰী হোৱাকৈ চাৰিখন মহানগৰত (নতুন দিল্লী, কলকাতা, মুম্বাই আৰু চেন্নাই) সকলোবোৰ মাৰুতি চুজুকী গাড়ীৰ নিৰ্গমনৰ ৰাৱেণ্টি প্ৰদান কৰিছে (নিয়মিত ৰাৱেণ্টিৰ বাদেও সমান্তৰালভাৱে নিয়মিত উৎপাদনৰ ৰাৱেণ্টিও দিব)

সময়সীমাঃ

প্ৰথম মালিকক গাড়ী বিক্ৰী কৰাৰপৰা নিৰ্গমনৰ ৰাৱেণ্টি 80,000 কি.মি. নাইবা 3 বছৰলৈ (যিটো চৰ্ত প্ৰথমে আহে) প্ৰযোজ্য হ'ব। কিবা কাৰণত মালিকী চৰ্ত সলনি হ'লেও সকলোবোৰ বৈধ নথি প্ৰদৰ্শন কৰিলে উক্ত ৰাৱেণ্টি সময়সীমাৰ সুবিধা লাভ কৰিব পাৰিব।

চৰ্তাৱলীঃ

1. নিৰ্গমনৰ ৰাৱেণ্টি অনুসৰি ৰাৱেণ্টি দাবী প্ৰাথমিক পৰীক্ষণ হ'ব। যদি গাড়ীখনে 1989 চনৰ কেন্দ্ৰ চৰকাৰৰ মটৰ ভেহিকল আইন (চি এম ভি আৰ) ৰ 115 নংৰ (2) নীতিমতে নিৰ্গমনৰ ষ্টেণ্ডার্ড পুৰণ কৰাত অসমৰ্থ হ'ব লাগিব।

2. ৰাৱেণ্টি দাবী তেতিয়াহে গ্ৰহণ কৰা হ'ব যেতিয়া মাৰুতি চুজুকী অথবা ইয়াৰ ডিলাৰে পৰীক্ষণ কৰি নিশ্চিত হয় যেঃ–
   ক) কোনো ক্ষেত্ৰতে প্ৰকৃত চেটিংছৰ কোনো ভঙা–চিঙা কৰা নাই।
   খ) পার্টৰ উৎপাদিত ত্ৰুটি (পৰিশিষ্ট–ক) থাকিলে।
   গ) মালিকৰ নিয়মাৱলীত চার্ভিচিং বুকলেটত দিয়া নির্দেশাৱলী অনুসৰি ইন্ধন আৰু বিভিন্ন অইল (ইঞ্জিন অইল, ট্ৰেন্সমিচন অইল, ব্ৰেক অইল ইত্যাদি) ব্যৱহাৰ কৰাৰ লগতে আনবোৰ পৰিচালন নীতি মানি চলাৰ পাছতো গাড়ীয়ে নিৰ্গমন ষ্টেণ্ডার্ড (ওপৰত উল্লেখ কৰা অনুসৰি) বজায় নাৰাখিলে।

3. গাড়ীৰ নিৰ্গমন ৰাৱেণ্টি অংশৰ পৰীক্ষণ কৰাটো মাৰুতি চুজুকী আৰু ইয়াৰ ডিলাৰৰ স্বাধীন বিবেচনা অনুসৰি হ'ব। উক্ত পৰীক্ষণৰ ফলাফল চূড়ান্ত আৰু বাধ্যতামুলক হ'ব। যদি পৰীক্ষণৰ পাছত ৰাৱেণ্টিৰ চর্তবোৰ পুৰণ নহয় তেতিয়া মাৰুতি চুজুকী আৰু ইয়াৰ ডিলাৰে উক্ত পৰীক্ষণৰ বাবদ কিবা মূল্য সংগ্ৰহ কৰাটো অধিকাৰ থাকিব।

4. নিৰ্গমন ৰাৱেণ্টি অনুসৰি (অৱশিষ্ট – ক দিয়া মতে) প্ৰয়োজনীয় পার্টটো বিনামূল্যত সলনি কৰি দিয়া হ'ব, কিন্তু কার্য সমাধা কৰাৰ দৰ যথাযথভাৱে লোৱা হ'ব।

5. নিৰ্গমন ৰাৱেণ্টিৰ অধীনত পৰা পার্ট অথবা সলনি কৰোতে ইয়াৰ সংলগ্ন পার্ট সলনি নকৰাকৈ কৰাটো সম্ভৱ নোহোৱাৰ বাবে সমগ্ৰ অংশটোকে সলনি কৰিবলগা হ'লে সংলগ্ন থকা পার্টৰ সুন্দৰ মেৰামতি আৰু নতুনত্ব ৰূপ দি ৰাৱেণ্টি থকা পার্টটো সলনি কৰিব নে সমগ্ৰ অংশটো সলনি কৰিব সেই কথা মাৰুতি চুজুকী নাইবা ইয়াৰ ডিলাৰে নির্ধাৰণ কৰিব।

6. নিৰ্গমন ৰাৱেণ্টি পার্ট সলনি কৰাৰ সময়ত আন কোনো ৰাৱেণ্টি বিহীন পার্টৰ সলনি কৰাটো প্ৰয়োজনীয় হ'লে উক্ত পার্ট ৰাৱেণ্টিৰ অধীনত বিবেচনা কৰা নহয়। সেয়েহে তেনে কৰিবলগা হ'লে উক্ত পার্ট সলনি নাইবা মেৰামতিৰ বাবে প্ৰয়োজনীয় মাননি লোৱা হ'ব।

7. কাষৰ মাৰুতি ডিলাৰৰ ৰৰ্কশ্বপলৈ নিয়াৰ সময়ত হোৱা খৰচৰ বাবে মাৰুতি চুজুকী দায়ী নহয় আৰু ৰাৱেণ্টি দাবী পুৰণ কৰা সময়ত আৰু পৰীক্ষণৰ সময়ত/ মেৰামতৰ সময়ত গাড়ীৰ কিবা ক্ষতি হ'লে মাৰুতি চুজুকী দায়ী নহয়।

8. আপোনাৰ মাৰুতি চুজুকী গাড়ীখনে নিৰ্গমনৰ ষ্টেণ্ডার্ড পুৰণ কৰিব নোৱৰাৰ বাবে চৰকাৰী কর্তৃপক্ষই কিবা জৰিমনা ল'লে মাৰুতি চুজুকী দায়ী নহয়।

9. সকলোবোৰ বৈধ নথি পত্ৰ প্ৰদৰ্শন কৰিলেও গাড়ীৰ মালিক সলনি হ'লে নিৰ্গমণ ৰাৱেণ্টি কার্যকৰী নহ'ব।

10. নির্গমন ৱাৰেণ্টিৰ নিয়মাৱলীত সকলোবোৰ তত্ত্বাৱধানৰ কার্যৱলী (মালিকৰ নিয়মাৱলী আৰু চার্ভিচ বুকত নির্দিষ্ট কৰা ধৰণে) লিখি ৰখাটো প্রয়োজন।

11. গ্রাহকে পি ইউ চি (প্রদূষণ নিয়ন্ত্রণাধীন) প্রদূষণ পৰীক্ষণ কৰোতে ধৰা পৰিলে সেই সময়লৈ ৱাৰেণ্টিৰ বৈধতা থকা চার্টিফিকেটখন প্রদর্শন কৰিব লাগিব। ৰচিদবোৰো (মালিকৰ নিয়মাৱলী আৰু চার্ভিচ বুকলেটত নির্দিষ্ট কৰি দিয়া ধৰণে কিনা দিনৰপৰা গাড়ীৰ তত্ত্বাবধান কৰা) সেই সময়ত প্রয়োজন হ'ব।

নির্গমন ৱাৰেণ্টিৰ চর্তবোৰ কেনে পৰিস্থিতিতি প্রযোজ্য নহ'ব

1. বৈধ পি ইউ চি চার্টিফিকেট নহ'লে।
2. মালিকৰ নিয়মাৱলীত উল্লেখ কৰা সূচীমতে মাৰুতি চুজুকীৰ স্বীকৃতিপ্রাপ্ত ৱর্কশ্বপত চার্ভিচিং নকৰিলে।
3. গাড়ীৰ অস্বাভাৱিক ব্যৱহাৰ কৰিলে (দুর্ঘটনা, মটৰ ৰেচ, ৰেলী অথবা ৰেকর্ড প্রতিষ্ঠা কৰাৰ বাবে ব্যৱহাৰ কৰিলে ইত্যাদি)।
4. এম জি পি (মাৰুতি জেনুইন পার্ট) ব্যৱহাৰ নকৰিলে।
5. অকর্তৃত্বশীলভাৱে গাড়ী বিজুতি ঘটালে।
6. চলোৱা প্রকৃত কিলোমিটাৰৰ ৰিডিং কৰিব নোৱৰাকৈ অডমিটাৰৰ বিজুতি ঘটালে।
7. ভেঁজাল ইন্ধন আৰু নির্দিষ্ট কৰি নিদিয়া তেল (ইঞ্জনি অইল, ট্রেন্সমিচন অইল আৰু ব্রেক অইল ইত্যাদি) ব্যৱহাৰ কৰিলে।

পৰিশিষ্ট – ক

নির্গমন ৱাৰেণ্টিৰ অধীনত পৰা পার্টৰ তালিকা

1. ফিউল ইনজেক্সন এচেম্বলী, প্রেচাৰ ৰেগুলেটৰ, থ্রটল বডী এচেম্বলী।
2. ইলেক্ট্রনিক কণ্ট্রুল মডিউল (ই চি এম)।
3. নিটেক মেনিফ'ল্ড।
4. ই জি আৰ ভাল্ভ
5. ডিষ্ট্রিবিউটৰ আৰু ইণ্টাৰনেল পার্ট।
6. ইগনিশ্বন কইল।
7. কনচিষ্টাৰ এচেম্বলী।
8. ভেপৰ লিকুইড চেপাৰেটৰ।
9. ফিউল টেংক আৰু ফিলাৰ কেপ।
10. পি চি ভি (পজিটিভ ক্রেংকচ)।
11. অইল ফিলাৰ কেপ।
12. কেটালাইটিক কনভার্টাৰ।
13. এক্সহষ্ট মেনিফ'ল্ড।
14. সকলোবোৰ ইন্ধন ইনজেক্সনৰ সৈতে জড়িত চেঞ্চৰ্চ।
15. হাই প্রেচাৰ ফিউল পাম্প।
16. গ্ল' প্লাগ।
17. গ্ল' প্লাগ কণ্ট্রলাৰ।
18. মেনিভার্টাৰ।

সূচীপত্র

ইন্ধন বিষয়ক পৰামর্শ	1
ড্রাইভিঙৰ পূর্বে	2
আপোনাৰ গাড়ীৰ পৰিচালন	3
চলোৱাৰ কৌশল	4
অনান্য নিয়ন্ত্রণ আৰু সৰঞ্জাম	5
গাড়ীত বোজা উঠোৱা আৰু টনা	6
পৰীক্ষণ আৰু মেৰামতি	7
জৰুৰীকালীন সেৱা	8
বাহ্যিক যতন	9
সাধাৰণ জাননী	10
নির্দিষ্টকৰণ	11
বডি ফেব্রিকেছনৰ বাবে নির্দেশনা (চেচিচ প্রকৰণৰ বাবে)	12

ইন্ধন বিষয়ক পৰামর্শ

ইন্ধন বিষয়ক পৰামর্শ 1-1

1

ইন্ধন বিষয়ক পৰামর্শ

আপুনি 51 তকৈ অধিক সংখ্যক কেটান (চি এন) আৰু 50 পি পি এম (পার্টচ পাৰ মাইল) তকৈ কম ছালফাৰযুক্ত ডিজেল ইন্ধন ব্যৱহাৰ কৰক। মাৰুটি চুজুকীয়ে EN590 ডিজেল ইন্ধন ব্যৱহাৰ কৰিবলৈ পৰামর্শ দিছে। সামুদ্রিক ডিজেল ইন্ধন, তপত ইন্ধন আদি ব্যৱহাৰ নকৰিব।

জাননী
ইন্ধনৰ টেংকত বায়ুৰ বাবে খালী ঠাই থাকে তাক উষ্ণ জলবায়ুত ইন্ধনৰ সম্প্রসাৰণৰ বাবে দিয়ক। ফিলাৰ ন'জল নিজে নিজে বন্ধ হোৱাৰ পাছতো আপুনি যদি ইন্ধন ভৰোৱা অব্যাহত ৰাখে, তেতিয়া প্রাথমিক ৰূপত ইন্ধন উভতি আহিব পাৰে। এনেদৰে তেল ভৰালে উষ্ণতা অনাবৃত কৰিবলৈ ইন্ধন সম্প্রসাৰণৰ বাবে ক্ষৰণ হ'ব পাৰে। এনেধৰণৰ ইন্ধন ক্ষৰণ ৰোধৰ বাবে ফিলাৰ ন'জল নিজে নিজে বন্ধ হোৱাৰ পাছত তেল ভৰোৱাটো বন্ধ কৰক। তেনে নকৰি অস্বয়ংক্রিয়পদ্ধতি ব্যৱহাৰ কৰিলে প্রাৰম্ভিক ক্ষৰণ হ'ব পাৰে।

জাননী
তেল ভৰোৱাৰ সময়ত এলকহলযুক্ত ইন্ধন সোমোৱাৰপৰা সাৱধান থাকক। যদি আপোনাৰ যানৰ শৰীৰতো তেনে ইন্ধন লাগে লগে লগে তাক মচি পেলাওক। এলকহলযুক্ত ইন্ধনে আপোনাৰ গাড়ীৰ ৰং নষ্ট কৰিব পাৰে, যিটো নিউ ভেহিকল লিমিটেড বাৰেণ্টিৰ অধীনত নপৰে।

ড্রাইভিঙৰ পূৰ্বে

চাবিকোচা 2-1
দ'ৰ লক 2-1
টেইলগেট 2-1
খিৰিকী 2-3
দাপোন 2-3
আসন 2-3
চিট বেল্ট 2-4
ইনষ্ট্রুমেণ্ট ক্লাষ্টাৰ 2-8
স্পিডমিটাৰ 2-9
ফিউল গজ 2-9
ইনফৰমেশ্যন ডিচপ্লে 2-9
সতৰ্কীকৰণ আৰু সকেত লাইট 2-11
লাইট কণ্ট্ৰল লিভাৰ 2-14
হাইলাইট লেভেলিং চুইশ্ব 2-14
টাৰ্ণ চিগনেল কণ্ট্ৰল লিভাৰ 2-15
বিপদ সংকেত বুটাম 2-15
উইণ্ডশ্বিল্ড ৱাইপাৰ আৰু ৱাশ্বাৰ লিভাৰ 2-16
হৰ্ণ 2-17

চাবিকোচা



51KM024

আপোনাৰ গাড়ীৰ লগত এযোৰা অভিন্ন চাবি দিয়া হ'ব। অতিৰিক্ত চাবিটো সুৰক্ষিত ঠাইত ৰাখক। ইয়াৰে যিকোনো এটা চাবিৰে আপোনাৰ গাড়ীৰ সকলো তলা খুলিব পাৰে।

চাবি চিনাক্তকৰণ নম্বৰ চাবিৰ লগত দিয়া ধাতুৰ লেবেল নাইবা চাবিতে দিয়া থাকে। ধাতুৰ লেবেলটো (যদি দিয়ে) সুৰক্ষিত ঠাইত ৰাখক। যদি আপোনাৰ চাবি হেৰায়, নতুন চাবি বনোৱাৰ বাবে উক্ত নম্বৰটো লাগিব। ভৱিষ্যতে প্ৰয়োজনৰ বাবে নম্বৰটো লিখি ৰাখক।

চাবিৰ নম্বৰঃ

দ'ৰ লক

চাইড দ'ৰ লক

ড্ৰাইভাৰ লক



76MH0A001

(1) লক
(2) আনলক
(3) ফ্ৰণ্ট
(4) ৰিয়েৰ

গাড়ীখন ড্ৰাইভাৰ দ'ৰৰ বাহিৰফালৰপৰা লক কৰিবলৈঃ

- চাবিটো দি গাড়ীখনৰ সন্মুখৰফালে পকাই দিয়ক। নাইবা
- লক নব তললৈ হেঁচা মাৰি দ'ৰখন বাহিৰলৈ টানি বন্ধ কৰি দিয়ক।

গাড়ীৰ বাহিৰৰপৰা ড্ৰাইভাৰৰ দুৱাৰখন খুলিবলৈ চাবিটো ভৰাই দি গাড়ীৰ পাছফালে চাবিটো পকাই দিয়ক।

গাড়ীৰ যাত্ৰীৰ দ'ৰ বাহিৰৰপৰা বন্ধ কৰিবলৈ লক নবত হেঁচা মাৰি দ'ৰৰ হেণ্ডেলত ধৰি বাহিৰলৈ টানক আৰু বন্ধ কৰি দিয়ক।



54G005

(1) লক
(2) আনলক

টেইলগেট



77PH025

লক হেণ্ডেল টানি টেইলগেট খুলিব পাৰি (1)। যেতিয়া বন্ধ কৰে ইয়াক ভালদৰে বন্ধ কৰক।

উদাহৰণ



77PM201

টেইলগেটৰ চেইনৰ সহায়ত টেইলগেটক মধ্যস্থলত বন্ধ কৰিব পাৰি (2)।

জাননী

যেতিয়া প্ৰয়োজন নহয় (3) টেইলগেটৰ চেইনডাল (2) পিনৰ সহায়ত বন্ধ কৰক।

⚠ সাবধান

- **টেইলগেট খোলা ৰাখি গাড়ী চলালে টেইলগেটৰ মধ্যস্থল হেন্দোলনি খাই আনক আঘাট কৰিব পাৰে। যাৰ বাবে ব্যক্তি আঘাতপ্ৰাপ্ত বা মৃত্যু পৰ্যন্ত হ'ব পাৰে।**
- **টেইলগেট খোলা ৰাখিলে ইয়াৰ মধ্যস্থলে অন্য ড্ৰাইভাৰৰ মনযোগ আকৰ্ষণ কৰিব পাৰে। যাৰ বাবে দুৰ্ঘটনা সংঘটিত হ'ব পাৰে। সেয়েহে গাড়ী চলোৱাৰ পুৰ্বে টেইলগেট ভালদৰে বন্ধ আছেনে তাক নিশ্চিত কৰি লওক।**
- **টেইলগেট বন্ধ থকাটো সদায় নিশ্চিত কৰিলে যিকোনো সম্ভাব্য দুৰ্ঘটনাৰ সময়ত গাড়ীত থকা বয়বস্তু উফৰি পৰাটো প্ৰতিৰোধ কৰিব।**
- **টেইলগেট বন্ধ কৰি ৰখাৰ সময়ত ইয়াৰ মধ্যস্থলৰ ওপৰত ঠিয় নহ'ব, কোনোধৰণৰ ওজন অথবা বস্তুৰ ভৰ নিদিব।**
- **যদি টেইলগেট সম্পুৰ্ণভাবে খোলা অবস্থাত থাকে তেতিয়া গাড়ীৰ পাছফালৰ লাইট যেনে পজিচন লেম্প, টাৰ্ণ চিগনেল ইণ্ডিকেটৰ আৰু ষ্টপ লেম্প লুকাই পৰিব নাইবা দেখা পোৱা নাযাব।**

উদাহৰণ



77PM202

⚠ সাবধান

- **যদি টেইলগেট সম্পুৰ্ণৰূপে খোলা ৰাখি (1) বোজাই কৰা বা নমোৱা কাৰ্য কৰি থকা হয় তেতিয়া সতৰ্কতাৰে ত্ৰিভুজ ভালদৰে দেখাকৈ ৰাস্তাত ৰাখি সেই ৰাস্তাৰে অহা আনক গাড়ীৰ উপস্থিতিৰ প্ৰতি সজাগ (2) কৰিব লাগে।**

খিৰিকী

হাতেৰে খিৰিকী নিয়ন্ত্রণ



60G010

দ'ৰত থকা হেণ্ডেল পকাই দুৱাৰত থকা খিৰিকী উঠোৱা নমোৱা কৰিব।

পাছফালৰ খিৰিকী



77PH073

খিৰিকী খুলিবলৈ লক (1) ঠেলক আৰু পিছলাই দিয়ক।

দাপোণ

পাছফালে দেখা পোৱা ভিতৰত থকা দাপোণ

আপোনাৰ গাড়ীৰ পাছফালখন দেখা পোৱাকৈ পাছফাল দেখা পোৱা দাপোণখন হাতেৰে ঠিক কৰি লওক।



74LHT0235

পাছফাল দেখা বাহিৰত থকা দাপোণ

আপোনাৰ গাড়ীখনৰ পাছফালটো ভালদৰে দেখাকৈ পাছফাল দেখা দাপোণবোৰ মিলাই লওক।

⚠ সাবধান

কাষৰ উত্তল দাপোণত দেখা যিকোনো বস্তু অথবা গাড়ীৰ অৱয়ব অথবা দূৰত্ব অনুমান কৰোতে সাবধান হওক। সমতল দাপোণত দেখাতকৈ এনে দাপোণত বস্তুৰ অবয়ব সৰু অথবা দূৰত্ব অধিক দেখা পোৱা যায়।



64P0190

আসন

আসনৰ সামঞ্জস্যতা (ড্রাইভাৰৰ আসন)

⚠ সাবধান

গাড়ী চলাই থকাৰ সময়ত ড্রাইভাৰৰ আসন কেতিয়াও ঠিক নকৰিব। আশা কৰাতকৈ আসনখনে অধিক ইফাল সিফাল কৰিলে গাড়ীৰ নিয়ন্ত্রণ হেৰুৱাব পাৰে। গাড়ী চলোৱাৰ আগতে ড্রাইভাৰৰ আসন সঠিককৈ আছেনে নিশ্চিত কৰি লওক।

⚠ সাবধান

চিট বেল্ট অতিমাত্রা ঢিলা নকৰিব, যিটোৱে সুৰক্ষিত সঁজুলি হিচাপে চিট বেল্টৰ কার্যক্ষমতা হ্রাস কৰিব। চিট বেল্ট বন্ধাৰ আগতে আসনখন সঠিককৈ আছেনে সেইটো নিশ্চিত কৰক।

উদাহৰণ

77PH087

আসনৰ অবস্থিত মিলোৱা লিভাৰ (1)

লিভাৰডাল টানি দিয়ক আৰু আসনখন পিছলাই দিয়ক।

আসনখন মিলোৱাৰ পাছত আগলৈ পাছলৈ লৰাই চাওক আৰু সুৰক্ষিতভাৱে শলখা লাগিছেনে তাক নিশ্চিত কৰক।

⚠ সাবধানতা

আসন মিলোৱাৰ সময়ত আপোনাৰ হাত অথবা শৰীৰত আসনখনে আঘাত নকৰিবৰ বাবে সাৱধান হওক।

চিট বেল্ট

উদাহৰণ



65D231S

⚠ সাবধান

সকলো সময়তে আপোনাৰ চিট বেল্ট বান্ধি লওক।

⚠ সাবধান

বহি যোৱা আসনখনত ক্রমবর্ধমান ৰূপত বায়ুৰ হেঁচা পৰক বা নপৰক ড্রাইভাৰ আৰু যাত্রীয়ে চিট বেল্ট সঠিকভাবে পৰিধান কৰিবই লাগে। যাৰ ফলত যি কোনো ধৰণৰ দুর্ঘটনাত আহত অথবা মৃত্যুৰ সম্ভাৱনা হ্রাস কৰে।

উদাহৰণ



65D606

⚠ সাবধান

- **বস্তু থকা ঠাইত ব্যক্তিক বহি যাত্রা কৰিবলৈ কেতিয়াও নিদিব। দুর্ঘটনাৰ সময়ত সঠিকভাবে চিট বেল্ট নবন্ধাকৈ যোৱা ব্যক্তিৰ অধিক আঘাত পোৱাৰ সম্ভাবনা বহু পৰিমাণে অধিক থাকে।**
- **সদায় তলত দিয়া ধৰণে চিট বেল্ট মিলাই ল'ৱঃ**
  - **বেল্টৰ জপা অংশটো কঁকাল সামৰি নহয় শৰীৰৰ নিম্নাংশক সামৰি পৰিধান কৰক।**
  - **কান্ধৰ পেটিৰ অংশ কেতিয়াও বাহুৰ তলত পৰিধান নকৰিব, কান্ধৰ ওপৰেদিহে পিন্ধিব।**
  - **কান্ধৰ পেটি অংশটো আপোনাৰ ডিঙিৰপৰা দূৰত ৰাখিব, কিন্তু কান্ধৰ পৰা পৰিব নিদিব।**

(ক্রমশঃ)

উদাহৰণ



65D201

উদাহৰণ

65D199

⚠ সাবধান

(ক্রমশঃ)

- চিট বেল্ট টান কৰাৰ বাবে কেতিয়াও পকাই লৈ পৰিধাননকৰিব, তাক সুৰক্ষাৰ বাবে যেনেদৰে নির্মাণ কৰিছে তেনেদৰে পিন্ধক। নির্ধাৰিত কৰি দিয়াতকৈ অধিক ঢিলা চিট বেল্টেও কম সুৰক্ষা দিয়ে।
- প্রত্যেকডাল চিট বেল্ট সঠিক ঠাইত বান্ধি থোৱা আছেনে নাই পৰিধান কৰাৰ আগত সেই কথা নিশ্চিত কৰক।

(ক্রমশঃ)

⚠ সাবধান

(ক্রমশঃ)

- গর্ভৱতী মহিলায়ো চিট বেল্ট পৰিধান কৰিব লাগে। অবশ্যে ড্রাইভিং কৰাৰ ক্ষেত্রত মহিলাগৰাকীৰ চিকিৎসকৰ নির্দিষ্ট পৰামর্শমতে কৰিব লাগে। মনত ৰাখিব যে বেল্টৰ জাপ থকা অংশটো যিমান পাৰি তপিনাৰ অংশক অধিক সামৰি পৰিধান কৰিব লাগে।
- আপুনি পৰিধান কৰা কাপোৰৰ জেপত থকা টান অথবা ভগা বস্তু ভঙাকৈ চিট বেল্ট পৰিধান কৰিব নালাগে। গ্লাচ, কলম আদি বস্তু চিট বেল্টৰ তলত পৰাকৈ পৰিধান কৰিলে দূর্ঘটনাৰ সময়ত অধিক আঘাত পাব পাৰে।

(ক্রমশঃ)

⚠ সাবধান

(ক্রমশঃ)

- একেডাল চিটবেল্টক এজনতকৈ অধিক ব্যক্তিয়ে কেতিয়াও পৰিধান নকৰিব আৰু পৰিধানকাৰীৰ কোলাত থকা শিশুকো ইয়াৰ সৈতে সংলগ্ন কৰি নল'ব। তেনেদৰে চিট বেল্ট পৰিধান কৰিলে দুর্ঘটনাৰ সময়ত অধিক আঘাত কৰিব পাৰে।
- আপোনাৰ চিট বেল্ট অধিক পৰিধান কৰা হৈছে নেকি, নাইবা নষ্ট হৈছে নেকি সেই কথা মাজে মাজে পৰীক্ষা কৰক। যদি চিট বেল্ট ক্ষয় হৈছে, নষ্ট হৈছে অথবা অনুপযোগী হৈছে তেতিয়া ইয়াক সলনি কৰি লওক। আটাইকেইটা চিটত থকা বেল্ট নষ্ট বা অনুপযোগী নহ'লেও এটা তেনে হ'লেই আটাইবোৰ একেলগে সলনি কৰক।
- সম্পুর্ণ শান্ত হৈ নাথাকিলে শিশুক লৈ কেতিয়াও গাড়ীত ভ্রমণ নকৰিব।
- শিশুৰ বাবে– যদি চিট বেল্টে শিশুৰ ডিঙি অথবা মুখত বিৰক্তি দিয়ে তেতিয়া শিশুক গাড়ীৰ কেন্দ্রস্থললৈ স্থানান্তৰ কৰক।
- পলিচ, তেল, ৰাসায়নিক দ্রব্য আৰু বিশেষকৈ বেটাৰী এচিড আদিৰ দৰে হানিকাৰক দ্রব্যৰপৰা চিট বেল্টক আঁতৰাই ৰাখক। নৰম চাবোন আৰু পানীৰদ্বাৰা চিট বেল্ট চাফাই কৰাটো সুৰক্ষিত।

(ক্রমশঃ)

⚠ সাবধান

(ক্রমশঃ)

- **চিট বেল্টৰ বকলেছত মূদ্রা, ক্লিপ আদি সন্নিবিষ্ট নকৰিব আৰু উল্লেখিত অংশ পিছল তৰল বস্তুৰ সংস্পর্শলৈ আহিব নিদিব। কোনো আচহুৱা বস্তু চিট বেল্টৰ বকলেচত লাগিলে সি সঠিকভাৱে কাম নকৰিবও পাৰে।**

কোলা–কান্ধৰ বেল্ট

ইমার্জেন্সি লকিং ৰিট্রেক্টৰ (ই আল আৰ)

চিট বেল্টৰ এডাল ইমার্জেন্সি লকিং ৰিট্রেক্টৰ (ই আল আৰ) আছে। হঠাৎ গাড়ী ৰখোৱাৰ বাবে হোৱা প্রভাৱত চিট বেল্টডাল লক কৰাৰ বাবে ইয়াৰ আৰ্হি প্রস্তুত কৰা হয়। যদি আপোনাৰ শৰীৰত অতি ক্ষিপ্রতাৰে চিট বেল্ট পৰিধান কৰে তেতিয়াও ই লক হৈ যাব পাৰে। যদি তেনে হয় বেল্টডাল আনলক হ'বলৈ দিয়ক। তাৰ পাছত লাহে লাহে ইয়াক পৰিধান কৰক।

সুৰক্ষাজনিত ৰিমাইণ্ডাৰ

60A038

60A040

সংঘর্ষৰ সময়ত বেল্টৰ তলেৰে পিছলি যোৱা বিপদ কমাবলৈ কোলাত পৰিবলগা বেল্টৰ অংশটো তপিনাত বন্ধাৰ দৰে যিমান পাৰে আপোনাৰ কোলাৰ তলৰ ফালে মেৰিয়াই লওক আৰু শলখা থকা অংশৰ যোগেদি বাহুৰ অংশত ভালদৰে সংযোগ কৰি লওক। ভালদৰে লৰচৰ কৰিব পৰাকৈ বাহুৰ ৰিকর্ণ অংশ পেটিৰে সঠিককৈ মিলাই লওক।



60A036

চিট বেল্ট সংলগ্ন কৰিবলৈ পোনহৈ হাউলি বহক, আপোনাৰ শৰীৰটো মেৰিয়াই শলখা প্লেট চিট বেল্টৰ সৈতে সংযোগ কৰক আৰু এটা 'ক্লিক' শব্দ নকৰালৈকে বকলেচত চিধাকৈ হেঁচা দিয়ক।



60A039

চিট বেল্টৰ জোৰা এৰুৱাবলৈ বকলেচ বুটামত হেঁচা দিয়ক আৰু যেতিয়া বেল্টৰ সৈতে এটা হাতৰ সংযোগ কৰে তেতিয়া বেল্টডাল লাহে লাহে সংকুচিত কৰক।

চিট বেল্টৰ পৰ্যবেক্ষণ

65D209S

এক নিৰ্দিষ্ট সময়ৰ মুৰে মূৰে চিট বেল্ট নষ্ট হৈছে নেকি সেয়া পৰ্যবেক্ষণ কৰক। ৱেবিং, বকলেচ, সংযোগী প্লেট, ৰিট্রেক্টৰ, এনকৰেজেচ আৰু গাইড লুপচ্ পৰীক্ষা কৰক। সঠিককৈ কাম নকৰা চিট বেল্ট তৎক্ষণাৎ সলনি কৰক।

⚠ সাবধান

যিকোনো সংঘৰ্ষৰ পাছত সকলোবোৰ চিট বেল্ট পৰীক্ষা কৰক। যিকোনো সংঘৰ্ষৰ পাছত চিট বেল্টৰ সকলো অংশ পৰীক্ষা কৰক। সংঘৰ্ষৰ (সামান্য ৰূপত হ'লে বাদ দি) সময়ত থকা চিট বেল্ট প্ৰয়োজন নহ'লেও সলনি কৰক। সংঘৰ্ষৰ নহ'লেও আন কিবা প্ৰকাৰে নষ্ট হোৱা চিট বেল্ট সলনি কৰক।

ইনষ্ট্রুমেণ্ট ক্লাষ্টাৰ

1. স্পিডমিটাৰ
2. ইনফৰমেশ্বন ডিচপ্লে
3. ট্রিপ মিটাৰ চিলেক্টৰ নব
4. ৱার্নিং এণ্ড ইণ্ডিকেটৰ লাইট

উদাহৰণ



77PH108

স্পিডমিটাৰ

স্পিডমিটাৰে গাড়ীৰ গতিবেগৰ সংকেত দিয়ে।

ফিউল গজ



77PH006

যেতিয়া জ্বলন বুটাম “ON” হৈ থাকে এই গজে কিমান পৰিমাণৰ ইন্ধন জমা আছে তাৰ আনুমানিক সংকেত দিয়ে। “F” মানে হ’ল সম্পুর্ণ, “E” মানে হ’ল খালি।

যদি ইন্ধন মিটাৰৰ ৰেখাডালে “E” ৰ অংশৰ ফালে সংকেত দিয়ে যিমান পাৰি সোনকালে টেংকত ইন্ধন ভৰাওক।

টোকাঃ
শেহতীয়াভাৱে ৰেখাডালে খালি সংকটত গৈ সঘনাই লৰচৰ কৰিছে তাৰ অর্থ হ’ল ইন্ধন প্রায় শেষ হৈছে।

(1) চিহ্নই গাড়ীখনৰ সোঁফালে ইন্ধন ভৰোৱা দ’ৰৰ থকাৰ সংকেত দিয়ে।

ইনফৰমেশ্যন ডিচপ্লে



77PH109

(1) ট্রিপ মিটাৰ চিলেক্টৰ নব
(2) ইনফৰমেশ্বন ডিচপ্লে

যেতিয়া জ্বলন বুটাম “ON” হৈ থাকে ইনফৰমেশ্বন ডিচপ্লেত নিম্ন লিখিত তথ্য প্রদর্শন কৰে।

ডিচপ্লে (ক)
ফিউল গজ

ডিচপ্লে (খ)
অডমিটাৰ / ট্রিপ মিটাৰ / ক্লক / ব্রাইটনেচ কণ্ট্রোল

ফিউল গজ
যেতিয়া জ্বলন বুটাম “ON” হৈ থাকে ডিচপ্লে (ক) ই ফিউল গজ দেখুৱাই থাকে।

এই শাখাত ‘‘ফিউল গজ’’ৰ সম্পর্কে সংকেত দিয়ে।

অড’মিটাৰ / ট্রিপ মিটাৰ / ক্লক / ব্রাইটনেচ কণ্ট্রোল

যেতিয়া জ্বলন বুটাম “ON” হৈ থাকে ডিচপ্লে (খ) ই তলত দিয়া যিকোনো এটা সংকেত দিয়ে অড’মিটাৰ, ট্রিপ মিটাৰ A, ট্রিপ মিটাৰ B নাইবা ক্লক।

ডিচপ্লে সংকেত (খ) বুটামৰ বাবে ট্রিপমটাৰ চিলেক্টৰ নব (1) ৰ তৎক্ষণাত ঠেলা মাৰি দিয়ক।



77PH007

(ক) অড’মিটাৰ
(খ) ট্রিপ মিটাৰ A
(গ) ট্রিপ মিটাৰ B

(ঘ) ক্লক
(ঙ) ব্রাইটনেচ কণ্ট্রোল*

* হেডলাইট অথবা পজিশ্বন লাইট অন থাকিলে ব্রাইটনেচ কণ্ট্রোল মিটাৰে দেখা দিব।

⚠ সাবধান

আপুনি যদি গাড়ী চলাই থকা অৱস্থাত ডিচপ্লে মিলোৱাৰ যত্ন কৰে গাড়ীৰ নিয়ন্ত্রণ হেৰুওৱাৰ সম্ভাৱনা থাকে।

গাড়ী চলাই থকা অৱস্থাত ডিচপ্লে মিলোৱাৰ যত্ন নকৰিব।

টোকাঃ
নবত হেঁচা মাৰি এৰি দিলে সংকেতবোৰ সলনি হ'ব।

অড'মিটাৰ
গাড়ীখনে কিমান দূৰ অতিক্রম কৰিলে সেই তথ্য অড'মিটাৰে ৰাখে।

জাননী

আপোনাৰ গাড়ীৰ অড'মিটাৰ ৰিডিঙৰ ধ্যান ৰাখক আৰু সেইমতে প্রয়োজনীয় তত্বাৱধানৰ সূচী নিয়মিত মানি চলক।
কিছু পার্টছৰ ক্ষয় বা নষ্ট হোৱাৰ ফলত গাড়ীয়ে প্রয়োজনীয় সেৱা দিয়াত অসমর্থ হ'ব পাৰে। তেনে নহ'বলৈ নির্দিষ্ট দূৰত্ব ভ্রমণ কৰাৰ পাছত তত্বাবধানৰ ব্যৱস্থা কৰক।

ট্রিপ মিটাৰ
ট্রিপ মিটাৰ চর্ট ট্রিপত কিমান দূৰ অতিক্রম কৰিলে নাইবা ইন্ধন বন্ধৰ জোখ ল'বলৈ ব্যৱহাৰ কৰিব পাৰি। আপুনি ট্রিপ মিটাৰ A অথবা B স্বাধীনভাৱে ব্যৱহাৰ কৰিব পাৰে।

ট্রিপ মিটাৰ শূন্যলৈ আনিবৰ বাবে ট্রিপ মিটাৰ চিলেক্টৰ নব (1) ত যেতিয়া ডিচপ্লে শ্বো কৰে তেতিয়া কিছুসময় হেঁচামাৰি ধৰক।

টোকাঃ
ট্রিপ মিটাৰৰ সর্বাধিক ইনডিকেট সংখ্যা হ'ল 9999.9। আপোনাৰ গাড়ীয়ে যেতিয়া এই সংখ্যাটো অতিক্রম কৰিব, তেতিয়া ইনডিকেট সংখ্যা নিজেই 0.0 লৈ যাব।

ক্লক
ডিচপ্লেত সময় দেখা পোৱা যব।

সময়ৰ সংকেত সলাবলৈঃ
1) ট্রিপ মিটাৰ চিলেক্ট নব (1) মিনিট ইনডিকেটৰ ঢিপ–ঢাপ নকৰালৈকে কিছুসময় হেঁচা মাৰি ধৰক।
2) মিনিটৰ সংকেত সলনি কৰিবলৈ যেতিয়া মিনিট ইনডিকেটৰ ঢিপ–ঢাপ কৰে তেতিয়া বাৰে বাৰে মিনিট ট্রিপ মিটাৰ চিলেক্ট নব (1) হেঁচি থাকক। মিনিটৰ সংকেত তৎক্ষণা সলনি কৰিবলৈ ট্রিপ মিটাৰ চিলেক্ট নব (1) কিছুপৰ হেঁচা মাৰি থাকক। মিনিট সংকেত সলাবলৈ ঘণ্টাৰ ইনডিকেটৰ ঢিপ–ঢাপ কৰালৈকে প্রায় 5 চেকেণ্ড অপেক্ষা কৰক।
3) ঘণ্টাৰ সংকেত সলনি কৰিবলৈ ট্রিপ মিটাৰ চিলেক্টৰনৰ (1) ত মিনিটৰ সংকেত টিপ–টাপ নকৰালৈকে বাৰে বাৰে হেঁচা মাৰক। 5 ছেকেণ্ডৰ বাবে ৰওক আৰু ঘণ্টাৰ সংকেত টিপ–টাপ কৰিবলৈ আৰম্ভ কৰিব। ঘণ্টাৰ সংকেত সলনি কৰিবলৈ তাৎক্ষণিকভাবে ট্রিপ মিটাৰ চিলেক্টৰ নৱটো (1) হেঁচি ধৰি থাকক। ঘণ্টাৰ সংকেত স্থিৰ কৰিবলৈ হ'লে 5 ছেকেণ্ডৰ বাবে অপেক্ষা কৰক।

⚠ সাবধান

আপুনি যদি গাড়ী চলাই থকা অৱস্থাত ডিচপ্লে মিলোৱাৰ যত্ন কৰে তেতিয়া গাড়ীৰ নিয়ন্ত্রণ হেৰুওৱাৰ সম্ভাৱনা থাকে।

গাড়ী চলাই থকা অৱস্থাত ডিচপ্লে মিলোৱাৰ যত্ন কেতিয়াও নকৰিব।

টোকাঃ
আপুনি যেতিয়া নিগেটিভ (–) টার্মিনেল ৰেটাৰীৰ সৈতে সংযোগ কৰে ক্লক ইণ্ডিকেশ্যন পুনৰ আৰম্ভ হয়। আপোনাৰ সুবিধা অনুসৰি ইণ্ডিকেশ্বন পুনৰ সলনি কৰক।

ব্রাইটনেচ কণ্ট্রোল
যেতিয়া পজিশ্বন লাইট আৰু হেডলাইট অন হৈ থাকে তেতিয়া আপুনি মিটাৰৰ উজ্বল প্রবলতা নিয়ন্ত্রণ কৰিব পাৰে।

ইনষ্ট্রুমেণ্ট পেনেল লাইটৰ ব্রাইটনেচ সলনি কৰিবলৈ ট্রিপ মিটাৰ চিলেক্ট নব (1) কিছুপৰ হেঁচামাৰি ধৰক।

⚠ সাবধান

আপুনি যদি গাড়ী চলাই থকা অৱস্থাত ডিচপ্লে মিলোৱাৰ যত্ন কৰে গাড়ীৰ নিয়ন্ত্রণ হেৰুওৱাৰ সম্ভাৱনা থাকে।

গাড়ী চলাই থকা অৱস্থাত ডিচপ্লে মিলোৱাৰ যত্ন কেতিয়াও নকৰিব।

টোকাঃ

- *যদি আপুনি ট্রিপ মিটাৰ চিলেক্টৰ নব প্রায় 10 চেকেণ্ডৰ ভিতৰত ব্রাইটনেচ কণ্ট্রোল ডিচপ্লে সক্রিয় নকৰে, ব্রাইটনেচ কণ্ট্রোল ডিচপ্লে নিজে নিজে বাতিল হ'ব।*
- *আপুনি যেতিয়া বেটাৰী পুনৰ সংযোগ কৰিব ইনষ্ট্রুমেণ্ট পেনেল লাইট পুনৰ আৰম্ভ হ'ব। আপোনাৰ সুবিধা অনুযায়ী ব্রাইটনেচ পুনৰ মিলাই লওক।*

সতর্কীকৰণ আৰু সকেত লাইট

ব্রেক চিষ্টেমৰ সতর্কীকৰণ লাইট



82K170

গাড়ীৰ নির্দিষ্টতাৰ ওপৰত ভিত্তি কৰি চাৰিটা বিভিন্ন কার্য আছে।

1) যেতিয়া জ্বলন বুটাম "ON" কৰা হয় তেতিয়া লাইট সংক্ষিপ্ত ৰুপত কার্যকৰী হয়।
2) যেতিয়া জ্বলন বুটামৰ সৈতে পার্কিং ব্রেক "ON" কৰা হয় তেতিয়া লাইট জ্বলি উঠে।
3) ওপৰত উল্লেখিত এটা অথবা দুয়োটা অৱস্থাতে লাইট জ্বলি উঠে।
4) ব্রেক ফ্লুইড ৰির্জাভাৰৰ ফ্লুইড যেতিয়া নির্ধাৰিত স্তৰৰ তলৈলে যায় তেতিয়া লাইট জ্বলি উঠে।

যদি ব্রেক ফ্লুইড ৰিজার্ভাৰত ফ্লুইডৰ স্তৰ পর্যাপ্ত পৰিমাণত থাকে তেতিয়া ইঞ্জিন ষ্টার্ট দিয়াৰ পাছত পার্কিং ব্রেক মুক্ত কৰি দিয়াৰ লগে লগে লাইট বন্ধ হৈ পৰে।

আপুনি গাড়ী চলাই থকা অৱস্থাত যদি ব্রেক চিষ্টেমৰ ৰার্ণিং লাইট জ্বলি উঠে, তেতিয়া হ'লে আপোনাৰ গাড়ীৰ ব্রেক চিষ্টেমত কিবা সমস্যা হৈছে। যদি তেনে হয় তেতিয়া আপুনি কৰিবলগা কাম হ'লঃ

1) আৰু আগুৱাই নগৈ সাৱধানে গাড়ীখন ৰখাওক।

⚠ সাবধান

মনত ৰাখিব যে ৰখাৰ বাবে দুৰত্ব দীঘলীয়া হ'ব পাৰে, আপুনি পেডেল জোৰেৰে হেঁচা দিব লগা হ'ব পাৰে, আৰু পেডেল স্বাভাৱিকতকৈ বেছি নামিব পাৰে।

2) পথৰ কাষত গাড়ীখন ষ্টার্ট কৰি ৰখাই ব্রেক ভালদৰে পৰীক্ষা কৰক।
   – আপুনি যদি নিশ্চিত হয় যে তেনেকৈয়ে গাড়ীখন চলোৱাত বিশেষ অসুবিধা নহয় তেতিয়াহ'লে লাহে লাহে গাড়ীখন চলাই নি নিকটৱর্তী ডিলাৰত ঠিক কৰি লওক।
   – নাইবা সমীপৱর্তী স্বীকৃত মাৰুতি চুজুকী কর্মাচিয়েল ডিলাৰলৈ গাড়ীখন ৰচীৰে টানি নি ভাল কৰাৰ ব্যৱস্থা কৰক।

⚠ সাবধান

যদি তলত দিয়া যিকোনো সমস্যা দেখা দিয়ে আপুনি তৎক্ষণাত মাৰুতি চুজুকী কর্মাচিয়েল ডিলাৰৰ সৈতে যোগাযোগ কৰি ব্রেক চিষ্টেম পৰীক্ষা কৰাই লওক।

- **যদি ইঞ্জিন ষ্টার্ট হোৱাৰ পাছত ব্রেক চিষ্টেমৰ লাইট নজলে, পার্কিং সম্পুর্ণৰূপে মুক্ত অৱস্থাত থাকে।**
- **যদি ইগনিশ্যন বুটাম "ON" হৈ থকা অৱস্থাত ব্রেক চিষ্টেমৰ ৰার্ণিং লাইট নজলে।**
- **যদি গাড়ী চলি থকা অৱস্থাত যিকোনো সময়ত ব্রেক চিষ্টেমৰ লাইট জ্বলি উঠে।**

টোকাঃ

ব্রেক চিষ্টেম নিজে নিজে খাপ খাই গৈছে। ব্রেক পেড ক্ষয় যোৱাৰ বাবে তৰল পদার্থৰ স্তৰ নিম্নগামী হ'ব। নির্দিষ্ট সময়ৰ ব্যৱধানত ব্রেকৰ তৰল পদার্থৰ নতুনকৈ ভৰোৱাটো নিশ্চিত কৰক।

বিজুতি সংকেত দিয়া লাইট



63J031

আপোনাৰ গাড়ীত কম্পিউটাৰৰদ্বাৰা নিঃসৰণ নিয়ন্ত্রিত কৰা ব্যৱস্থা আছে। যেতিয়াই নিঃসৰণ নিয়ন্ত্রণ ব্যৱস্থা সেৱাৰ প্রয়োজন হয় তেতিয়া বিজুতিৰ সংকটৰ যোগান ধৰে। যেতিয়া জ্বলন বুটাম “ON” কৰা যায় তেতিয়া বিজুতিৰ লাইট জ্বলি উঠে, ইঞ্জিন বন্ধ কৰাৰ লগে লগে ই বন্ধ হৈ যায়।

যদি ইঞ্জিন চলি থকা অৱস্থাত বিজুতিৰ লাইট জ্বলি থাকে তেতিয়াহ’লে নিঃসৰণ নিয়ন্ত্রণ ব্যৱস্থাত কিবা সমস্যা হৈছে। তেনে হ’লে লগে লগে কাষৰ মাৰুতি চুজুকী ডিলাৰত নি সমস্যাটো ঠিক কৰি লওক।

জাননী
বিজুতিৰ লাইট জ্বলি থকা অৱস্থাত গাড়ী চলাই থাকিলে নিঃসৰণ নিয়ন্ত্রণ ব্যৱস্থাত স্থায়ী ক্ষতি কৰিব পাৰে আৰু ইন্ধন ৰাহিৰ লগতে চলন ক্ষমতাত বেয়া প্রভাৱ পৰিব পাৰে।

তেল চাপৰ লাইট



50G051

এই লাইট জ্বলন বুটাম “ON” থকা অৱস্থাত জ্বলি থাকে আৰু ইঞ্জিন ষ্টার্ট হোৱাৰ লগে লগে নুমাই যায়। কিন্তু যদি অপর্যাপ্ত তেলৰ চাপ থাকে তেতিয়া এই লাইটতো জ্বলিয়ে থাকে। যদি চলাই থকা অৱস্থাত লাইটতো জ্বলিয়ে থাকে লগে লগে গাড়ী পথৰ কাষত ৰাখক আৰু ইঞ্জিনটো বন্ধ কৰি দিয়ক।
তেলৰ স্তৰ নিৰীক্ষণ কৰক আৰু প্রয়োজন হ’লে অনুমোদিত তেল ভৰাই লওক। যদি গাড়ীত প্রয়োজনীয় তেল ভৰোৱা আছে তেতিয়া গাড়ী চলোৱাৰ পূর্বে মাৰুতি চুজুকী কমার্চিয়েল ডিলাৰে লুব্রিকেন চিষ্টেম পৰীক্ষা কৰাটো উচিত।

জাননী
• **উল্লেখিত লাইট জ্বলি থকা অৱস্থাত গাড়ী চলোৱা অব্যাহত ৰাখিলে ইঞ্জিনৰ প্রচণ্ড ক্ষতি হ’ব পাৰে।** • **তেল ভৰোৱাটো প্রয়োজন বুলি অইল প্রেচাৰ লাইটে সংকেত দিয়াকৈ নৈ নাথাকিব। ইঞ্জিনৰ তেলৰ স্থিতি সময়ে সময়ে পৰীক্ষা কৰাটো নিশ্চিত কৰক।**

চার্জিং লাইট



50G052

জ্বলন বুটাম “ON” হৈ থাকিলে এই লাইটটো জ্বলি থাকে আৰু ইঞ্জিন ষ্টার্ট হোৱাৰ লগে লগে নুমাই যায়। বেটাৰী চার্জিং ব্যৱস্থাত কিবা সমস্যা থাকিলে এই লাইটটো জ্বলাৰ পাছত আৰু নুনুমায়। যদি লাইটটো ইঞ্জিন চলি থকা অৱস্থাতো জ্বলি থাকে তৎক্ষণাত মাৰুতী চুজুকী কমার্চিয়েল ডিলাৰৰদ্বাৰা পৰীক্ষণ কৰাওক।

হাই ইঞ্জিন ক’লেট টেম্পাৰেচাৰ ৱার্ণিং লাইট (ৰঙা ৰঙৰ)



54G344

যেতিয়া জ্বলন বুটাম “ON” হৈ থাকে তেতিয়া এই লাইটটো কিছুসময়ৰ বাবে জ্বলে। তেতিয়াই আপুনি লাইটটোয়ে কাম কৰি থকা বুজি পাবষ গাড়ী চলাই থকা অৱস্থাত যদি লাইটটো টিপ–টাপ কৰি থাকে

ইয়াৰ অর্থ হ'ল ইঞ্জিনটো গৰম হৈছে। এনে অৱস্থাত গাড়ী চলোৱাটো বন্ধ কৰক। তেনে নকৰিলে আৰু অধিক গৰম হ'ব। যদি লাইটটো একেৰাহে জ্বলি থাকে তেতিয়াহ'লে ''জৰুৰীকালীন সেৱা'' তেনেহ'লে ''যদি ইঞ্জিন অধিক গৰম হয়'' বিভাগে দিয়া পৰামর্শ মানি চলক।

জাননী
গাড়ীৰ ইঞ্জিনটো অধিক গৰম হোৱা সংকেত দিয়াৰ পাছত গাড়ী চলোৱাটো অব্যাহত ৰাখিলে ইঞ্জিনৰ প্রচণ্ড ক্ষতি হ'ব পাৰে।

টার্ণ চিগনেলৰ ইণ্ডিকেটৰ



50G055

যেতিয়া আপুনি বাওঁ অথবা সোঁ দিশৰ টার্ণ চিগনেল লাইটৰ বুটাম দিয়ে উক্ত লাইটৰ লগতে ইনষ্ট্রুমেণ্ট প্লেটত থকা সেউজীয়া কাঁড চিনটো জ্বলি উঠিব। আপুনি যেতিয়া বিপদ সংকেত বুটাম টিপিব দুয়োটা কডৰ লগতে টার্ণ চিগনেল লাইট জ্বলিব উঠিব।

মেইন বিম (হাই বিম) ইণ্ডিকেটৰ লাইট



50G056

যেতিয়া হেডলাইট মেইন বিমৰ (হাই বিমচ্) বুটাম দিয়া হয় এই ইণ্ডিকেটৰ জ্বলি উঠে।

ফিউল ফিল্টাৰ ৱার্ণিং লাইট

60A541

যেতিয়া জ্বলন লাইট "ON" কৰা থাকে তেতিয়া কেই চেকেণ্ডমানৰ বাবে এই লাইট জ্বলি থাকে। তেতিয়াই উক্ত লাইট সক্রিয় হৈ থকাটো চাব পাৰে।

যদি গাড়ী চলি থকা অৱস্থাত এই লাইটটো জ্বলি থাকে তেতিয়া ইন্ধনৰ ফিল্টাৰত পানী থকাৰ সম্ভাৱনা থাকে। পানী থাকিলে যিমান পাৰি সোনকালে বাহিৰ কৰি দিয়ক। পানী বাহিৰ কৰা বাবে ''পৰীক্ষণ আৰু মেৰামতি'' শাখাত ''ফিউল ফিল্টাৰ'' ৰ নির্দেশ চাওক।

গ্ল প্লাগ ইণ্ডিকেটৰ লাইট



60A543

যদি কুলেণ্ট টেম্পাৰেচাৰ প্রয়োজনীয় ঠাণ্ডা হৈ থাকে, তেতিয়া জ্বলন লাইট "ON" কৰিলে এই লাইটটো জ্বলি উঠিব আৰু গ্ল প্লাগ ইঞ্জিন ষ্টার্ট হ'বৰ বাবে প্রয়োজনীয় গৰম থাকিলে ই নুমাই যাব।

লাইট কণ্ট্রল লিভাৰ

উদাহৰণ

65D611

⚠ সাবধান

সম্ভাব্য আঘাত এৰাই চলিবলৈ ষ্টিয়েৰিং হুইলৰ কাষৰপৰা অপাৰেট কণ্ট্রল নকৰিব।

লাইট অপাৰেশ্বন

উদাহৰণ



77PH110

লাইটটো জ্বলোৱা বা নুমোৱাৰ বাবে লিভাৰৰ মূৰৰ নবত পকাই দিয়ক। ইয়াত তিনিটা পজিশ্বন থাকেঃ

OFF (অফ)
সকলোবোৰ লাইট অফ।

≣D≣
ফ্রণ্ট পজিশ্বন লাইট, টেইল লাইট. লাইচেন্স প্লেট লাইট আৰু ইনষ্ট্রুমেণ্ট লাইট অন, কিন্তু হেডলাইট অফ।

≣D
ফ্রণ্ট পজিশ্বন লাইট, টেইল লাইট. লাইচেন্স প্লেট লাইট আৰু ইনষ্ট্রুমেণ্ট লাইট অন।

উদাহৰণ



77PH111

হেডলাইট অন কৰি হাই বিম (মেইন বিম) জ্বলাবলৈ লিভাৰ আগলৈ ঠেলা মাৰক আৰু ল' বিমৰ বুটাম হেডলাইট অন কৰি হাই বিম (মেইন বিম) জ্বলাবলৈ লিভাৰ আগলৈ ঠেলা মাৰক আৰু ল' বিমৰ বুটাম দিবলৈ লিভাৰ আপোনাৰফালে টানক। যেতিয়া হাই বিম (মেইন বিম) জ্বলি থাকে তেতিয়া ইনষ্ট্রুমেণ্ট পেনেলত মেইন বিম (হাই বিম) সংকেত লাইট জ্বলি থাকিব। যেতিয়া পাচিং চিগনেল হিচাপে ক্ষন্তেকৰ বাবে হাই বিম (মেইন বিম) জ্বলাব লাগে তেতিয়া লিভাৰ আপোনাৰ ফালে সামান্য টানি ধৰক আৰু সম্পুর্ণ কৰাৰ পাছত এৰি দিয়ক।

হাইলাইট লেভেলিং চুইশ্ব

উদাহৰণ



77PH010

গাড়ীত থকা ওজন অনুসৰি ইয়াৰ চুইশ্ব টানি হাইলাইট বিম মিলাওক। ''গাড়ীৰ ওজন'' অনুসৰি সঠিক চুইশ্ব পজিশ্বন কেনে হ'ব লাগে তাৰ তালিকা তলত দিয়া ধৰণৰঃ

গাড়ীৰ ওজন অনুসৰি	চুইশ্বৰ স্থিতি হ'ব
কেৱল ড্রাইভাৰ	0
ড্রাইভাৰ + মালবস্তু ভর্তি (বস্তু নিয়া ঠাইত ভালকৈ জাপি)।	3

টার্ণ চিগনেল কণ্ট্রল লিভাৰ

উদাহৰণ

65D611

⚠ সাবধান

সম্ভাব্য আঘাত এৰি চলিবলৈ ষ্টিয়েৰিং হুইলৰ মাজেৰে ক'ণ্ট্ৰ'লনকৰিব ।

টার্ণ চিগনেল অপাৰেশ্বন

সোঁ অথবা বাঁও দিশৰ টার্ণৰ সংকেতৰ লাইট জ্বলাবলৈ জ্বলন বুটাম "ON" কৰি লিভাৰ ওপৰ বা তললৈ নিয়ক।

উদাহৰণ



77PH112

সংকেত দিবলৈ লিভাৰ ওপৰ বা তললৈ ৰাখক। যেতিয়া টার্ণ সম্পুর্ণ হ'ব সংকেত বন্ধ কৰি লিভাৰ সাধাৰণ স্থিতিলৈ নিয়ক।

বিপদ সংকেত বুটাম

উদাহৰণ



77PH028

(1) অন
(2) অফ

বিপদ সংকেতৰ লাইট জ্বলাবলৈ বিপদ সংকেতৰ বুটাম টানি আনক। সকলোবোৰ সংকেত লাইন আৰু দুয়োটা টার্ণ সংকেত লাইট একেলগে জ্বলি উঠিব। লাইটবোৰ বন্ধ কৰিবলৈ বুটামটো টিপি দিয়ক।
অকস্মাৎ ৰখাবৰ সময়ত বা আপোনাৰ বাহনৰপৰা আনৰ বিপদ হোৱাৰ আশংকা থাকিলে অন্য বাহনক সতর্ক কৰিবলৈ বিপদ সংকেতৰ লাইটৰ জ্বলাওক।

উইণ্ডশ্বিল্ড ৰাইপাৰ আৰু ৰাশ্বাৰ লিভাৰ



65D611

⚠ সাবধান

সম্ভাব্য আঘাত এৰি চলিবলৈ ষ্টিয়েৰিং হুইলৰ মাজেৰে নিয়ন্ত্রণ নকৰিব।

ৰাইপাৰ অপাৰেশ্বন

যেতিয়া জ্বলন বুটাম “ON” হৈ থাকে তেতিয়া আপুনি ৰাইপাৰ লিভাৰ ব্যৱহাৰ কৰিব পাৰে।

উইণ্ডশ্বিল্ড ৰাইপাৰ

উদাহৰণ



77PM02015

উইণ্ডশ্বিল্ড ৰাইপাৰ অন কৰিবলৈ লিভাৰৰ মূৰৰ নবটো যিকোনো এটা অপাৰেটিং পজিশ্বনলৈ পকাওক। “LO” পজিশ্বনত ৰাইপাৰে ধীৰে-সুস্থিৰে কাম কৰিব। “HI” পজিশ্বনত ৰাইপাৰ কিছু গতিত কাম কৰিব। ৰাইপাৰ বন্ধ কৰিবলৈ লিভাৰ “OFF” পজিশ্বনলৈ পকাওক।

উইণ্ডশ্বিল্ড ৰাশ্বাৰ (যদিহে সঁজুলিবিধ আছে)

উদাহৰণ



77PM02016

উইণ্ডশ্বিল্ড ৰাশ্বাৰ স্প্রে কৰিবলৈ লিভাৰডাল আপোনাৰ গাৰ ফালে টানক

⚠ সাবধান

উইণ্ডশ্বিল্ড ৰাশ্বাৰ ৰিজার্ভ’ৰটোত ৰেডিয়েটৰ এণ্টিফ্রীজ ব্যৱহাৰ নকৰিব। ইয়াৰ ফলত উইণ্ডশ্বিল্ডখনত স্প্রে কৰাৰ পিছত বাহিৰফালটো দেখাত অতিকৈ অস্পষ্ট হৈ পৰিব পাৰে, আৰু ই আপোনাৰ বাহনখনৰ পেইণ্টো নষ্ট কৰি পেলাব পাৰে।

জাননী

উইণ্ডশ্বিল্ড ৱাইপাৰ আৰু ৱাশ্বাৰ ছিষ্টেমটোৰ উপাংশসমূহ নষ্ট হোৱাৰ পৰা ৰক্ষা কৰিবলৈ আপুনি নিম্নোক্ত সাৱধানতাসমূহ অৱলম্বন কৰিব লাগে ঃ

- **উইণ্ডশ্বিল্ডত ৱাশ্বাৰ ফ্লুইড স্প্ৰে নকৰাকৈ লিভাৰডালত ধৰি নাৰাখিব, অন্যথা ৱাশ্বাৰ মটৰটো নষ্ট হৈ পৰিব পাৰে।**
- **এখন শুকান উইণ্ডশ্বিল্ডৰ পৰা ৱাইপাৰবোৰে লেতেৰা আঁতৰাবলৈ চেষ্টা নকৰিব, অন্যথা ইয়াৰ ফলত উইণ্ডশ্বিল্ড আৰু ৱাইপাৰ ব্লেডখন নষ্ট হৈ পৰিব পাৰে। ৱাইপাৰ ব্যৱহাৰ কৰাৰ পূর্বে সদায় ৱাশ্বাৰ ফ্লুইডেৰে উইণ্ডশ্বিল্ডখন তিয়াই ল'ব।**
- **ৱাইপাৰ ব্যৱহাৰ কৰাৰ পূর্বে ৱাইপাৰ ব্লেডসমূহৰ পৰা বৰফ বা বান্ধ খাই ধৰা হিম আঁতৰাই লওঁক।**
- **ৱাশ্বাৰ ফ্লুইডৰ স্তৰ নিয়মিতভাৱে পৰীক্ষা কৰক। বেয়া বতৰত সঘনাই পৰীক্ষা কৰক।**
- **ঠাণ্ডা বতৰত ৱাশ্বাৰ ফ্লুইড ৰিজাৰ্ভ'ৰটো কেৱল তিনি চতুর্থাংশ পূৰ কৰিব, যাতে উষ্ণতা পর্যাপ্ত পৰিমাণে হ্ৰাস পালে ইয়াৰ পৰিবর্ধনৰ বাবে খালী ঠাই পায় আৰু ছলিউশ্যনখিনি স্থিতাৱস্থাত ৰাখিব পাৰি।**

হৰ্ণ

উদাহৰণ



77PH029

হৰ্ণ বজাবলৈ ষ্টিয়েৰিং হুইলত থকা বুটামটো হেঁচা মাৰক। জ্বলন বটাম অন থকা অৱস্থাত যিকোনো স্থিতিত থাকিলেই হৰ্ণ বাজিব।

আপোনাৰ গাড়ীৰ পৰিচালন

এগজষ্ট গেছৰপৰা সাৱধান..... 3-1
দৈনিক নিৰীক্ষণ কৰিবলগা তালিকা 3-1
ইঞ্জিনৰ তেল ক্ষয়..... 3-2
জ্বলন বুটাম..... 3-2
পার্কিং ব্রেক লিভাৰ 3-4
পেডেল..... 3-4
ইঞ্জিন সক্রিয় কৰা বিষয়..... 3-5
শক্তি সঞ্চাৰণ ব্যৱহাৰ..... 3-6
ব্রেকিং..... 3-7

এগজষ্ট গেছৰপৰা সাৱধান

উদাহৰণ



82DY03

⚠ সাবধান

এগজষ্ট গেছত উশাহ লোৱাৰপৰা বিৰত থাকক। এগজষ্ট গেছত কাৰ্বন মনক্সাইড থাকে। যাৰ কোনো ৰং গোন্ধ নাই যদিও মাৰাত্মক হ'ব পাৰে। যিহেতু কাৰ্বন মনঅক্সাইডৰ উপস্থিতি ধৰা পেলোৱাটো কঠিন যদিও নিম্নোল্লিখিত সাৱধানতা গ্ৰহণ কৰিলে আপুনি এই গেছৰ আক্ৰমণৰ পৰা সুৰক্ষা পাব।

- **গাড়ীৰ ইঞ্জিন গেৰেজ অথবা আন আবদ্ধ ঠাইত চলাই নাৰাখিব।**

(ক্ৰমশঃ)

⚠ সাবধান

(ক্ৰমশঃ)

- **আনকি মুকলি ঠাইতো বহু সময়লৈকে গাড়ীৰ ইঞ্জিন চলাই নাৰাখিব।**
- **গাড়ীৰ ভিতৰলৈ বতাহ চলাচল কৰা কাৰ্য সুকলমে চলিবলৈ বায়ু সোমোৱা ফুটাবোৰত বৰফ, গছ পাত অথবা অন্য বাধাদায়ক বস্তুবোৰ সকলো সময়ত আঁতৰাই ৰাখক।**
- **বৰফ অথবা আন বস্তুৰপৰা এগজষ্ট গেছ বাহিৰ কৰা পাইপৰ মুখ সদায় খোলা ৰাখি এগজষ্ট গেছ গাড়ীৰ ভিতৰলৈ সোমোৱাৰ সম্ভাৱনা নোহোৱা কৰক। ভয়ংকৰ ধুমুহাৰ সময়তে ৰখাই থোৱা গাডীৰ ক্ষেত্ৰত এনে কৰাটো বিশেষ প্ৰয়োজন।**
- **এগজষ্ট হোৱা ব্যৱস্থাটো মাজে মাজে নিৰীক্ষণ কৰিছে । ব্যৱস্থাটোৰ যিকোনো ক্ষতি তৎক্ষণাত মেৰামতি কৰক।**

দৈনিক নিৰীক্ষণ কৰিবলগা তালিকা

গাড়ী চলোৱাৰ পূৰ্বে

উদাহৰণ

82DY011

1) খিৰিকী, দাপোন, লাইট আৰু প্ৰতিফলক আদিবোৰ নিৰ্মল আৰু প্ৰতিবন্ধকহীন নে নিশ্চিত কৰক।
2) টায়াৰৰ নিম্নলিখিত বিষয়বোৰ চকুৰে পৰীক্ষা কৰকঃ
   – মাটীত চিন বহা খলপবোৰ মিহি হৈছে নেকি
   – অস্বাভাৱিক ক্ষয়, ফটা বা নষ্ট হোৱা
   – চকাৰ নট হেৰাইছে নেকি
   – বাটত পৰি থকা গজাল, শিল আদি টায়াৰত সোমাইছে নেকি।

টায়াৰৰ ''পৰীক্ষণ আৰু মেৰামতি'' শাখাৰ ''টায়াৰ'' লৈ চাওক।

3) তৰল পদাৰ্থ আৰু তেল নিগৰিছে নেকি চাওক।
4) ইঞ্জিনৰ অংশটো ভালদৰে বন্ধ আৰু শলখা মৰা আছে নে নাই সেয়া নিশ্চিত কৰক।

5) হেডলাইট, টার্ণ চিগনেল, ব্রেক লাইট, হর্ণে সঠিকভাৱে কাম কৰিছে নে নাই পৰীক্ষা কৰক।
6) ড্রাইভাৰৰ আসনখন মিলাই লওক।
7) ব্রেক পেডেল আৰু পার্কিং ব্রেক লিভাৰ পৰীক্ষা কৰক।
8) দাপোনবোৰ মিলাই লওক।
9) আপুনি আৰু যাত্রীয়ে চিট বেল্ট ভালদৰে বান্ধিছে নে নাই নিশ্চিত কৰক।
10)চাবি "ON" হৈ থাকোতে সকলোবোৰ ৱার্ণিং লাইট জ্বলিছে নে নাই সেই কথা নিশ্চিত কৰক।
11)সকলোবোৰ জোখ ঠিকে আছেনে নাই চাওক।
12)পার্কিং ব্রেক এৰি দিয়াৰ পাছত ব্রেক চিষ্টেম ৱাণিং লাইট নুমাইছে নে নাই নিশ্চিত হৈ লওক।

আপুনি সপ্তাহত নাইবা যিকোনো সময়ত ইন্ধনৰ টেংকত তেল ভৰাওক আৰু তলৰ উপদেশ পালন কৰকঃ

1) ইঞ্জিন অইল লেভেল
2) কুলেণ্ট লেভেল
3) ব্রেক ফ্লুইড লেভেল
4) উইণ্ডশ্বিল্ড ৱাশ্বাৰ ফ্লুইড (যদি সঁজুলি আছে)ৰ স্তৰ
5) বেটাৰী ইলেক্ট্রলাইট লেভেল
6) লেটচ অপাৰেশ্বন
''লেটচ আৰু বডীৰ সকলোবোৰ শলখা, কব্জা, আৰু লক'' ''পিৰিয়ডিক মেৰামতিৰ সূচী'' পৰীক্ষা কৰক আৰু ''পৰীক্ষণ আৰু মেৰামতি'' ত গৈ সময়মতে লুব্রিকেণ্ট দিয়ক।

মাহত এবাৰ অথবা তেল ভৰোৱা সময়ত টায়াৰৰ বায়ু জোখা যন্ত্র দি পৰীক্ষা কৰক। লগতে অতিৰিক্ত টায়াৰটো চাওক।

ইঞ্জিনৰ তেল ক্ষয়

গাড়ী চলি থাকিলে কিছু পৰিমাণে ইঞ্জিন তেল ক্ষয় হোৱাটো স্বাভাৱিক।

কিমান তেল ক্ষয় হৈছে সেইটো তেলৰ তৰলতাৰ ওপৰত নির্ভৰ কৰে। তেলৰ গুণ আৰু অৱস্থা কেনে হ'ব লাগে সেই কথা তলত দিয়া হৈছে।
তীব্র গতিত গাড়ী চলালে আৰু সঘনাই এক্সেলেৰেটৰ বঢ়োৱা কমোৱা কৰিলে অধিক তেল ক্ষয় হয়। অধিক ওজন বহন কৰিলেও ইঞ্জিনে অধিক তেল ক্ষয় কৰে। পিষ্টন, পিষ্টন ৰিং আৰু চিলিণ্ডাৰ ৱাল মসৃন নোহোৱালৈকে নতুন গাড়ীৰ ইঞ্জিনেও অধিক তেল ক্ষয় কৰে। আনুমানিক 5000 কি.মি. (3000 মাইল) চলোৱাৰ পাছতেহে নতুন ইঞ্জিনে স্বাভাৱিক তেল ক্ষয় কৰে।

তেল ক্ষয়
সর্বাধিক 1.0 লি. প্রতি 1000 কি.মি.
(1 কু. প্রতি 600 মাইল)

তেল ক্ষয় হোৱাৰ পৰিমাণ সঠিকভাৱে কোৱাটো কিছু সমস্যা আছে। মনত ৰাখিব যে তেল কেতিয়াবা অধিক তৰল বা ডাঠ হ'ব পাৰে।
উদাহৰণ স্বৰূপে এখন গাড়ীয়ে সঠিক তেল ক্ষৰণ কৰি বাৰে বাৰে চমু যাত্রা কৰিছে কেতিয়াবা তেলৰ জোখ লোৱা দণ্ডত ক্ষয়ৰ কোনো চিন দেখুওৱা নাই। আনকি 1000 কি.মি. (600 মাইল) চলোৱাৰ পাছতো তেনে হৈছে। এনে হোৱাৰ মূলত হ'ল তেল লাহে লাহে তৰল অথবা আদ্র হৈ পৰাৰ বাবে তেল খৰচ হোৱাৰ কোনো লক্ষণ দেখুওৱা নাই।

আপুনি এই কথাৰ প্রতিও লক্ষ্য ৰাখিব যে তৰলৰ উপকৰণবোৰ গাড়ী একেৰাহে তীব্র গতিত চলালে বাষ্প হৈ উৰি যায়। যেনে এক্সপ্রেচৱেত তীব্র গতিত গাড়ী চলোৱাৰ পাছত অধিক তেল ক্ষয় হোৱা দেখা যায়।

জ্বলন বুটাম

65D611

⚠ সাবধান

সম্ভাব্য আঘাত এৰাই চলিবলৈ ষ্টিয়েৰিং হুইলৰ মাজেৰে কাম নকৰিব।

উদাহৰণ



77PH002

জ্বলন বুটামৰ তলত চাবিটা অংশ আছেঃ

LOCK (লক)
এইটো সাধাৰণ ৰখোৱা স্থিতি। চাবি খুলি ৰাখিব পৰা এইটোবেই একমাত্ৰ স্থিতি।

ষ্টিয়েৰিং লক খুলিবলৈ চাবিটো ভৰাই দি ঘড়ী কাঁটাৰ দিশত চাবিটো ঘূৰাওক। যদি ষ্টিয়েৰিং লক খোলোতে চাবি পকোৱাত কিবা সমস্যা পাইছে তেতিয়া ষ্টেয়াৰিং হুইল বাওঁ বা সোঁফালে সামান্য ঘুৰাই চাবিটো পকাওক।

ACC (এচিচি)
এক্সেচৰী অর্থাৎ এক্সেচৰী চকেটে ইঞ্জিন বন্ধ থাকোতে কাম কৰিব পাৰে।

ON (অন)
এইটো স্বাভাৱিক কার্য কৰা স্থিতি। এই স্থিতিত সকলোবোৰ ইলেক্ট্ৰিকেল পদ্ধতি অন থাকে।

START (ষ্টার্ট)
এইটো হ'ল ষ্টার্ট মটৰ ব্যৱহাৰ কৰি ইঞ্জিনটো সক্ৰিয় কৰা স্থিতি। ইঞ্জিন চলাই ৰাখিব নিবিচাৰিলে চাবিটো খুলি দিলে হ'ল।

উদাহৰণ

82DY04

⚠ সাবধান

- **জ্বলন চাবিটো গাড়ী চলি থকা অৱস্থাত কেতিয়াও নুখুলিব। তেনে কৰিলে ষ্টিয়েৰিং হুইল ল'ক হৈ পৰিব আৰু আপুনি গাড়ীখন পথত ৰাখিবলৈ সমর্থ নহ'ব।**
- **কেৱল অলপ সময়ৰ বাবে গাড়ী এৰি গ'লেও জ্বলন চাবিটো একৰাই নিবলৈ নাপাহৰিব আৰু ৰখাই থোৱা গাড়ীত শিশুক কেতিয়াও নাৰাখিব। গৰম বতৰত তেওঁলো হিট ষ্ট্ৰকত আক্ৰান্ত হ'ব পাৰে। এনে হ'লে প্ৰচণ্ড আঘাত নাইবা শিশুৰ মৃত্যু পর্যন্ত হ'ব পাৰে।**

জাননী

- **ষ্টার্ট মটৰ 30 চেকেণ্ডতকৈ অধিক সময় ব্যৱহাৰ নকৰিব। যদি ইঞ্জিন ষ্টার্ট হোৱা নাই 15 চেকেণ্ড অপেক্ষা কৰি যত্ন কৰক। যদি বহুবাৰ তেনেদৰে যত্ন কৰাৰ পাছত গাড়ী ষ্টার্ট হোৱা নাই তেনেহ'লে ইন্ধন আৰু জলৰ ব্যৱস্থা পৰীক্ষা কৰক লগতে মাৰুতি চুজুকী কর্মাচিয়েল ডিলাৰৰ লগত আলোচনা কৰক।**
- **ইঞ্জিন চলি নাথাকিলে অধিক সময় জলন বুটাম "ON" কৰি নাৰাখিব। তেনে কৰিলে বেটাৰীৰ ছার্জ নোহোৱা হ'ব।**

পার্কিং ব্রেক লিভাৰ

উদাহৰণ



77PH030

(1) স্থাপন কৰিবলৈ
(2) এৰিবলৈ
(3) এৰিবলৈ

আসনৰ মাজত পার্কিং ব্রেক লিভাৰ থাকে। পার্কিং ব্রেক স্থাপন কৰিবলৈ ব্রেক পেডেল তললৈ কৰি ৰাখক আৰু পার্কিং ব্রেক লিভাৰ ওপৰলৈ টানি ৰাখক। পার্কিং ব্রেক এৰিবলৈ ব্রেক পেডেল তললৈ কৰি ৰাখক পার্কিং ব্রেক লিভাৰ সামান্য ওপৰলৈ টানক আৰু আঙুলিৰে লিভাৰৰ মূৰৰ বুটামটো শেষসৈৰে হেঁচি লিভাৰ পূর্বৰ স্থিতিলৈ নিয়ক।

⚠ সাবধান

- **পার্কিং ব্রেক অন কৰি কেতিয়াও গাড়ী নচলাব। তেনে কৰিলে অধিক উষ্ণতাৰ বাবে ব্রেকৰ কার্যক্ষমতা হ্রাস হ'ব, সোনকালে নষ্ট হ'ব নাইবা স্থায়ীভাৱে নষ্ট হ'ব পাৰে।**
- **যদি পার্কিং ব্রেকে গাড়ীখন ভালদৰে ধৰি ৰখা নাই নাইবা এৰি দিয়া নাই তৎক্ষণাত স্বীকৃতিপ্রাপ্ত মাৰুতি ডুজুকী কর্মাচিয়েল ডিলাৰত গৈ পৰীক্ষণ কৰাওক।**

⚠ সাবধান

সদায় গাড়ী এৰি থৈ যোৱাৰ পূর্বে পার্কিং ব্রেক ভালদৰে সক্রিয় কৰি থৈ যাব। অন্যথা গাড়ী লৰচৰ হৈ কৰবাত খুন্দা মৰাৰ লগতে ক্ষয় ক্ষতি হ'ব পাৰে। লগতে গিয়েৰ শ্বিফ্ট ৰিভার্চ নাইবা ফ্রাষ্ট গিয়েৰত থকাটো নিশ্চিত কৰক। মনত ৰাখিব গিয়েৰত থাকিলেও ট্রেলমিচন হ'বও পাৰে গতিকে পার্কিং ব্রেক ভালদৰে দিয়ক।

⚠ সাবধান

অত্যন্ত শীতল বতৰত গাড়ী ৰাখিলে নিম্নলিখিত পদ্ধতি ব্যৱহাৰ কৰকঃ

1) **পার্কিং ব্রেক ভালকৈ সক্রিয় কৰক।**
2) **ইঞ্জিন বন্ধ কৰক, তাৰ পাছত ৰিভার্চ অথবা ফ্রাষ্ট গিয়েৰলৈ নিয়ক।**
3) **গাড়ীৰ পৰা বাহিৰলৈ আহি চকাত ধোকা দিয়ক।**
4) **পার্কিং ব্রেক এৰি দিয়ক।**
   যেতিয়া পুনৰ গাড়ীৰ ওচৰলৈ আহিব, প্রথমে পার্কিং ব্রেক ঠিক কৰাৰ লগতে চকাৰ ভেজা আতৰাবলৈ নাপাহৰিব।

পেডেল

উদাহৰণ



80J2121

ক্লাচ পেডেল (1)
ইঞ্জিন ষ্টার্টৰ সময়ত, ৰখোৱা সময়ত অথবা গিয়েৰ সলনি কৰা সময়ত ক্লাচ পেডেল চকাৰ পৰা চলন বিভিন্ন কৰিবলৈ ব্যৱহাৰ কৰা হয়।

⚠ সাবধান

ক্লাচ পেডেলত ভৰি ৰাখি গাড়ী নচলাব। তেনে কৰিলে ক্লাচ ক্ষয়, নষ্ট নাইবা ইঞ্জিন ব্রেকিঙৰ অপ্রত্যাশিত ক্ষতি হ'ব পাৰে।

ব্রেক পেডেল (2)
আপোনাৰ গাড়ীত ফ্রন্ট ডিস্ক ব্রেক আৰু ৰেয়াৰ ব্যৱস্থা আছে। উভয় ব্রেকৰ ক্ষেত্রত ব্রেক পেডেলৰ হেঁচা দি প্রয়োগ কৰা হয়।

ব্রেক ব্যৱহাৰ কৰা সময়ত আপুনি মাজে মাজে ব্রেকৰ আটাহ শুনিব পাৰে। আর্দ্রতা শীত, বৰফ আদি পাৰিপাশ্বিক পৰিবেশত এনে হ'ব পাৰে।

⚠ সাবধান

প্রত্যেকবাৰে ব্রেক ব্যৱহাৰ কৰাৰ সময়ত যদি তেনে আটাহ শুনা যায় তেতিয়া মাৰুতি চুজুকী কর্মাচিয়েল ডিলাৰত গৈ ব্রেকৰ পৰীক্ষা কৰক।

⚠ সাবধান

একেবাহে ব্রেক ব্যৱহাৰ কৰি নাইবা ব্রেকত ভৰি ৰাখি গাড়ী নচলাব। যিটোৱে ব্রেক ব্যবস্থা উষ্ণ কৰি তোলাৰ লগতে ভাৰিব নোৱাৰা ব্রেকিং সমস্যা, ব্রেকে ভলদৰে কাম নকৰা অথবা ব্রেকৰ স্থায়ী নষ্ট হ'ব পাৰে।

এক্সেলেটৰ পেডেল (3)
পেডেলে নিয়ন্ত্রণ কৰা এই ব্যৱস্থাই ইঞ্জিনৰ গতি নিয়ন্ত্রণ কৰে। এক্সেলেটৰ পেডেলত হেঁচা দি গতি আৰু শক্তি বৃদ্ধি কৰিব পাৰি।

ইঞ্জিন সক্রিয় কৰা বিষয়

ইঞ্জিন সক্রিয় কৰাৰ পূর্বে জানি লওক



উদাহৰণ

77PH014

1) পার্কিং ব্রেকে সঠিককৈ চেট হ'লনে নিশ্চিত কৰক।

2) "N" (নিউট্রেল) লৈ সলনি কৰি ক্লাচ পেডেল সম্পূর্ণৰূপে তললৈ হেঁচক। ষ্টার্ট কৰা সময়ত ক্লাচ পেডেল হেঁচা দি ৰাখক।

⚠ সাবধান

পার্কিং ব্রেক ভালদৰে চেট কৰাটো নিশ্চিত কৰাৰ লগতে ষ্টার্ট কৰাৰ পূর্বে নিউট্রেললৈ সলনি কৰক।

ঠাণ্ডা নাইবা গৰম ইঞ্জিন এটা ষ্টার্ট দিবলৈ

ঠাণ্ডা ইঞ্জিনৰ ক্ষেত্রত
জ্বলন বুটাম "ON" কৰক আৰু উজ্জ্বল প্লাগ নুমাই নোযোৱালৈকে অপেক্ষা কৰক। "START" কৰিবলৈ জ্বলন চাবি পকাই ইঞ্জিনক জগাই তোলক। ইঞ্জিন ষ্টার্ট হোৱাৰ পাছত চাবিটো এৰি দিয়ক।

জাননী

- **ইঞ্জিন ষ্টার্ট হোৱাৰ লগে লগে ষ্টার্টাৰক কপোৱা এৰক অন্যথা ষ্টার্টাৰ চিষ্টেমৰ ক্ষতি হ'ব পাৰে।**
- **ষ্টার্ট নহ'লে 30 চেকেণ্ডতকৈ অধিক সময় ইঞ্জিনটোক চলিবলৈ জোৰ দি নাথাকিব। প্রথমবাৰ যত্ন কৰা পূর্বে 15 চেকেণ্ড অপেক্ষা কৰক।**

গৰম ইঞ্জিনৰ ক্ষেত্রত
"START" কৰিবলৈ জ্বলন চাবি পকাই ইঞ্জিনক জগাই তোলক। ইঞ্জিন ষ্টার্ট হোৱাৰ পাছত চাবিটো এৰি দিয়ক।

টাৰ্বচার্জাৰ সৈতে ইঞ্জিন ৰৈ গ'লে ল'ব লগা সাৱধানতা

তীব্ৰ গতিত চলা নাইবা উচ্চতালৈ উঠাৰ পাছত ইঞ্জিন ৰ'লে ইঞ্জিনটো প্ৰায় এক মিনিট লাহে লাহে চলি (এইটো প্ৰতিসিদ্ধ নহ'লেও) টাৰ্বচার্জাৰ আৰু ইঞ্জিন তেল ঠাণ্ডা হ'বলৈ দিয়ক। এনে কৰিলে ইঞ্জিন তেল অধিক নষ্ট হোৱাৰ পৰা ৰক্ষা কৰে। নষ্ট হোৱা ইঞ্জিন তেলে বিয়েৰিং আৰু টাৰ্বচার্জাৰ নষ্ট কৰে।

ইন্ধন নোহোৱাৰ বাবে বন্ধ কৰা ইঞ্জিন পুনৰ ষ্টাৰ্ট কেনেকৈ কৰিব

যদি ইঞ্জিন বন্ধ হৈ যায় আৰু ইন্ধন শেষ হোৱাৰ সতৰ্ক সংকেটৰ লগতে বিজুটিৰ সংকেট লাইট জ্বলে, নিম্নলিখিত কাৰ্যপ্ৰণালী মানি চলকঃ

1) টেংকত ইন্ধন ভৰাওক।
2) জ্বলন চাবিটো "ON" 5-10 চেকেণ্ড ধৰি ৰাখি ইন্ধন চলাচল হবলৈ দিয়ক।
3) ওপৰত দিয়া পৰামৰ্শ পালন কৰি ইঞ্জিন ষ্টাৰ্ট কৰক।

যদি ইঞ্জিন ষ্টাৰ্ট হোৱাৰ পাছতো বিজুটিৰ লাইট জ্বলি থাকে তেনেহ'লে ইঞ্জিনত কিছু সমস্যা হৈছে। কাষৰ মাৰুতি চুজুকী কৰ্মাচিয়েল ডিলাৰক ইঞ্জিনটো পৰীক্ষা কৰিব দিয়ক।

শক্তি সঞ্চাৰণ ব্যৱহাৰ

হাতেৰে কৰা সঞ্চাৰণ

উদাহৰণ



65D038

ষ্টার্টি বন্ধ কৰিবলৈ

ষ্টার্ট বন্ধ কৰিবলৈ ক্লাচ পেডেল সম্পূৰ্ণ তললৈ হেঁচা দি ধৰক আৰু 1 অথবা 2 গিয়েৰলৈ নিয়ক। পার্কিং ব্ৰেক এৰাৰ পাছত লাহে লাহে ক্লাচ এৰক। যেতিয়া আপুনি ইঞ্জিনৰ শব্দ সলনি হোৱা শুনিব ক্লাচডাল এৰা সময়তে লাহে লাহে এক্সেলেটৰডালত হেঁচা দিয়ক।

টোকাঃ

- স্বাভাৱিক গতিত চলাই থকা গাড়ীৰ ষ্টার্ট বন্ধ কৰিবলৈ উত্তম গিয়েৰৰ স্থিতি হ'ল 2।
- ক্ৰচ কাউন্ট্ৰি ড্ৰাইভিং, ক্ৰাউলিং অথবা লোডিং ড্ৰাইভিঙত বহু শক্তিৰ প্ৰয়োজন হয়। গতিকে তেনে ক্ষেত্ৰত পৰিবৰ্তিত গিয়েৰৰ স্থিতি হ'ল 1।

পৰিবৰ্তন

আগলৈ টনা সকলোবোৰ গিয়েৰ সমকালীন হয়, যিবোৰে সম্পূৰ্ণৰূপে সহজ পৰিবৰ্তন দিয়ে। সদায় গিয়েৰ সলনি কৰাৰ পূৰ্বে ক্লাচ পেডেলত হেঁচা দিবই।

নিম্নস্তৰলৈ পৰিবৰ্তনৰ সময়ত অনুমোদিত অত্যাধিক গতি হ'ল

নিম্নস্তৰলৈ পৰিবৰ্তন	কি.মি– ঘ
2য় পৰা 1মলৈ	5
3য় পৰা 2য়লৈ	40
4র্থ পৰা 3য়লৈ	60
5ম পৰা 4র্থলৈ	85

**টোকাঃ*
গাড়ীৰ অৱস্থা আৰু চলোৱাৰ পৰিস্থিতিৰ বাবে আপুনি অনুমোদিত সৰ্বাধিক গতিবে নচলাব।

জাননী
নিম্ন গিয়েৰলৈ স্থানান্তৰিত কৰা সময়ত অনুমোদিত গতিতকৈ অধিক গতিত চলাই নকৰিব। তেনে কৰিলে ইঞ্জিনৰ প্ৰচুৰ ক্ষতি হোৱাৰ সম্ভাৱনা থাকে।

⚠ সাবধান

- **দীর্ঘ চলন অথবা থিয় পাহাৰলৈ উঠাৰ পূর্বে গতি কম কৰাৰ লগতে নিম্ন গিয়েৰলৈ সলনি কৰি লওক। নিম্ন গিয়েৰে আপোনাৰ ইঞ্জিনৰ গতিক ৰোধ কৰিব। ব্রেকত হেঁচা দি দি চলোৱাটো এৰাই চলক, তেনে কৰিলে অধিক গৰম হ'ব আৰু ফলত ব্রেক ফেইল গ'ব পাৰে।**
- **পিচল পথত গাড়ী চলাওতে নিম্ন গিয়েৰলৈ নিয়াৰ পূর্বে গতি কম কৰক। অত্যাধিক গতিত থাকোতে ইঞ্জিনৰ গতি হৰ্থাৎ সলনি কৰিলে টনা শক্তি হেৰুৱাৰ লগতে আপুনি নিয়ন্ত্রণ হেৰুৱাব পাৰে।**

জাননী

পিছলৈ কৰাৰ পূর্বে গাড়ীখন সম্পূর্ণৰূপে স্থিৰ হৈ আছেনে নিশ্চিত কৰি লওক।

জাননী

- **ক্লাচ নষ্ট হোৱাৰ পৰা বচাই ৰাখিবৰ বাবে হেলনীয়া ঠাইত গাড়ী স্থিৰ কৰোতে ক্লাচ ব্যৱহাৰ নকৰি সম্পূর্ণ ফুটৰেষ্টত থাকিব। যেতিয়া গিয়েৰ সলনি কৰিব তেতিয়া ক্লাচত সম্পূর্ণ হেঁচা দিয়ক।**
- **গিয়েৰ পৰিবর্তন অথবা ষ্টার্ট বন্ধ কৰোতে গতি ৰঢাই নিদিব। তেনে কৰিলে ইঞ্জিনৰ জীৱন কাল হ্রাস হ'ব আৰু মৃসণতা পৰিবর্তন হ'ব।**

ব্রেকিং

উদাহৰণ

60G165S

যিকোনো গাড়ীৰ এক নির্দিষ্ট গতিত গৈ থাকিলে ৰবৰ বাবে লাহে লাহে গতি হ্রাস কৰাটো প্রয়োজন। উদাহৰণস্বৰূপে ঘন্টাত 60 কি.মি-37 মা.প্র.ঘ হিচাপত চলি থকা গাড়ী এখন ৰখাব বাবে 30 কি.মি-19 লৈ আনি লাহে লাহে ৰখাব লগা নির্দিষ্ট ঠাইলৈকে নি ৰখাব লাগে। ৰখিবলগা ঠাই আৰু আপোনাৰ বাহনৰ মাজত পর্যাপ্ত পৰিমাণৰ দূৰত্ব ৰাখি বাহনখনত ব্রেক মাৰক, আৰু লাহে লাহে গতি হ্রাস কৰক।

⚠ সাবধান

ব্রেক ড্রামত পানী সোমালে ব্রেকৰ কার্যক্ষমতা হ্রাস হোৱাৰ লগতে নির্ভৰতা নোহোৱা হয়।

পানীত গাড়ী চলোৱা অথবা গাড়ীৰ যন্ত্রাংশ ধোৱাৰ পাছত গাড়ী চলাওতে লাহে লাহে চলাই ব্রেকে নিজৰ কর্তব্য সঠিককৈ কৰিছেনে নাই চাওক। যদি ব্রেকে স্বাভাৱিক কার্য নাই কৰা তেনেহ'লে লাহে লাহে গাড়ী চলাই স্বাভাৱিক অৱস্থা পোৱালৈকে ব্রেক ব্যৱহাৰ কৰি থাকক।

পাৰ্কাৰ এচিষ্টেড ব্রেক

আপোনাৰ গাড়ীৰ পাৰ্কাৰ এচিষ্টেড ব্রেক আছে। ইঞ্জিন অথবা আন কিবা বিকল হোৱাৰ বাবদ পাৰ্কাৰ এচিষ্টেড নষ্ট হয় তেতিয়াও ব্যৱস্থাটো সংৰক্ষিত শক্তিৰ দ্বাৰা ই কার্যক্ষম হৈ থাকে। সেয়েহে গাড়ী ৰখাবলৈ ব্রেক পেডেলত হেঁচা দি ৰাখক। যদি আপুনি অংশ কৰি ব্রেকত হেঁচা দিয়ে তেনেহলে ৰিজার্ভ পাৰ্কাৰ ক্ষয় হৈ গৈ থাকিব। গতিকে ব্রেকত লাহে লাহে কিন্তু একেৰাহে হেঁচা দি গাড়ীখন ৰখাওক।

⚠ সাবধান

আনকি ব্রেক চিষ্টেমৰ ৰিজার্ভ পাৰ্কাৰ অবিহনেও স্বাভাৱিকতকৈ অধিক হেঁচা দি আপুনি গাড়ীখন ৰখাব পাৰিব। অৱশেষত এনে ক্ষেত্রত গাড়ীখন কিছুদুৰ গৈহে ৰব।

চলোৱাৰ কৌশল

ৰাণিং–ইন 4-1
অনুঘটক ৰূপান্তৰণ আহিলা 4-1
ইন্ধনৰ মিতব্যয়িতা উন্নত কৰা 4-2
ঘাইপথত চলোৱা 4-3
পাহাৰত চলাওতে 4-3
যদি আপোনাৰ গাড়ী পথত লাগি ধৰে 4-4
তিতা পথত গাড়ী চলোৱা 4-4
সুৰক্ষিত ড্ৰাইভিঙৰ বাবে কৰণীয় আৰু অকৰণীয় 4-5
সুৰক্ষাৰ বাবে দূৰত্ব 4-6

উদাহৰণ



52D078S

⚠ সাবধান

- **সকলো সময়তে আপোনাৰ চিট বেল্ট পৰিধান কৰি যাত্ৰা কৰক। চালক আৰু সকলো যাত্ৰীয়ে গাড়ীত থকা চিট বেল্ট পৰিধান কৰোতে সংযমী হ'ব লাগে। চিট বেল্ট সঠিক ব্যৱহাৰৰ বাবে পৰামৰ্শৰ বাবে ''চিট বেল্ট'' শাখাৰ সহায় লওক।**
- **সুৰা বা আন নিচাযুক্ত দ্ৰব্যৰ প্ৰভাৱত থাকিলে কেতিয়াও গাড়ী নচলাব। সুৰা আৰু নিচাযুক্ত দ্ৰব্যই সুৰক্ষিতভাৱে গাড়ী চলোৱা ক্ষমতা হ্ৰাস কৰি পেলায়। যিটোৱে আপোনাৰ লগতে আনকো আঘাত কৰাৰ আশংকা বহু বৃদ্ধি কৰে। ভাগৰুৱা,বিৰক্ত, অসুখ, মানসিক অশান্তি আদিত আক্ৰান্ত হৈ থাকোতে গাড়ী চলোৱাটো এৰাই চলক।**

ৰাণিং-ইন

জাননী

প্ৰথম অৱস্থাত লোৱা যত্ন আৰু প্ৰতিপালনৰ ওপৰত আপোনাৰ গাড়ীৰ ইঞ্জিনৰ ভৱিষ্যত কাৰ্যদক্ষতা আৰু বিশ্বাসযোগ্যতা নিৰ্ভৰ কৰে। সেয়েহে প্ৰথম 960 কি.মি চলোৱা সময়ত নিম্নলিখিত সতৰ্কতাৰ প্ৰতি গুৰুত্ব দিব লাগে।

- **ষ্টাৰ্ট দিয়াৰ পাছতে ইঞ্জিন যাবলৈ নিৰ্দেশ নিদিব। লাহে লাহে কিছু গৰম কৰি লৈহে চলাওক।**
- **অপৰিবৰ্তনীয় গতিত দীঘলীয়া সময় ধৰি গাড়ী চলোৱাটো এৰাই চলক। আপোনাৰ গতি অধিক হ'লে চলন্ত অংশবিশেষ ভাগিব পাৰে।**
- **লাহে লাহে ৰাখি ষ্টাৰ্ট বন্ধ কৰক। পুৰা হেঁচি ষ্টাৰ্ট দিয়াটো এৰাই চলক।**
- **বিশেষকৈ প্ৰথম 320কি.মি টানকৈ ব্ৰেক ব্যৱহাৰ নকৰিব।**
- **উচ্চ গিয়েৰত লাহে লাহে গাড়ী নচলাব।**
- **মধ্যমীয়া ইঞ্জিনৰ গতিত গাড়ী চলাওক।**
- **ট্ৰেইলাৰ নাটানিব।**

অনুঘটক ৰূপান্তৰণ আহিলা

উদাহৰণ



77PH201

অনুঘটক ৰূপান্তৰণ আহিলাৰ মূল উদ্দেশ্য হ'ল আপোনাৰ গাড়ীয়ে নিৰ্গত কৰা ক্ষতিকাৰক প্ৰদূষণৰ পৰিমান কম কৰা। অনুঘাটক ৰূপান্তৰণ আহিলা থকা গাড়ীত সীহযুক্ত ইন্ধন নিষিদ্ধ। কাৰণ সীহে অনুঘটক ব্যৱস্থাৰ প্ৰদূষণ হ্ৰাসকৰণ উপাদান হ্ৰাস কৰে।

ৰূপান্তৰণ আহিলা গাড়ীখন দীৰ্ঘস্থায়ী হোৱাৰ বাবে দিয়া হয়। উক্ত লক্ষ্য তেতিয়াহে পোৱা যায় যেতিয়া স্বাভাৱিক ব্যৱহাৰ আৰু সীহহীন ইন্ধন ব্যৱহাৰ কৰা হয়। উক্ত আহিলাৰ কোনো বিশেষ চোৱা চিতাৰ প্ৰয়োজননাই। অৱশ্যে ইঞ্জিনৰ সৈতে আনবোৰৰ সামঞ্জস্য অতি দৰকাৰ। ইঞ্জিনে সঠিক কাম নকৰাৰ মূলত হ'ল সামঞ্জস্যহীন ইন্ধন। যাৰ বাবে অনুঘটক অধিক গৰম হ'ব পাৰে। যিটোৱে অনুঘটক আৰু গাড়ীৰ আন অংশত ক্ষতি কৰিব পাৰে।

জাননী

অনুঘটক আৰু অন্য ক্ষতি এৰি চলাবলৈ।

- ইঞ্জিন সঠিক কার্যকৰী অৱস্থাত ৰাখক।
- ইঞ্জিনৰ বিজুটি, বিশেষকৈ প্ৰজ্জ্বলিত নোহোৱা অথবা আন তেনে স্পষ্ট বিজুটিৰ অর্থ হ'ল সোনকালে গাড়ীৰ পৰিচর্যাৰ প্ৰয়োজন।
- গতি সঞ্চাৰণ হৈ থকা অথবা অৱস্থাত ইঞ্জিনটো বন্ধ নকৰি অথবা জ্বলন প্ৰক্ৰিয়াক বাধা নিদিব।
- ঠেলি, টানি নাইবা উচ্চতাৰ পৰা তললৈ যাব দি ইঞ্জিন ষ্টার্ট দিবলৈ যত্ন নকৰিব।
- গাড়ীখন দীঘলীয়া সময়লৈ নচলোৱাকৈ নাৰাখিব। তেনে কৰিলে খহটা হৈ পৰিব নাইবা আন বিজুটিয়ে দেখা দিব।
- ইন্ধনৰ টেংক খালি হোৱালৈকে কেতিয়াও নাৰাখিব।
- আপোনাৰ গাড়ী মাত্ৰাধিক গতিত চলোৱাটো এৰাই চলক।

⚠ সাবধান

আপুনি গাড়ী চলোৱা আৰু ৰখোৱা ঠাইৰ সম্পর্কে সাৱধান: অনুঘটক ৰূপান্তৰ আৰু আন নিসৰন সঁজুলিবোৰ প্ৰচণ্ড গৰম হ'ব পাৰে। যিকোনো গাড়ীৰ দৰে আপোনাৰ গাড়ীখনো অতি জ্বলনশীল বস্তু যেনে শুকান ঘাঁহ অথবা গছ পাত আদিবোৰ নিসৰণ ব্যৱহাৰ স্পর্শলৈ অহাৰ সম্ভাৱনা থকা ঠাইত নাৰাখিব।

উদাহৰণ



82DY05

ইন্ধনৰ মিতব্যয়িতা উন্নত কৰা

নিম্ন উল্লেখিত উপদেশ আপোনাৰ ইন্ধনৰ মিতব্যয়িতা উন্নত কৰাত সহায় কৰিব।

মাত্ৰাধিক ব্যৱহাৰ ত্যাগ কৰক

আপুনি যদি এক মিনিটতকৈ অধিক সময় গাড়ী ৰাখে, ইঞ্জিনৰ ষ্টার্ট বন্ধ কৰক, যাব সময় হ'লে পুনৰ ষ্টার্ট কৰক। ঠাণ্ডা ইঞ্জিন গৰম হ'বলৈ দিওতে প্ৰয়োজনতকৈ অধিক সময় ইঞ্জিন ষ্টার্ট কৰি নাৰাখিব অথবা ইঞ্জিনৰ প্ৰৱাহ কম কৰি প্ৰয়োজনীয় উষ্ণতালৈ অপেক্ষা কৰক। চলোৱাৰ পূৰ্বে ইঞ্জিন গৰম হ'বলৈ দিয়ক।

আকস্মিক এক্সেলেৰেশ্বন এৰি চলক

ৰৈ থকাৰ পৰা ষ্টার্ট দি নাইবা চলাই থাকোতে অকস্মাত এক্সেলেৰেশন্ন দিলে অপ্ৰয়োজনীয় ইন্ধন পুৰিব আৰু ইঞ্জিনৰ কার্যদক্ষতা কমি যাব। লাহে লাহে ষ্টার্ট কৰক।

অপ্ৰয়োজনীয় বিৰতি দিয়াটো এৰাই চলক

অপ্ৰয়োজনীয় এক্সেল এৰা আৰু ৰখোৱাটো এৰাই চলক। যত প্ৰয়োজন এক মন্থৰ আৰু সংযমী গতি ধৰি ৰখাৰ যত্ন কৰক। মন্থৰ কৰি পুনৰ এক্সেলেৰেটৰ দিলে অধিক ইন্ধনৰ ব্যৱহাৰ হয়।

এক সংযমী গতি ধৰি ৰাখক

যানবাহনৰ ভিৰ, পথৰ অৱস্থা চাই এক অবিৰাম গতি ধৰি ৰাখক।

বায়ু পৰিশোধন ব্যৱস্থা পৰিস্কাৰ কৰি ৰাখক

উদাহৰণ



60A183S

যদি বায়ু পৰিশোধন ব্যৱস্থা ধুলিৰে বন্ধ কৰি ৰাখে তেতিয়া প্ৰৱেশ নলীত বাধা আহিব, পৰিণামস্বৰূপে পাৱাৰ আউটপুট হ্ৰাস হ'ব আৰু ইন্ধন অধিক খৰচ হ'ব।

বোজা যিমান পাৰি কম ৰাখক

ওজন হ'লে অধিক ইন্ধন খৰচ হ'ব, গতিকে অপ্ৰয়োজনীয় বেগ বা টোপোলাৰ বোজা এৰাই চলক।

টায়াৰৰ বায়ু সঠিক কৰি ৰাখক

টায়াৰত কম বায়ু থাকিলে গতিৰ বাধা বৃদ্ধি হ'ব ফলত অধিক ইন্ধন খৰচ হ'ব। ল'কৰ পিলাৰৰ দেখুৱা ধৰণে আপোনাৰ গাড়ী টায়াৰত বায়ু ভৰাই ৰাখক।

ঘাইপথত চলোৱা

ঘাইপথত চলোৱা, গতিত চলোৱা সময়ত তলত দিয়া কথাবোৰলৈ গুৰুত্ব দিয়ক:

- গতিত যোৱা গাড়ী সন্মুখত ৰাখিব লগা দূৰত্ব তৎক্ষণাত কমি যায়। সেয়েহে গাড়ী ৰখাব লগা হ'লে কিছু আগতে ব্ৰেকৰ ব্যৱহাৰ কৰক আৰু কিছুদূৰ থাকোতেই ৰাখক।
- বৰষুণৰ দিনত পথত পানী হ'ব পাৰে। পথত পানী থাকিলে টায়াৰ আৰু ভূমিৰ মাজত সম্পৰ্কত পানীয়ে কিছু ব্যৱধান সৃষ্টি কৰে। তেনেক্ষেত্ৰত দিশ নিয়ন্ত্ৰণ অথবা ব্ৰেকৰ ব্যৱহাৰ কৰিলে সমস্যা হ'ব পাৰে আৰু গাড়ীৰ নিয়ন্ত্ৰণ ৰখোৱাত বাধা হ'ব পাৰে। গতিকে পথত পানী থাকিলে গতি নিয়ন্ত্ৰণ কৰক।
- তীব্ৰ গতিয়ে গাড়ীৰ কাষৰ বায়ুৰে প্ৰভাৱিত কৰিব পাৰে। সেয়েহে তেনে পৰিস্থিতিত গতি কম কৰক আৰু অস্বাভাৱিক বতাহৰ আঘাতৰ বাবে সাজু থাকক। পাহাৰৰ কেঁকুৰি অথবা ডাঙৰ গাড়ী পাৰ হোৱা সময়ত তেনে বতাহৰ বাবে গাড়ী পথৰ পৰা বাগৰি যাব পাৰে।

পাহাৰত চলাওতে

- যিয় পাহাৰত গাড়ী চলাওতে আপোনাৰ গাড়ীৰ গতি হ্ৰাস হোৱাৰ লগতে শক্তিহীন হ'ব পাৰে। তেনেহ'লে ইঞ্জিনে শক্তি সঞ্চাৰ কৰিব স্বাভাবিকভাৱে যাবলৈ গাড়ীৰ গিয়েৰ তললৈ আনক। তেনে কৰিলে গাড়ীৰ ভৰবেগ হেৰুৱাটোত বাধা হ'ব।
- পাহাৰৰ পৰা তললৈ চলাওতে নিম্ন গিয়েৰলৈ ব্ৰেকৰ বাবে ইঞ্জিনক ব্যৱহাৰ কৰিব লাগে।

উদাহৰণ



77PH003

⚠ সাবধান

ঠিয় ঠাই অথবা তললৈ গাড়ী চলাওতে ব্ৰেক পেডেলে বহু দীঘলীয়া সময় অথবা সঘনাই ব্যৱহাৰ নকৰিব। তেনে কৰিলে ব্ৰেক প্ৰচণ্ড গৰম হ'ব ফলত ব্ৰেকৰ কাৰ্যক্ষমতা হ্ৰাস হ'ব। এই সতৰ্কতা নললে গাড়ী নিয়ন্ত্ৰণত বিকল হোৱা সম্ভাৱনা থাকে।

যেতিয়া স্থবিৰতা অৱস্থাৰ পৰা ওপৰলৈ/তললৈ নিয়ে

- পাৰ্কিং ব্ৰেক দৃঢ়ভাৱে ব্যৱহাৰ কৰক, যাতে গাড়ী তললৈ উভতি নাহে।
- ক্লাচ পেডেলত হেঁচা মাৰি গিয়েৰ ১মি স্থিতিলৈ আনক।
- ক্লাচ এৰি নিদিব।
- ষ্টাৰ্ট কৰাৰ সময়ত এক্সেলেটৰ পেডেলত হেঁচা দিয়ক আৰু একে সময়তে লাহে লাহে ক্লাচ পেডেল এৰি দিয়ক। যেতিয়া গাড়ী চলিবলৈ আৰম্ভ কৰে লাহে লাহে পাৰ্কিং ব্ৰেক এৰি দিয়ক।

জাননী

পাহাৰৰ পৰা অৱতৰণৰ সময়ত জ্বলন চাবি কেতিয়াও "LOCK" নকৰিব। পৰিণামস্বৰূপে নিৰ্গমন নিয়ন্ত্ৰণ ব্যৱস্থাৰ ক্ষতি হ'ব পাৰে।

পিচল পথত গাড়ী চলাওতে

উদাহৰণ

82DY06

তিতি থকা পথত গাড়ী চলাওতে ব্ৰেক ব্যৱহাৰ কৰা সময়ত হ'ব পৰা সম্ভাব্য চকা পিছল খোৱাৰ পৰা ৰক্ষা পাবৰ বাবে লাহে লাহে চলাওক। বৰফীয়া পথ, তুষাৰপাতে আৱৰা পথ, বোকা পথ আদিত গতি কম কৰক আৰু হঠাৎ এক্সেলেৰেশ্বন, আচম্বিত ব্ৰেক ব্যৱহাৰ আৰু প্ৰখৰ ষ্টীয়েৰিং ব্যবহাৰ এৰাই চলক।

যদি আপোনাৰ গাড়ী পথত লাগি ধৰে

যদি আপোনাৰ গাড়ীখন বৰফ, বোকা অথবা শিলত লাগি ধৰে তেতিয়াহ'লে তলৰ নিৰ্দেশ মানকঃ

1) শক্তিসঞ্চাৰণ তললৈ আনি প্ৰথম অথবা বিপৰীতমুখী গিয়েৰলৈ আনক। যিটোৱে আপোনাৰ গাড়ীক উক্ত অৱস্থাৰপৰা বাহিৰ হোৱাৰ বাবে প্ৰচণ্ড শক্তি প্ৰদান কৰিব। এক্সেলেটৰত সাৱধানে হেঁচা দিয়ক যাতে চকা লাহে লাহে ঘূৰি থাকে। গিয়েৰ সলাওতে এক্সেলেটৰৰপৰা ভৰি আঁতৰাই আনক।
   ইঞ্জিনক অধিক জোৰ নকৰিব। তেনে কৰাৰ ফলত অধিক চকা ঘূৰিলে টায়াৰ অধিক তললৈ সোমাই যাব। তেনে হ'লে গাড়ীখন উলিয়াই নিয়াত সমস্যা আৰু অধিক হৈ পৰিব।
2) কেইমিনিটমান লাগি ধৰাৰ পাছত যত্ন কৰি সফল নহ'লে আনএখন গাড়ীৰে টানি উলিয়াওক।

⚠ সাবধান

গাড়ীখন উলিয়াবলৈ জোৰ দি থকা সময়ত কাষত কাকো থাকিব নিদিব আৰু স্পিডমিটাৰত ঘণ্টাত 40 কি.মি. গতিত যোৱা সংকেত দিয়াতকৈ অধিক হ'বলৈ নিদিব। অধিক গতিত চকা ঘুৰাবলৈ দিলে নিজৰ লগতে গাড়ীৰো ক্ষতি হোৱাৰ সম্ভাৱনা থাকে।

জাননী

কেইমিনিটমানৰ বাদে গাড়ীখনক একেৰাহে হেন্দোলনি দি নাথাকিব। দীৰ্ঘসময় জোৰেৰে ওলাবলৈ যত্ন কৰি থাকিলে ইঞ্জিন অধিক গৰম হ'ব পাৰে নাইবা শক্তি সঞ্চাৰণ ব্যৱস্থাৰ ক্ষতি হ'ব পাৰে।

তিতা পথত গাড়ী চলোৱা

জাননী

- **তিতা পথত গাড়ী চলাই থাকোতে অধিক পানী থকা ফালেৰে যোৱাটো এৰাই চলক। তেনে কৰিলে ইঞ্জিনত পানী সোমোৱাৰ লগতে ইঞ্জিনৰ ইলেকট্ৰিকেল ব্যৱস্থাৰ ক্ষতি কৰিব।**
- **গভীৰ পানীত সোমালে পানীৰ স্তৰ তললৈ নোযোৱালৈকে ইঞ্জিন ষ্টাৰ্ট নকৰিব।**
- **পানী হ'ল অসংকুচিত দ্ৰব্য, ইঞ্জিনৰ ভিতৰত পানী সোমোৱাটো অত্যন্ত ক্ষতিকাৰক।**

উদাহৰণ



82DY07

⚠ সাবধান

গাড়ী চলোৱাৰ সম্পৰ্কে দিয়া উল্লেখিত আভাসৰ বাবে নিম্নোলিখিত সাৱধানতাবোৰ লোৱাটো প্ৰয়োজন।

- **গাড়ীৰ টায়াৰ উত্তম অৱস্থাত থকাটো নিশ্চিত কৰাৰ লগতে সঠিক পৰিমাণৰ বায়ু ভৰাই ৰাখক। সঠিককৈ জানিবৰ বাবে ''পৰীক্ষণ আৰু মেৰামতি'' বিভাগৰ ''টায়াৰ'' চাওক।**
- **মাৰুতী চুজুকীয়ে নিৰ্ধাৰণ কৰি দিয়া টায়াৰৰ বাদে আন টায়াৰ ব্যৱহাৰ নকৰিব। আগ আৰু পাছ চকাত বেলেগ বেলেগ আকাৰৰ টায়াৰ নলগাব। ড্ৰাইভাৰ দ'ৰ ল'ক টায়াৰ পিলাৰত থকা ট্ৰায়াৰ ইনফৰমেশ্বন লেবেললৈ নিৰ্দিষ্ট টায়াৰৰ কথা জানিবলৈ পঠাওক।**
- **গাড়ী ওপৰলৈ দাঙিবৰ বাবে (জেক আপ) অভাৰচাইজ টায়াৰ বিশেষ শ্বক এবজৰ্বাৰ আৰু স্প্ৰীং ব্যৱহাৰ নকৰিব। তেনে কৰিছে হেণ্ডলিং বৈশিষ্ট সলনি হ'ব। অভাৰ চাইজ টায়াৰে গাড়ী শৰীৰত হেঁচা দি গাড়ীৰ ক্ষতি কৰাৰ লগতে টায়াৰ বিকল কৰিব।**
- **পানীত গাড়ী চলোৱাৰ পাছত ব্ৰেকে সঠিকভাৱে কাম কৰিছেনে লাহে লাহে গাড়ী চলাই পৰীক্ষা কৰক। যদি সঠিক কাম কৰা নাই তেতিয়া বাৰে বাৰে ব্যৱহাৰ কৰি আগৰ অৱস্থালৈ আনক। ব্ৰেকে সঠিকভাৱে কাম নকৰালৈকে গাড়ী লাহে লাহে চলাওক।**

সুৰক্ষিত ড্ৰাইভিঙৰ বাবে কৰণীয় আৰু অকৰণীয়

আপোনাৰ গাড়ীখন ব্যৱহাৰ কৰোতে যত্ন লওক। কেৱল আপোনাৰ সুৰক্ষাৰ বাবে সচেতন থাকিলে নহ'ব পথ ব্যৱহাৰ কৰা আনৰ সুৰক্ষাৰ কথাও ধ্যান দিয়ক আৰু উত্তম আৰু আৰামদায়ক ড্ৰাইভিঙৰ আনন্দ লওক।

সাৱধানে গাড়ী চলোৱাৰ বাবে তলত কিছুমান প্ৰাথমিক নীতি–নিৰ্দেশনা দিয়া হৈছে। সকলোবোৰ ভালদৰে পঢ়ি সাৱধানে আপোনাৰ গাড়ীখন সুৰক্ষিতভাৱে চলাই আনন্দ কৰক।

আৰম্ভণিতে

1) সঠিক ড্ৰাইভিং ভংগীৰ বাবে প্ৰথমে ড্ৰাইভাৰৰ চিটটো ঠিক কৰি লওক।
2) পাছফালে দেখাপোৱা দাপোণখন পাছফালে অহা সকলোবোৰ ভালদৰে দেখাকৈ মিলাওক।

উদাহৰণ



83K-04-008

3) চলোৱাৰ পূৰ্বে সুৰক্ষা নিশ্চিত কৰাৰ বাবে গাড়ীৰ চাৰিওফালে চাওক।
4) হঠাত এক্সেলেৰেটৰ নিদিব, কাৰণ তেনে কৰাটো বিপদজনক আৰু ইন্ধনৰ অপব্যয়।

স্বাভাবিক ড্ৰাইভিং

1) ষ্টপ লাইট আৰু ষ্টপ চিহ্নত গাড়ী ৰখাওক। ট্ৰেফিক লাইট আৰু চিহ্নহীন প্ৰতিচ্ছেদনত গাড়ী চলাওতে লাহে লাহে গাড়ী চলাই সুৰক্ষা নিশ্চিত কৰক।
2) সন্মুখৰ গাড়ীখন হঠাৎ ৰৈ গ'লে হ'ব পৰা দুৰ্ঘটনাৰ পৰা বাচিবলৈ নিৰাপদ দূৰত্ব ৰাখক।
3) টাৰ্ণ চিগনেল অতি কমেও 30 মিটাৰ পূৰ্বে দি টাৰ্ণ লোৱা অথবা লেন সলনি কৰোতে কোনোধৰণৰ সংঘৰ্ষ নহয় তাৰ নিশ্চয়তা কৰক।
4) কোনো কোণত সোমোৱাৰ পূৰ্বে গাড়ীখন সুৰক্ষিত গতিলৈ আনক। কোনত সোমাডতে ব্ৰেক ব্যৱহাৰ কৰিলে পিছলি পৰাৰ সম্ভাবনা থাকে।
5) আন গাড়ীৰ কাষেৰে আগুৱাই যাওতে আগ–পাছত অহা গাড়ীলৈ ধ্যান দিয়ক আৰু সুৰক্ষা নিশ্চিত কৰক।
6) একাবেঁকাকৈ গাড়ী নচলাব, যিটোৱে আপোনাৰ গাড়ীৰ নিয়ন্ত্ৰণ হেৰাই দুৰ্ঘটনা সংঘটিত কৰিব পাৰে।
7) অপৰিণামদৰ্শী অধিক গতিত গাড়ী চলোৱাটো এৰাই চলক আৰু পথৰ অৱস্থা অনুসৰি এক সুৰক্ষিত গতিত গাড়ী চলোৱাৰ যত্ন লওক।
8) যিমানে গতিত গাড়ী চলিব সিমানে ড্ৰাইভাৰৰ দেখাৰ দূৰত্ব সীমাবদ্ধ হৈ পৰিব। তেনে পৰিস্থিতিত কোনো প্ৰতিবন্ধক আহিলে ড্ৰাইভাৰে সন্মুখীন হ'বলৈ ক্লান্তি অনুভব কৰে।

উদাহৰণ



83K-04-012

9) তীব্ৰ গতিত থাকোতে গাড়ী তীক্ষ্ণভাৱে পৰিচালিত নকৰিব। তেনে কৰিলে আপুনি গাড়ীৰ নিয়ন্ত্ৰণ হেৰুৱাব।
10) পথ সলনি কৰোতে নাইবা আন গাড়ীৰ কাষেৰে পাৰ হওতে আন গাড়ীৰ পৰা প্ৰচুৰ দূৰত্ব বজায় ৰাখক।

ব্ৰেকিং

1) পাৰ্কিং কৰোতে পাৰ্কিং ব্ৰেক ব্যৱহাৰ কৰক আৰু গিয়েৰ সলনি কৰি প্ৰথম নাইবা বিপৰীতমুখী গিয়েৰত ৰাখি সুৰক্ষা নিশ্চিত কৰক।
2) এৰাব নোৱৰা পৰিস্থিতি নাহিলে হেণ্ড ব্ৰেক ব্যৱহাৰ নকৰিব। তেনে কৰিলে গাড়ী পিছলি পৰিব পাৰে। টায়াৰ ক্ষয় গ'লে তেনে কৰাটো অধিক ভয়ানক।

তিনিটা পৰ্যায়তহে ফুট ব্ৰেক ব্যৱহাৰ কৰক।
1. আপোনাৰ পাছত থকা গাড়ীক সতৰ্ক কৰক।
2. পৰ্যায়ক্ৰমে ব্ৰেক ব্যৱহাৰ কৰক।
3. গাড়ীখন থমাই আনক।

3) তললৈ গাড়ী চলাওতে ব্ৰেক ব্যৱহাৰ নকৰিব, ইঞ্জিনৰ ব্ৰেক কাৰ্যকৰী কৰক। ফুট ব্ৰেক অধিক ব্যৱহাৰ হ'লে ব্ৰেকৰ কাৰ্যকাৰীতা হ্ৰাস হ'ব।

দীঘলীয়া দূৰত্বৰ ড্ৰাইভিং

1) এটা যাত্ৰা আৰম্ভৰ পূৰ্বে সুৰক্ষাৰ দিশবোৰ পৰীক্ষা কৰক।
2) নিয়মিতভাৱে জিৰণী লওক। তেনে কৰিলে ভাগৰুৱা নাইবা টোপনীয়ে আমনি কৰাৰ ফলত হোৱা দুৰ্ঘটনা প্ৰতিৰোধ কৰিব।

নিশা ড্ৰাইভ কৰোতে

1) দিনতকৈ নিশা কম বেগত গাডী চলাওক, কাৰণ আন্ধাৰত অধিক দূৰলৈ দেখা পোৱা নাযায়।
2) নিশা আন গাড়ীৰ কাষেৰে আগুৱাই নাযাব। আন্ধাৰে আপোনাৰ গতি আৰু কাষত থকা গাড়ীৰ পৰা দুৰত্ব অনুমান কৰাত অসুবিধা হয়।
3) অপৰিহাৰ্য বুলি নাভাবিলে হাই বিমত হেডলাইট ব্যৱহাৰ নকৰিব। তেনে কৰিলে আগৰ পৰা আহি থকা গাড়ীৰ ড্ৰাইভাৰৰ দৃষ্টিত বাধাৰ সৃষ্টি কৰিব যিটো ভয়ানক ঘটনাৰ অন্যতম কাৰক।
4) খিৰিকীৰ গ্লাচ পৰিষ্কাৰ কৰি ৰাখিব। বাইণ্ডচিল্ড গ্লাচ শুকাই থাকিলে ৱাইল্ডচিল্ড ৱাইপাৰ ব্যৱহাৰ কৰি চাফা নকৰিব, তেনে কৰিলে কৰ্লি গ্লাচ নষ্ট হ'ব পাৰে।

সুৰক্ষাৰ বাবে দূৰত্ব

ড্ৰাইভিং কৰোতে সুৰক্ষাৰ বাবে কিছু দূৰত্ব ৰখাটো অতি প্ৰয়োজন। তেনে নকৰি আন চালকৰ সৈতে প্ৰতিযোগিতা কৰিলে অপ্ৰত্যাশিত বিপদত পেলাব। সেয়েহে তলৰ কথাবোৰ পালন কৰকঃ

- এক সুৰক্ষিত গতিত গাড়ী চলাওক।
- আগত থকা গাড়ীৰ পৰা আপোনাৰ গাড়ীৰ সঠিক দূৰত্ব ৰাখক।
- আন গাড়ী অতিক্ৰম কৰিবলৈ যত্ন নকৰিব।
- আকস্মিকভাৱে এক্সেলেৰেট নিদিব আৰু ৰখাই নিদিব।
- ড্ৰাইভিং সূচীৰ মাজত কিছু বিৰতি ৰাখিব।
- ট্ৰেফিক নীতি-নিয়ম মানি চলক।

সমাপ্তি

কোনো ড্ৰাইভাৰ নিখুঁত হৈ নাহে। প্ৰত্যেক চালক নিজ প্ৰচেষ্টাই নিখুঁত হ'ব পাৰে। সুৰক্ষাৰ প্ৰতি সচেতনতাই কেবল আপোনাৰ সুৰক্ষাই নিশ্চিত নকৰে, আন পথ ব্যৱহাৰকাৰীকো সুৰক্ষিত কৰে আৰু গাড়ীখনতো য'ত ত'ত আঘাতৰ চিহ্ন নহয়, দীৰ্ঘস্থায়ী হয়, ইন্ধন কম লাগে আৰু এক আৰামদায়ক ড্ৰাইভিং দিয়ে।
কি কৰিব লাগে কি নালাগে সেইকথা ভালদৰে গুৰুত্ব দিয়ক, নকৰিবলগীয়াবোৰ কেতিয়াও নকৰিব।

অনান্য নিয়ন্ত্রণ আৰু সৰঞ্জাম

ইন্ধন ভৰোৱা সাঁফৰ 5-1
ইঞ্জিনৰ কোঠালি 5-1
সূর্যৰ পোহৰ প্রতিৰোধী যতন 5-3
অভ্যন্তৰৰ লাইট 5-4
এক্সেছৰি চকেট 5-4
গ্ল'ভ বক্স 5-4
মজুতকৰণ ঠাই 5-5
বায়ুৰ বিন্ধা 5-5
ফ্রেম হুক ফ্রণ্ট 5-6
এচিষ্ট গ্রিপ 5-6

ইন্ধন ভৰোৱা সাঁফৰ



77PH031

ইন্ধন ভৰোৱা সাঁফৰ গাড়ীৰ সোঁ দিশত থাকে।



68KN048

ইন্ধন ভৰোৱা সাঁফৰ খুলিবলৈ ঘড়ীৰ কাঁটাৰ দিশত ঘূৰাওক।

⚠ সাবধানতা

ইন্ধন ভৰোৱা সাঁফৰটো লাহে লাহে খোলক। ভিতৰত ইন্ধন চাপত চাকাৰ বাবে জোৰেৰে ওলাই আহি আঘাত কৰিব পাৰে।

⚠ সাবধান

ইন্ধন উচ্চ জ্বলনযুক্ত। সেয়েহে ইন্ধন ভৰোৱাৰ সময়ত ধূমপান নকৰিব আৰু আন কোনোৱে কাষত জুইৰ সৈতে জড়িত কার্য কৰিছে নেকি নিশ্চিত হৈ লওক।

⚠ সাবধান

যদি ইন্ধনৰ সাঁফৰটো সলাব লগা হয়, মাৰুতিৰ প্ৰকৃত সাঁফৰহে লগাওক। সঠিক সাঁফৰ নলগালে ইন্ধন নিসৰণ নিয়ন্ত্রণ ব্যৱস্থা বিজুতি ঘটিবও পাৰে। তদুপৰি তেনে কৰিলে দূৰ্ঘটনাৰ সময়ত ইন্ধন নির্গত হ'ব পাৰে।

ইঞ্জিনৰ কোঠালি



77PH094

ইঞ্জিন বিভাগটো খুলিবলৈঃ

1) ড্রাইভাৰ চিট বেল্ট বুটাম (1) দাঙি পাছফালে স্থিতিলৈ নিয়ক। যাত্রী চিট বেল্ট বুটাম (2)ত নি ৰাখক।
2) ড্রাইভাৰ চিটটোৰ বাবে যিমানপাৰে চিটটো পাছফালে লৈ যাওক।

⚠ সাবধানতা

যেতিয়া ড্রাইভাৰ চিট পাছলৈ নিব তেতিয়া চিটৰ পাছটো বহি থকা স্থিতিলৈ ঠেলক।
চিটৰ পাছফালে ধৰি তেনে কৰিলে চিটৰ পাছফাল আৰু কেবিন বেক পেনেলত চেপা খাই আঘাত পাব পাৰে।



77PH093

3) ড্রাইভাৰ চিটৰ পাছফালটো আগলৈ নি জাপিবৰ বাবে লক লেভেল (3) উলিয়াই দিয়ক।

টোকাঃ
উক্ত চিটটো ষ্টিয়েৰিঙত লগালৈকেহে জাপিব পাৰিব।

4) প্ৰত্যেক চিটৰ লক হেণ্ডেল (4) আনহুক কৰক।



77PH081

- লক হেণ্ডেল আনহুক কৰিবলৈ পাৰ্ট (5) “PULL” কৰক আৰু হুক (8) ৰপৰা ৰিং (7) আনহুক কৰক।
- লক হেণ্ডেল লক কৰিবলৈ (8)ৰ ওপৰত ৰিং (7) ৰাখক আৰু পাৰ্ট (6) “PUSH” কৰক।

ড্রাইভাৰৰ দিশত



77PH102

যাত্রীৰ দিশত



77PH103

টোকাঃ
যাত্রীৰ চিটৰ পাছতে পেটি (11) উপলব্ধ থাকে।

5) চিট দাঙক আৰু পেটি (11) ক পেটি লগাই (9) লৈ লগাই দিয়ক। চিটৰ পেটি লগাবলৈ (10) হুক ব্যৱহাৰ কৰা নহয়।

জাননী

ড্ৰাইভাৰ চিট পজিশ্যন এডজাষ্টমেণ্ট লিভাৰৰ সৈতে পেটি নলগাব। পেটি বন্ধাৰ সময়ত চিটবোৰত অধিক জোৰ নিদিব। তেনে কৰিলে পেটি, হুক অথবা ড্ৰাইভাৰ চিটৰ পজিশ্যন এডজাষ্টমেণ্ট লিভাৰ ভাগি যাব পাৰে।

- খোলোতে যি পদ্ধতি লৈছিল ইঞ্জিনকোঠালি বন্ধ কৰিবলৈ একে পথকে অনুসৰণ কৰক।
- বন্ধ কৰাৰ পাছত চিটবোৰ ইফালে সিফালে লৰাই ভালদৰে খাপ খালেনে সেয়া পৰীক্ষা কৰক।
- যাত্ৰী চিটৰ পাছফালে বৰ্ণনা কৰা ধৰণে পেটিবোৰ ৰাখক।

উদাহৰণ



77PH097

⚠ সাবধান

যাত্ৰী চিযৰ পাছত পেটিবোৰ জমা ৰাখক। চিটত বহা লোকৰ দেহত পেটিয়ে সাবতি ধৰিলে প্ৰচণ্ড আঘাত হোৱা আনকি শ্বাসৰুদ্ধ হোৱাৰ সম্ভাৱনা থাকে। তেনে হ'লে পেটি কেঁচিৰে কাটি দিয়ক।

⚠ সাবধানতা

ইঞ্জিনৰ কোঠা বন্ধ কৰোতে চিটে আপোনাৰ হাত নাইবা শৰীৰ ড্ৰাইভাৰ চিটবেল্টৰ বুটামৰ সৈতে চেপা মাৰি নধৰে তাৰ প্ৰতি সাৱধান হওক।

সূর্যৰ পোহৰ প্ৰতিৰোধী যতন

উদাহৰণ



77PH004

সূর্যৰ পোহৰ প্ৰতিৰোধী যতন গাড়ীৰ ড্ৰাইভাৰৰ দিশত থাকে। সূর্যৰ পোহৰ প্ৰতিৰোধী যতনে বতাহ প্ৰতিৰোধীৰপৰা নাইবা কাষৰ খিৰিকীৰপৰা বিকিৰিত হৈ অহা তীক্ষ্ণ পোহৰক প্ৰতিহত কৰে।

জাননী

সূর্যৰ পোহৰ প্ৰতিৰোধী যতন হুক কৰা বা নকৰা সময়ত চিত্ৰত দেখুৱাৰ দৰে কৰক। নতুবা ইয়াৰ ক্ষতি হ'ব পাৰে।

অভ্যন্তৰৰ লাইট



77PH074

এই লাইটৰ চুইচ দুটা স্থিতিত থাকে। নক (3) ব্যৱহাৰ কৰি ইয়াৰ স্থিতি বাচি ল'ব পাৰি। দুয়োটা হ'লঃ

অন (1)
লাইট অন হ'ল আৰু তেনেকৈয়ে থাকিল।

অফ (2)
লাইট অফ হৈ থাকিব।

এক্সেছৰি চকেট



77PH044

এক্সেছৰি চকেট জ্বলনচুইট "ACC" নাইবা "ON" থাকিলে কাম কৰিব। এই চকেটে ইলেকট্ৰিকেল এক্সেছৰিলৈ 12 ভ'ল্ট/120 ৱাটৰ শক্তি যোগান দিবলৈ ব্যৱহাৰ কৰিব পাৰি।

জাননী

সঠিক ইলেকট্ৰিকেল এক্সেছেৰি ব্যৱহাৰ নকৰিলে আপোনাৰ গাড়ীৰ ইলেকট্ৰিকেল ব্যৱস্থা নষ্ট কৰিব পাৰে। তেনেধৰণৰ চকেট ব্যৱহাৰ কৰাৰ বাবে আপুনি ব্যৱহাৰ কৰা ইলেকট্ৰিকেল এক্সেছৰি উত্তম হয় নে নিশ্চিত কৰি লওক।

গ্ল'ভ বক্স



77PH045

গ্ল'ভ বক্স খুলিবলৈ নবটো ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত ঘুৰাওক। বন্ধ কৰিবলৈ সাঁফৰটো সুৰক্ষিতভাৱে নলগালৈকে ঠেলক। গ্ল'ভ বক্স বন্ধ কৰিবলৈ ন'বত চাবিপাট ভৰাই ঘড়ীৰ কাঁটা দিশত ঘূৰাওক।

⚠ সাবধান

গ্ল'ভ বক্স খোলা ৰাখি কেতিয়াও গাড়ীনচলাব। তেনে কৰিলে যিকোনো দূর্ঘটনাৰ সময়ত আঘাত হানিব পাৰে।

মজুতকৰণ ঠাই

উদাহৰণ



77PH104

(1) ইনষ্ট্রুমেণ্ট পেনেল পকেট (ড্রাইভাৰৰ দিশত)
(2) ইনষ্ট্রুমেণ্ট পেনেল ট্রে (কেন্দ্রস্থলত)/
ইনষ্ট্রুমেণ্ট পেনেল (কেন্দ্রস্থলত)
(3) ইনষ্ট্রুমেণ্ট পেনেল ট্রে (যাত্রীৰ দিশত)
(4) কেন্দ্রস্থ পকেট

**ইনষ্ট্রুমেণ্ট পেনেল পকেট (1) / (2) /
ইনষ্ট্রুমেণ্ট পেনেল ট্রে (2) / (3) /
কেন্দ্রস্থ পকেট (4)**

⚠ সাবধান

গাড়ী চলি থকা সময়ত কোনো বস্তু বাহিৰলৈ ওলাই আহিব পৰাকৈ একো নাৰাখিব।
আগতীয়া সর্তকতা নল'লে কোনো বস্তু আহি ভৰিত লাগি গাড়ী নিয়ন্ত্রণ হেৰুৱাই দূর্ঘটনা হোৱা পৰিস্থিতিত পৰিব পাৰে।

বায়ুৰ বিন্ধা

উদাহৰণ



77PM502

গাড়ীৰ ড্রাইভাৰ আৰু যাত্রীৰ দিশত বায়ুৰ বিন্ধা থাকে। বায়ু বিন্ধাৰ ফ্লেপ (2) খোলা আৰু বন্ধৰ বাবে ন'ব (1) উলম্বভাৱে লৰচৰ কৰক। যেতিয়া ''খোলে'' নির্মল বায়ু ভিতৰলৈ সোমাই আহিব।

ফ্ৰেম হুক ফ্ৰণ্ট

ফ্ৰণ্ট



77PH035

ফ্ৰেম হুক (1) গাড়ীৰ সন্মুখত দিয়া হয় কেৱল জৰুৰী অৱস্থা শ্বিপিঙৰ বাবেহে।

পথ অথবা ঘাইপথত আপোনাৰ গাড়ী ৰছী লগাই টানিব লগাহ'লে ''জৰুৰীকালীন সেৱা'' বিভাগৰ নিম্নোলিখিত ''টনা বিষয়ে'' পৰামৰ্শ মানি চলক।

⚠ সাবধান

পথ অথবা ঘাই পথত আপোনাৰ গাড়ী বা আনৰ গাড়ীক ৰছীৰে টানিবলৈ ফ্ৰেম হুক ব্যৱহাৰ নকৰিব। কেৱল জৰুৰী অৱস্থা যেনে বৰফ, বোকা আদিত আপোনাৰ গাড়ী অথবা আনৰ গাড়ী লাগি ধৰিলেহে উল্লিখিত হুক (1) ব্যৱহাৰৰ বাবে বনোৱা হৈছে।

জাননী

আপুনি যেতিয়া ফ্ৰেম হুক (1) ব্যৱহাৰ কৰে তেতিয়া হুকক অধিক আঘাত দিয়া ধৰণে গাড়ী চলোৱাটো এৰাই চলক। তেনে কাৰ্যই হুক নাইবা গাড়ীৰ শৰীৰ নষ্ট হোৱাকৈ আঘাত কৰিব পাৰে।

হঠাত এক্সেলেৰেটৰ নিদিব

এচিষ্ট গ্ৰিপ



77PM501

এচিষ্ট গ্ৰিপ (1) ড্ৰাইভাৰ আৰু যাত্ৰীৰ দিশত উপলব্ধ আছে। এই যতনড্ৰাইভাৰ আৰু যাত্ৰী গাড়ীৰ পৰা সহজে ওলাই যাবৰ বাবে দিয়া হৈছে।

গাড়ীত বোজা উঠোৱা আৰু টনা

গাড়ীত বোজা দিয়াৰ বিষয়ে 6-1
ৰছী লগাই টনা টেইলৰৰ সম্পৰ্কে..... 6-1

গাড়ীত বোজা দিয়াৰ বিষয়ে

গাড়ীখন এক নির্দিষ্ট বোজা ক্ষমতাৰ পৰাকৈ নির্মাণ কৰা হয়। আপোনাৰ গাড়ীৰ আগত আৰু পাছত বোজা বহন ক্ষমতা গ্ৰছ ভেহিকল ৱেইট ৰেটিং (জি ভি ডব্লিউ আৰ) আৰু পার্মিছিবল মেক্সিমাম এক্সেল ৱেইট (পি এ ডব্লিউ, আগ আৰু পিছ) দিয়া মতে হয়। ''নির্দিষ্টকৰণ'' শাখাত জি ভি ডব্লিউ আৰ আৰু পি এ ডব্লিউ (আগ আৰু পিছ) ৰ তালিকাবদ্ধ কৰা হয়।

জি ভি ডব্লিউ আৰ– সম্পুর্ণৰূপে বোজা কৰা মুঠ নির্দেশিত সর্বাধিক ওজন (সকলো যাত্রী, এক্সেছৰী আৰু সামগ্রীৰ লগতে যদি পাছত টেইলৰ লগাই তাৰ ওজনসহ)।
পি এ ডব্লিউ ঃ (আগ আৰু পিছ) এজন ব্যক্তিৰ লগত আনুসাংগিক বস্তুৰ ওজন।

গাড়ীৰ ওজনৰ ওপৰত গাড়ীৰ প্রকৃত বোজাই আৰু গাড়ীৰ আগ–পাছত নিব পৰা ওজনৰ পৰিমাণ নির্ভৰ কৰে। উক্ত ওজন পি এ ডব্লিউ আৰু জি ভি ডব্লিউ আৰৰ সৈতে তুলনা কৰক (আগ আৰু পাছ)। গাড়ীৰ মুঠ ওজনতকৈ বোজা অধিক হ'লে অতিৰিক্ত বোজা নমাই দি গাড়ীৰ বহন ক্ষমতা অনুসৰিহে ওজন ৰাখক।

⚠ সাবধান

আপোনাৰ গাড়ীত অতিৰিক্ত বোজা নিদিব। গাড়ীত বোজাই দিয়া ওজন (গাড়ীৰ মুঠ ওজন, সকলো যাত্রী, এক্সেছৰী, বস্তুৰ লগতে টেইলৰ লগাই টানিব পৰা বস্তু) গাড়ীৰ মুঠ ওজনতকৈ জি ভি ডব্লিউ আৰ অধিক হ'ব নালাগে। তদুপৰি আগ আৰু পাছত নির্ধাৰণ কৰি দিয়া ওজনতকৈ অধিক বোজা কেতিয়াও নিদিব।

⚠ সাবধান

বস্তুৰ ওজন সদায় সামঞ্জস্য কৰি ৰাখিব। আপুনি নিজৰ আৰু গাড়ীৰ ক্ষতি নকৰিবলৈ হ'লে গাড়ী চলাৰ সময়ত বস্তু লৰচৰ কৰাকৈ বোজাই নকৰিব। অধিক ওজন থকা বস্তু তলত দিয়াৰ লগতে যিমান পাৰি আগুৱাই বোজাই কৰক। বস্তুৰ বোজা গাড়ীৰ চিটতকৈ অধিক উচ্চ নকৰিব।

ৰছী লগাই টনা টেইলৰৰ সম্পর্কে

আপোনাৰ গাড়ীখনত এজন ড্রাইভাৰ, এজন যাত্রী আৰু নির্দিষ্ট পৰিমাণৰ বস্তু ক্ষতিওৱাৰ বাবে বনোৱা হৈছিল। পাছফালে ৰছী লগাই এখন টেইলৰ ক্ষতিয়াবৰ বাবে নহয়। সেয়েহে মাৰুতী চুজুকীয়ে ইয়াৰ পাছত টেইলৰ লগাই বস্তু ক্ষতিওৱাৰ পৰামর্শ নিদিয়ে। টেইলৰ লগালে পৰিচালন, দীর্ঘম্যাদিতা আৰু ইন্ধন কম খৰচত বাৰুকৈ প্রভাৱ পেলাব।

পৰীক্ষণ আৰু মেৰামতি

মেৰামতিৰ সূচী 7-1
পিৰিয়ডিক মেৰামতিৰ সূচী 7-2
পৰীক্ষণ আৰু মেৰামতিৰ কামকাজ গ্ৰাহকে কৰাব লাগিব 7-6
ড্ৰাইভ বেল্ট 7-8
ইঞ্জিন অইল আৰু ফিল্টাৰ 7-8
ইঞ্জিন কুলেণ্ট 7-11
এয়াৰ ক্লিনাৰ 7-12
গিয়েৰ অইল 7-13
ক্লাটচ্ পেডেল 7-14
ফিউল ফিল্টাৰ 7-14
ব্ৰেকচ 7-14
ষ্টিয়েৰিং 7-16
প্ৰপেলাৰ চেফট ইউনিভাৰ্চেল জইণ্ট 7-17
টায়াৰ 7-17
বেটাৰি 7-19
ফিউজবোৰ 7-20
বাল্ব সলনি 7-22
ৱাইপাৰ ব্লেড 7-24
ৱিণ্ডচিল্ড ৱাশ্চাৰ ফ্লুইড (যদি সঁজুলি আছে) 7-26

উদাহৰণ

60A187S

⚠ সাবধান

আপোনাৰ বাহনৰ কাম কৰি থাকোতে দুর্ঘটনাজনিত আঘাত প্ৰতিৰোধ কৰিবলৈ আপুনি অতিকৈ সাৱধানতা অৱলম্বন কৰিব লাগিব। আপুনি ল'বলগা কেতবোৰ সাৱধানতাৰ বিষয়ে ইয়াতে দিয়া হৈছেঃ

- **গেৰেজ বা তেনে কোনো আবদ্ধ স্থানত ইঞ্জিনটো চালু অৱস্থাত নেৰিব।**
- **ইঞ্জিন চলি থকা অবস্থাত, ফেন আৰু ড্ৰাইভ বেল্টৰপৰা হাত, কাপোৰ-কানি, সামগ্ৰী, আৰু অইন বস্তু আঁতৰাই ৰাখক। ফেন চলি নথকা অৱস্থাতো, ই কোনো আগতীয়া ইংগিত নিদিয়াকৈ চলি যাব পাৰে।**

(ক্ৰমশঃ)

⚠ সাবধান

(ক্ৰমশঃ)

- **চলি থকা সময়তে যেতিয়া চাৰ্ভিচৰ কাম কৰাটো আৱশ্যকীয় হয়, নিশ্চিত কৰক যাতে পাৰ্কিং ব্ৰেক ভালদৰে লগোৱা থাকে আৰু ট্ৰেন্সমিশ্বন নিউট্ৰেল কৰা থাকে।**
- **ইঞ্জিন চলাবলৈ আৰম্ভ কৰাৰ সময়ত অথবা চলি থকা সময়ত ইগনিশ্বন ৰায়াৰ অথবা অইন ইগনিশ্বন চিষ্টেমৰ অংশ নুচুব, নহ'লে আপুনি বৈদ্যুতিক শ্বক পাব পাৰে।**
- **গৰম হৈ থকা ইঞ্জিন, এক্সজষ্ট মেনিফ'ল্ড আৰু পাইপ, মাফলাৰ, ৰেডিয়েটৰ আৰু পানীৰ হচেজ যাতে নোচোৱে, সেইলৈ সাৱধান হওক।**
- **ইন্ধন অথবা বেটাৰীৰ ওচৰত ধুম্ৰপান, ফিৰিঙতি, অথবা শিখা জলাব নিদিব। দহনযোগ্য বাষ্প থাকিব পাৰে।**
- **আপোনাৰ গাড়ীখন যদিহে পৰ্টেবল জেকেৰে সমৰ্থিত হৈ আছে, তেন্তে কেতিয়াও আপোনাৰ গাড়ীৰ তলত নাযাব।**
- **বেটাৰীৰ ধনাত্মক আৰু ঋণাত্মক টাৰ্মিনেল সংযুক্ত কৰি দূৰ্ঘটনাজনিত চৰ্ট চাৰ্কিট নকৰোৱাৰ বাবে সাবধান হওক।**
- **ব্যৱহৃত তেল, কুলেণ্ট, আৰু অইন তৰল পদাৰ্থ শিশু আৰু পোহনীয়া জন্তুৰপৰা আঁতৰত ৰাখক। ব্যৱহৃত তৰল ভালদৰে নিষ্পত্তি কৰক, কেতিয়াও সেইবোৰ মাটিত, নলাত আদিত নেপেলাব।**

মেৰামতিৰ সূচী

আপুনি আপোনাৰ বাহনখন নিয়মিতভাৱে কেনেদৰে মেৰামতি কৰিব তাৰে সময় তালিকা তলত দিয়া হৈছে। আপুনি কেতিয়া পৰীক্ষণ, এডজাষ্টমেণ্ট, লুব্ৰিকেশ্বন আৰু অইন সেৱা কৰাব সেই তালিকা তলত দিয়া হৈছে।

⚠ সাবধান

মাৰুতি চুজুকীয়ে আপোনাক পৰামৰ্শ দিছে যাতে আপুনি আপোনাৰ বাহনৰ মেৰামতি আপোনাৰ প্ৰাধিকৃত মাৰুতি চুজুকী কমাৰ্শিয়েল ৱৰ্কশ্বপৰপৰা কৰায়।

জাননী

আপোনাৰ গাড়ীৰ কিবা এটা অংশ যদি সলনি কৰাটো বিচাৰিছে তেন্তে আপুনি মাৰুতি চুজুকিৰ আচল পাৰ্টচ অথবা তাৰ সমতুল্য কিনাৰ বাবে পৰামৰ্শ দিয়া হৈছে।

পিৰিয়ডিক মেৰামতিৰ সূচী

"A": এডজাষ্ট
"C": চাফাই
"R": সলাওক অথবা পৰিবর্তন কৰক
"I": পৰীক্ষা কৰক, চাফা কৰক, লুব্রিকেণ্ট দিয়ক অথবা প্রয়োজন সাপেক্ষে সলাওক
"L": লুব্রিকেণ্ট লগাওক
"T": নির্দিষ্ট টর্কলৈ টান কৰক
"O": ঘুৰাওক

টোকাঃ
এই তালিকাত 90,000 কি.মি. মাইলেজলৈকে চার্ভিচ চেডিউল কৰাৰ তালিকা অন্তর্ভুক্ত কৰা হৈছে। 90,000 কি.মি.ৰ পিছত একে ব্যৱধানৰ অন্তত একেই চার্ভিচ কৰাওক।

ব্যৱধানঃ এই ব্যৱধান অডমিটাৰৰ ৰিডিং অথবা মাহ, যিটো আগতে আহে তাৰদ্বাৰা নির্ধাৰণ কৰা হ'ব।		বিনামূলীয়া পৰীক্ষণ				পিৰিয়ডিক মেৰামতি মূল্যৰ বিনিময়ত					
	কি.মি. (x1000)	5	10	20	30	40	50	60	70	80	90
	মাহবোৰ	2	4	8	12	16	20	24	28	32	36
ইঞ্জিন											
1-1.	ৰাটাৰ পাম্প ড্ৰাইভ, অলটাৰনেটৰ বেল্ট (টেনশ্বন, ৰেৰ)	–	–	–	–	I	–	–	–	R	–
1-2.	ইঞ্জিন কুলেণ্ট (লেভেল, লিকেজ)	I	I	R	I	R	I	R	I	R	I
1-3.	ইঞ্জিন অইল আৰু ইঞ্জিন অইল ফিল্টাৰ	–	R	R	R	R	R	R	R	R	R
1-4.	কুলিং চিষ্টেম হচেজ আৰু সংযোগবোৰ (লিকেজ আৰু ডেমেজ)	I	I	I	I	I	I	I	I	I	I
1-5.	ইঞ্জিন চিলিণ্ডাৰ হেড কভাৰ ব'ল্টচ (ঢিলা, ক্ষতিগ্ৰস্ত)	–	T	T	T	T	T	T	T	T	T
1-6.	ইঞ্জিন মাউণ্টিং আৰু মেনিফ'ল্ড ফিক্সিং (ঢিলা, ডেমেজ)	I	I	I	I	I	I	I	I	I	I
1-7.	ভাল্ভ ক্লিয়াৰেন্স	–	–	–	I	–	–	I	–	–	I
1-8.	এগজষ্ট চিষ্টেম (শব্দ কৰা, লিকেজ অথবা অইন বিজুতি)	I	–	I	–	I	–	I	–	I	–
1-9.	এগজষ্ট গেছ ৰিচার্কুলেশ্বন ভাল্ভ	–	–	–	C	–	–	C	–	–	C
ইন্ধন											
2-1.	এয়াৰ ক্লিনাৰ ফিল্টাৰ উপাদান	পেভড-ৰোড	প্ৰত্যেক 5,000 কি.মি.ত চাফা কৰক। প্ৰত্যেক 40,000 কি.মি.ত সলনি কৰক।								
		ধূলিময় অৱস্থা	প্ৰত্যেক 2,500 কি.মি.ত চাফা কৰক। প্ৰত্যেক 40,000 কি.মি.ত সলনি কৰক। অৱস্থা অতিকৈ বেয়া হ'লে সঘনাই সলাওক।								
2-2.	ফিউল টেংক কেপ, ফিউল লাইনচ আৰু সংযোগবোৰ (লিকেজ আৰু ক্ষতিগ্ৰস্ততা)	I	–	–	–	I	–	–	–	I	–
2-3.	ফিউল ফিল্টাৰ আৰু পানী নিগৰা	I	I	R	I	R	I	R	I	R	I
ক্লাটচ আৰু ট্ৰেন্সমিশ্বন											
3-1.	ক্লাটচ পেডেল (প্লে)	I	I	I	I	I	I	I	I	I	I
3-2.	ক্লাটচ্ শ্লিপিং (ড্ৰেগিং অথবা অত্যাধিক ক্ষতিগ্ৰস্ত)	I	I	I	I	I	I	I	I	I	I
3-3.	গিয়েৰ চিফটাৰ কেবলবোৰ	I	I	I	I	I	I	I	I	I	I
3-4.	মেনুয়েল ট্ৰেন্সমিশ্বন অইল (স্তৰ, লিকেজ)	1,60,000 কি.মি. অথবা 10 বছৰত সলাওক যিটো আগতে আহে									
		I	I	I	I	I	I	I	I	I	I
3-5.	ৰিয়েৰ ডিফাৰেন্সিয়েল অইল (স্তৰ, লিকেজ)	80,000 কি.মি. অথবা 4 বছৰত সলাওক যিটো আগতে আহে									
		I	I	I	I	I	I	I	I	I	I
3-6.	প্ৰপেলাৰ চেফট /ইউনিভার্চেল জইণ্ট (ঢিলা, ক্ষতিগ্ৰস্ত)	I	I&L	I&L	I&L	I&L	I&L	I&L	I&L	I&L	I&L

ব্যৱধানঃ এই ব্যৱধান অডমিটাৰৰ ৰিডিং অথবা মাহ, যিটো আগতে আহে তাৰদ্বাৰা নিৰ্ধাৰণ কৰা হ'ব।		বিনামূলীয়া পৰীক্ষণ				পিৰিয়ডিক মেৰামতি মূল্যৰ বিনিময়ত					
	কি.মি. (x1000)	5	10	20	30	40	50	60	70	80	90
	মাহবোৰ	2	4	8	12	16	20	24	28	32	36
ব্ৰেক											
4-1.	ব্ৰেক ফ্লুইড (স্তৰ, লিকেজ)	I	I	R	I	R	I	R	I	R	I
4-2.	ব্ৰেক পেডেল (পেডেল–ফ্ৰণ্ট পেনেল ক্লিয়াৰেন্স)	I	I	I	I	I	I	I	I	I	I
4-3.	পাৰ্কিং ব্ৰেক লিভাৰ আৰু কেবল (প্লে, ক্ষতিগ্ৰস্ততা)	I	I	I	I	I	I	I	I	I	I
4-4.	ব্ৰেক ডিস্ক আৰু চুজ (ৱেৰ)	I	I	I	I	I	I	I	I	I	I
4-5.	ব্ৰেক ড্ৰাম আৰু চুজ (ৱেৰ)	–	I	I	I	I	I	I	I	I	I
4-6.	মাষ্টাৰ চিলিণ্ডাৰ, হুইল চিলিণ্ডাৰ আৰু কেলিপাৰ পিষ্টন (ফ্লুইডৰ লিকেজ, ৰুট / চিল ভঙা)	I	I	I	I	I	I	I	I	I	I
4-7.	ব্ৰেক হচেজ আৰু পাইপ (লিকেজ, ক্ষতিগ্ৰস্ততা)	I	I	I	I	I	I	I	I	I	I
চকা											
5-1.	টায়াৰ (এয়াৰ প্ৰেছাৰ, অস্বাভাৰিকভাৱে উৱলি যোৱা, ফাঁট মেলা আৰু ঘুৰ্ণন)	I&O	I&O	I&O	I&O	I&O	I&O	I&O	I&O	I&O	I&O
5-2.	চকা (ক্ষতিগ্ৰস্ততা)	I	I	I	I	I	I	I	I	I	I
5-3.	ফ্ৰণ্ট /ৰিয়েৰ হুইল বিয়েৰিং (ঢিলা, ক্ষতিগ্ৰস্ত)	I	I	I	I	I	I	I	I	I	I
ফ্ৰণ্ট /ৰিয়েৰ চাচপেন্সন											
6-1.	ফ্ৰণ্ট চাচপেন্সন ষ্ট্ৰাট আৰু শ্বক এবজৰ্বাৰ (অইল লিকেজ, ক্ষতিগ্ৰস্ততা)	I	I	I	I	I	I	I	I	I	I
6-2.	ফ্ৰণ্ট চাচপেন্সন আৰ্মচ, নাকল চাপ'ৰ্ট আৰু টেনশ্বন ৰডচ (ঢিলা হোৱা, ক্ষতিগ্ৰস্ততা)	I	I	I	I	I	I	I	I	I	I
6-3.	ৰিয়েৰ লিফ স্প্ৰীং (ডেমেজ)	I	I	I	I	I	I	I	I	I	I
6-4.	ৰিয়েৰ শ্বক এবজৰ্বাৰ (অইল লিকেজ, ডেমেজ)	I	I	I	I	I	I	I	I	I	I
6-5.	সকলো ব'ল্ট আৰু নাটচ (ঢিলা)	T	T	T	T	T	T	T	T	T	T
ষ্টিয়েৰিং											
7-1.	ষ্টিয়েৰিং হুইল (প্লে, ঢিলা)	I	I	I	I	I	I	I	I	I	I
7-2.	ষ্টিয়েৰিং কলম ৰডচ আৰু আৰ্মচ (ঢিলা, ক্ষতিগ্ৰস্ত, উৱলি যোৱা)	I	I	I	I	I	I	I	I	I	I

ব্যৱধানঃ এই ব্যৱধান অডমিটাৰৰ ৰিডিং অথবা মাহ, যিটো আগতে আহে তাৰদ্বাৰা নির্ধাৰণ কৰা হ'ব।		বিনামূলীয়া পৰীক্ষণ				পিৰিয়ডিক মেৰামতি মূল্যৰ বিনিময়ত					
	কি.মি. (x1000)	5	10	20	30	40	50	60	70	80	90
	মাহবোৰ	2	4	8	12	16	20	24	28	32	36
ইলেকট্রিকেল											
8-1.	বেটাৰী ইলেক্ট্রলাইট (স্তৰ, লিকেজ)	I	I	I	I	I	I	I	I	I	I
8-2.	বেটাৰী ভ'ল্টেজ	I	I	I	I	I	I	I	I	I	I
8-3.	ৱায়াৰিং হার্নেচ সংযোগ (ঢিলা, ক্ষতিগ্রস্ত)	I	I	I	I	I	I	I	I	I	I
8-4.	লাইটিং চিষ্টেম (অপাৰেশ্বন, ষ্টেইন, ক্ষতিগ্রস্ত)	I	I	I	I	I	I	I	I	I	I
8-5.	হৰ্ণ (অপাৰেশ্বন)	I	I	I	I	I	I	I	I	I	I
বডি											
9-1.	সকলো চেচিচ ব'ল্টচ আৰু নাটচ (টান কৰা)	I	T	T	T	T	T	T	T	T	T
9-2.	সকলো লেটচেচ, হিঞ্জেচ আৰু লকচ (ফাংশ্যন)	I&L	I&L	I&L	I&L	I&L	I&L	I&L	I&L	I&L	I&L
9-3.	কাগ' বেড (পৰীক্ষা কৰক)	I	I	I	I	I	I	I	I	I	I
ৰ'ড টেষ্ট											
10-1.	ব্রেকচ, গিয়েৰ চিফটিং আৰু স্পীড'মিটাৰৰ কার্যকাৰীতা	I	I	I	I	I	I	I	I	I	I
10-2.	বডি আৰু চেচিচৰ শব্দ	I	I	I	I	I	I	I	I	I	I

পৰীক্ষণ আৰু মেৰামতিৰ কামকাজ গ্ৰাহকে কৰাব লাগিব

তলদ দিয়া তালিকাত পৰীক্ষণ আৰু মেৰামতিৰ অপাৰেশ্বনৰ বিষয়ে দেখুওৱা হৈছে যিটো আপুনি কৰিব পাৰে।
আপুনি পৰীক্ষণ, গ্ৰিজিং, লুব্ৰিকেশ্যন আৰু অইন সেৱা কিমান সঘনে কৰাব তাৰে তালিকা তলত দেখুওৱা হৈছে।

ফ্ৰিকুয়েন্সী	ক্ৰমিক নং	অপাৰেশ্বন	প্ৰসংগ
দৈনিক	1	এয়াৰ প্ৰেছাৰ, অস্বাভাৱিকভাৱে উৱলি যোৱা, ফাঁটা মেলা আৰু ক্ষতিগ্ৰস্ততাৰ বাবে আটাইবোৰ টায়াৰ (স্পেয়াৰ চকাকে ধৰি) পৰীক্ষা কৰক।	পৃষ্ঠা নং 7-18
সাপ্তাহিক	2	ইঞ্জিন অইল পৰীক্ষা কৰক, যদিহে আৱশ্যক হয়, মাৰুতি জেনুইন ইঞ্জিন অইলেৰে টপ আপ কৰক।	পৃষ্ঠা নং 7-8
	3	কুলেণ্ট ৰিজাৰ্ভয়ৰত কুলেণ্টৰ স্তৰ পৰীক্ষা কৰক আৰু যদি প্ৰয়োজন হয় তেন্তে পৰামৰ্শিত মাৰুতি জেনুইন কুলেণ্ট আৰু পানীৰে নিৰ্দিষ্ট 30/70 পৰিমাণত মিশ্ৰণ কৰি টপ আপ কৰাওক।	পৃষ্ঠা নং 7-12
	4	ট্ৰেন্সমিশ্যন অইলৰ স্তৰ আৰু ডিফাৰেন্সিয়েল অইলৰ স্তৰ পৰীক্ষা কৰক।	পৃষ্ঠা নং 7-13
	5	ব্ৰেক ফ্লুইড ৰিজাৰ্ভয়ৰত ব্ৰেক ফ্লুইডৰ স্তৰ পৰীক্ষা কৰক আৰু প্ৰয়োজন হ'লে, মাৰুতি জেনুইন ব্ৰেক ফ্লুইডেৰে টপ আপ কৰক।	পৃষ্ঠা নং 7-14
	6	বাহন পৰীক্ষা কৰক তলত দিয়াবোৰৰ বাবে • ইঞ্জিন অইলৰ লিকেজ • কুলেণ্ট লিকেজ • ব্ৰেক ফ্লুইড লিকেজ • ফ্ৰণ্ট চাচপেন্সন ষ্ট্ৰাট লিকেজ • ৰিয়েৰ শ্বক এবজৰ্বাৰ লিকেজ • ফিউল লিকেজ • ট্ৰেন্সমিশ্যন অইল আৰু ডিফাৰেঞ্চিয়েল অইল লিকেজ	পৰীক্ষণ আৰু মেৰামতি শিতান
	7	বেটাৰীৰ ইলেক্ট্ৰলাইট স্তৰ, টাৰ্মিনেল আৰু ব্ৰেকেট পৰীক্ষা কৰক।	পৃষ্ঠা নং 7-20
	8	হুইল মাউণ্টিং নাট পৰীক্ষা কৰক আৰু প্ৰয়োজন হ'লে টাইট কৰক।	পৃষ্ঠা নং 8-5

মাহিলী	9	ক্ষতি বা দুৰৱস্থাৰ বাবে ড্ৰাইভ বেল্ট পৰীক্ষা কৰক ।	পৃষ্ঠা নং 7-8
	10	এয়াৰ ফিল্টাৰ ইলেমেণ্ট চাফা কৰক।	পৃষ্ঠা নং 7-12
	11	সকলো লেটচ, হিঞ্জ আৰু লকচ মাল্টিপাৰপ'জ গ্ৰিজ ব্যৱহাৰ কৰি গ্ৰীজ কৰাওক।	পৃষ্ঠা নং 7-5
	12	গ্ৰীজ গান ব্যৱহাৰ কৰি প্ৰপেলাৰ চেফট ইউনিভার্চেল জইণ্ট গ্ৰীজ কৰক ।	পৃষ্ঠা নং 7-17
	13	পানী আৰু গেদ নিগৰোৱাৰ বাবে ফিউল ফিল্টাৰৰ ড্ৰেইন স্ক্ৰু ঢিলা কৰক।	পৃষ্ঠা নং 7-14
যেতিয়া প্ৰয়োজন হয়	14	ক্লাটচ পেডেল প্লে পৰীক্ষা কৰক।	পৃষ্ঠা নং 7-14
	15	ইঞ্জিন চলি থকা সময়ত ফ্লু'ৰ পেনেললৈ ব্ৰেক পেডেলৰ ব্যৱধান পৰীক্ষা কৰাৰ বাবে ব্ৰেক প্ৰয়োগ কৰি পৰীক্ষা কৰক।	পৃষ্ঠা নং 7-15
	16	উপযুক্ত এডজাষ্টমেণ্টৰ বাবে পার্কিং ব্ৰেক পৰীক্ষা কৰক।	পৃষ্ঠা নং 7-16

*** বাহনে যদি একাষৰীয়াকৈ টানে অথবা বেছি গতিবেগত থাকিলে কঁপে, তেন্তে চকাৰ এলাইনমেণ্ট আৰু বেলেঞ্চিং পৰীক্ষা কৰক আৰু /অথবা এডজাষ্ট কৰক।**

ড্ৰাইভ বেল্ট

⚠ সাবধান

ইঞ্জিন চলি থকা অবস্থাত, ফেন আৰু ড্ৰাইভ বেল্টৰপৰা হাত, কাপোৰ-কানি, সামগ্ৰী, আৰু অইন বস্তু আঁতৰাই ৰাখক। ফেন চলি নথকা অৱস্থাতো, ই কোনো আগতীয়া ইংগিত নিদিয়াকৈ চলি যাব পাৰে।

(ডিজেল ইঞ্জিন মডেলৰ বাবে)

ড্ৰাইভ বেল্ট টেনশ্যন নিজে নিজে এডজাষ্ট হয়।

বেল্ট যাতে বেয়া হৈ যোৱা নাই সেইটো নিশ্চিত কৰাৰ বাবে সেয়া পৰীক্ষা কৰা উচিত।

আপুনি যদি আপোনাৰ বেল্টডাল সলাব বিচাৰে বা এডজাষ্ট কৰিব বিচাৰে তেন্তে সেয়া মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰত কৰিব।

ইঞ্জিন অইল আৰু ফিল্টাৰ

নিৰ্দিষ্ট অইল

উদাহৰণ



76MH024

(1) পচন্দ

নিশ্চিত কৰক যাতে আপুনি ব্যৱহাৰ কৰা **5W-30** ইঞ্জিন অইল ACEA A5/B5ৰ গুণগত শ্ৰেণীবিভাগৰ ভিতৰত পৰে। ওপৰৰ চাৰ্ট অনুসৰি যথোপযুক্ত অইল ভিচকোচিটি ব্যৱহাৰ কৰক।

তেলৰ স্তৰ পৰীক্ষা

উদাহৰণ



77PH036

(1) ইঞ্জিন অইল ডিপষ্টিক

আপোনাৰ বাহনৰ ইঞ্জিনৰ যথোপযুক্ত লুব্ৰিকেশ্যনৰ হেতু ইঞ্জিন অইল সঠিক মাত্ৰাত থকাটো প্ৰয়োজনীয়। বাহনখনত লেভেল চাৰফেচৰ যোগেদি তেলৰ স্তৰ পৰীক্ষা কৰক। বাহন হেলনীয়া স্থানত থাকিলে তেলৰ স্তৰৰ সূচাংক সঠিক নহ'বও পাৰে। তেলৰ স্তৰ ইঞ্জিন আৰম্ভ বা বন্ধ কৰাৰ 5 মিনিট আগেয়ে পৰীক্ষা কৰা উচিত।

চিনাক্তকৰণ উজু কৰাৰ বাবে ইঞ্জিন অইল ডিপষ্টিকৰ ৰং হালধীয়া হ'ব লাগে।

উদাহৰণ



52D084

অইল ডিপষ্টিকডাল টানি উলিয়াওক, এখন চাফা কাপোৰেৰে মচি পেলাওক, তাৰপিছত ডিপষ্টিকডাল ইঞ্জিনটোৰ ভিতৰলৈ গোটেইডাল ভৰাই দিয়ক, তাৰপিছত সেয়া উলিয়াই আনক। ষ্টিকডালত তেলৰ দাগটো তাত থকা আপাৰ আৰু লৰাৰ লিমিটৰ মাজত থাকিব লাগে। যদি তেলৰ স্তৰৰ সূচাংক লৰাৰ লিমিটৰ কাষত থাকে, তেন্তে সেয়া আপাৰ লিমিট ঢুকি পোৱাকৈ তাত পৰ্যাপ্ত তেল যোগ দিয়ক।

জাননী
নিয়মিতভাৱে তেলৰ স্তৰ পৰীক্ষা নকৰাৰ ফলত অপৰ্যাপ্ত তেলৰ বাবে ইঞ্জিনৰ গুৰুতৰ ক্ষতি হ'ব পাৰে।

জাননী
তেল সৰ্বোচ্চ সীমাৰ ওপৰলৈ নভৰাব। অতি বেছি তেলৰ ফলত ইঞ্জিনৰ সমস্যাই দেখা দিব পাৰে।

ৰিফিলিং

উদাহৰণ



77PH037

অইল ফিল্টাৰ কেপ আঁতৰাওক আৰু ডিপষ্টিকৰ ওপৰৰ সীমালৈ তেলৰ স্তৰ অনাৰ বাবে ফিলাৰ হ'লটোৰ জৰিয়তে তেল ধীৰে ধীৰে বাকক। যাতে বেছিকৈ তেল নোসোমায়, সেইবিষয়ে সাবধান হওক। কম তেলৰ দৰে বেছি তেলো বেয়া। ভৰোৱাৰ পিছত, ইঞ্জিন ষ্টাৰ্ট কৰক আৰু এক মিনিটিমানৰ বাবে স্থিৰে থাকিব দিয়ক। ইঞ্জিন বন্ধ কৰক, 5 মিনিট সময় ৰওক আৰু পুনৰাই তেলৰ মাত্ৰা পৰীক্ষা কৰক।

ইঞ্জিন অইল আৰু ফিল্টাৰ সলোৱা

ইঞ্জিন গৰম হৈ থকা সময়তে ইঞ্জিন অইল নিগৰাওক।

1) অইল ফিল্টাৰ কেপ আঁতৰাওক।
2) ড্ৰেইন প্লাগৰ তলতে ড্ৰেইন পেন এখন ৰাখক।
3) এডাল ৰেন্স ব্যৱহাৰ কৰক, ড্ৰেইন প্লাগটো আঁতৰাওক আৰু ইঞ্জিন অইল নিগৰাই আঁতৰাওক।

⚠ সাবধানতা
ড্ৰেইন প্লাগ ঢিলা কৰাৰ সময়ত ইঞ্জিন অইলৰ উষ্ণতা বেছি হৈ থাকিব পাৰে আৰু আপোনাৰ আঙুলি জ্বলিব পাৰে। ড্ৰেইন প্লাগ খালি হাতেৰে খুলিব পৰাকৈ ঠাণ্ডা হোৱালৈকে ৰওক।

উদাহৰণ



77PH038

ড্ৰেইন প্লাগৰ বাবে টৰ্ক টান কৰক (1):
50 নিউট্ৰন মিটাৰ (5.1 কিলোগ্ৰাম ফ'ৰ্চ মিটাৰ, 36.9 পাউণ্ড ফ'ৰ্চ ফুট)

⚠ সাবধান

নতুন আৰু ব্যৱহৃত তেল বিপজ্জনক হ'ব পাৰে। নতুন বা পুৰণি তেল খাই শিশু বা পোহনীয়া জন্তুৰ অপকাৰ হ'ব পাৰে। শিশু আৰু পোহনীয়া জন্তুৰপৰা নতুন আৰু ব্যৱহৃত তেল আৰু ব্যৱহৃত অইল ফিল্টাৰ আঁতৰাই ৰাখক।

ব্যৱহৃত ইঞ্জিন অইলৰ সংস্পৰ্শত বাৰে বাৰে আৰু দীঘলীয়া সময়ৰ বাবে থাকিলে ছালৰ কৰ্কট ৰোগ হ'ব পাৰে।

ব্যৱহৃত তেলৰ সৈতে কম সময়ৰ সংস্পৰ্শৰ ফলত ছালৰ খজুৱতি উঠিব পাৰে।

ব্যৱহৃত তেলৰ সৈতে সংস্পৰ্শ কম কৰাৰ বাবে, ইঞ্জিন অইল সলোৱাৰ সময়ত দীঘল হাতৰ চোলা আৰু মইশ্চাৰ-প্ৰুফ গ্লাভচ (যেনে ধৰক বাচন ধোৱা গ্লাভচ) পিন্ধক। যদি তেল আপোনাৰ ছালৰ স্পৰ্শলৈ আহে, তেন্তে সেয়া তৎক্ষণাত চাবোন আৰু পানীৰে ধুই পেলাওক।

তেলেৰে তিতি থকা কাপোৰ অথবা ৰেগ ধুই পেলাওক।

ব্যৱহৃত তেল আৰু ফিল্টাৰ ৰিচাইকেল কৰক অথবা ভালদৰে উলিয়াই দিয়ক।

4) ড্ৰেইন প্লাগ আৰু গাচকেট পুনৰাই ইনষ্টল কৰক। নিৰ্দিষ্ট টৰ্কলৈ ৰেন্স এপাতেৰে প্লাগটো টান কৰক।

অইল ফিল্টাৰ সলাওক

1) অইল ফিল্টাৰ ৰেন্স ব্যৱহাৰ কৰি, অইল ফিল্টাৰটো ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত ঘুৰাই আঁতৰাওক।
2) এটা চাফা ৰেগ ব্যৱহাৰ কৰি, নতুন ফিল্টাৰ বহাবলগা ঠাইখিনি ভালদৰে মচি লওক।
3) নতুন অইল ফিল্টাৰটোৰ ৰাবাৰ গাছকেটটোৰ চাৰিওফালে সামান্য ইঞ্জিন অইল চটিয়াই দিয়ক।
4) ফিল্টাৰ গাছকেটটো বহাবলগীয়া ঠাইখন স্পৰ্শ নকৰালৈকে নতুন ফিল্টাৰটোত স্ক্ৰুটো পকাওক।



77PH017

(1) ঢিলা কৰক
(2) টান কৰক

টান কৰক (ফিল্টাৰৰ ওপৰৰপৰা দেখাপোৱা)



54G093

(1) অইল ফিল্টাৰ
(2) 3/4 পাক

জাননী
অইল ফিল্টাৰটো ভালদৰে টান কৰাৰ বাবে, ফিল্টাৰ গাছকেটটো প্ৰথমতে মাউণ্টিং পৃষ্ঠখনৰ ক'ত লাগিছে সেয়া ভালদৰে চাই লোৱা উচিত।

5) অইল ফিল্টাৰ ৰেন্স ব্যৱহাৰ কৰি মাউণ্টিং পৃষ্ঠখনৰ সৈতে সংস্পৰ্শৰ পইণ্টৰপৰা নিৰ্দিষ্ট পাকলৈ ফিল্টাৰটো টান কৰক (অথবা নিৰ্দিষ্ট টৰ্কলৈ)।

অইল ফিল্টাৰ টান কৰাৰ বাবে টৰ্ক
3/4 বাৰ অথবা
14 নিউট্ৰন মিটাৰ (1.4 কিলোগ্ৰাম ফ'চ মিটাৰ, 10.3 পাউণ্ড ফ'চ ফুট)

জাননী

তেলৰ লিকেজ নহ'বৰ বাবে, অইল ফিল্টাৰ টান হৈ থকাটো নিশ্চিত কৰক, কিন্তু সেয়া অতি বেছি টান নকৰিব।

তেলেৰে পুৰাওক আৰু লিকেজৰ বাবে পৰীক্ষা কৰক

1) ফিলাৰ হ'লটোৰ যোগেদি তেল ঢালক আৰু ফিলাৰ কেপ ইনষ্টল কৰক।
   তেলৰ যথার্থ ধাৰণক্ষমতাৰ বাবে, ''নির্দিষ্টকৰণ'' শিতানৰ ''বিশেষত্বসমূহ'' শিতান চাওক।
2) ইঞ্জিনটো ষ্টার্ট কৰক আৰু অইল ফিল্টাৰ আৰু ড্রেইন প্লাগত লিক হৈছে নেকি সেয়া চাওক। কমেও 5 মিনিটৰ বাবে ইঞ্জিন স্পীডত চলাওক।
3) ইঞ্জিনটো বন্ধ কৰক আৰু 5 মিনিটৰ বাবে ৰৈ দিয়ক। তেলৰ স্তৰ আকৌ পৰীক্ষা কৰক আৰু প্ৰয়োজনসাপেক্ষে যোগ দিয়ক। লিক হৈছে নেকি সেয়া চাবৰ বাবে পুনৰাই পৰীক্ষা কৰক।

জাননী

- **অইল ফিল্টাৰ সলোৱাৰ সময়ত, মাৰুতি জেনুইন ফিল্টাৰ ব্যৱহাৰ কৰাৰ বাবে পৰামর্শ দিয়া হৈছে। আপুনি যদি বজাৰ ফিল্টাৰ ব্যৱহাৰ কৰে, তেন্তে নিশ্চিত কৰক যাতে ইয়াৰ গুণ সমতুল্য হয় আৰু নির্মাতাৰ নির্দেশনা অনুসৰণ কৰক।**
- **অইল ফিল্টাৰ অথবা ড্রেইন প্লাগৰপৰা তেল নিগৰি থকা মানে ভালদৰে ইনষ্টলেশ্যননকৰা বা গাছকেট ক্ষতিগ্রস্ত হোৱা বুজাব পাৰে। আপুনি যদি কোনোধৰণৰ লিক দেখা পায় অথবা নিশ্চিত নহয় যাতে ফিল্টাৰটো ভালদৰে টান কৰা হোৱা নাই, তেন্তে বাহনখন আপোনাৰ মাৰুতি চুজুকি কমার্চিয়েল ডিলাৰৰদ্বাৰা পৰীক্ষা কৰাই লওক।**

ইঞ্জিন কুলেণ্ট

কুলেণ্টৰ বাচনি

আপোনাৰ ইঞ্জিনৰ কার্যদক্ষতা আৰু স্থায়িত্ব সর্বোচ্চ কৰি ৰখাৰ বাবে মাৰুতি জেনুইন কুলেণ্ট অথবা তাৰ সমতুল্য ব্যৱহাৰ কৰক।
আপোনাৰ কুলিং চিষ্টেমৰ বাবে এনেধৰণৰ কুলেণ্ট ভাল কিয়নো ইঃে

- উপযুক্ত ইঞ্জিন উষ্ণতা বজাই ৰখাত সহায় কৰে।
- ফ্রিজিং আৰু বইলিঙৰ বাবে উপযুক্ত সুৰক্ষা দিয়ে।
- ক্ষয় যোৱা আৰু মামৰে ধৰাৰ পৰা সুৰক্ষা প্রদান কৰে।

উপযুক্ত কুলেণ্ট ব্যৱহাৰ কৰাত ব্যর্থতাই আপোনাৰ কুলিং চিষ্টেম ক্ষতিগ্রস্ত কৰিব পাৰে। আপোনাক উপযুক্ত কুলেণ্ট বাচনি কৰোতে প্রাধিকৃত মাৰুতি চুজুকি কমার্চিয়েল ডিলাৰে সহায় কৰিব পাৰে।

জাননী

আপোনাৰ কুলিং চিষ্টেম নষ্ট নহ'বৰ বাবেঃ

- **উচ্চ মানসম্পন্ন ইথালেন গ্লাইক'লভিত্তিক নন–চিলিকেট প্রকাৰৰ কুলেণ্ট ডিষ্টিল ৰাটাৰৰ সৈতে লঘু কৰি সঠিক মিশ্রণত ব্যৱহাৰ কৰক।**
- **নিশ্চিত কৰক যাতে মিশ্রণটো কুলেণ্ট আৰু ডিষ্টিল ৰাটাৰৰ 30/70 অনুপাতত মিহলি কৰা হয় আৰু সেয়া 70/30 নহয়। কুলেণ্ট আৰু ডিষ্টিল ৰাটাৰৰ অনুপাত 70/30 তকৈ অধিক গাঢ়তাৰ ফলত অভাৰহিটিংজনিত অৱস্থাৰ সৃষ্টি হ'ব পাৰে।**
- **ষ্ট্রেইট কুলেণ্ট অথবা সাধাৰণ পানী ব্যৱহাৰ নকৰিব।**
- **অতিৰিক্ত ইনহিবিটৰ অথবা এডিটিভ যোগ নিদিব। আপোনাৰ কুলিং চিষ্টেমৰ সৈতে সেয়া খাপ নাখাবও পাৰে।**
- **বিভিন্ন প্রকাৰৰ কুলেণ্ট মিশ্রণ নকৰিব। এনে কৰাৰ ফলত চিল ৰেৰ বাঢ়িব পাৰে আৰু ৰ অথবা অত্যাধিক গৰম হ'ব পাৰে আৰু বৃহৎ পৰিমাণে ইঞ্জিনৰ ক্ষতি কৰিব পাৰে।**

কুলেণ্টৰ স্তৰ পৰীক্ষা

ৰিজাৰ্ভয়ৰ টেংকত কুলেণ্টৰ স্তৰ পৰীক্ষা কৰক, ৰেডিয়েটৰত নহয়। ইঞ্জিন ঠাণ্ডা হৈ থকাৰ সময়ত, কুলেণ্টৰ স্তৰ "ফুল" আৰু "ল'" দাগৰ মাজত থাকিব লাগে। প্ৰয়োজন সাপেক্ষে হাতলেম ব্যৱহাৰ কৰক।

কুলেণ্ট যোগ দিয়া

⚠ সাবধান

ইঞ্জিন কুলেণ্ট খালে বা উশাহত ল'লে সি অপকাৰ কৰিব পাৰে। কোনো কাৰণতে এণ্টিফ্ৰীজ অথবা কুলেণ্ট সমাধান ব্যৱহাৰ নকৰিব। যদি খোৱা যায়, তেন্তে বমি কৰিবলৈ চেষ্টা নকৰিব। তৎক্ষণাত বিষ নিয়ন্ত্ৰণ কেন্দ্ৰ অথবা ফিজিচিয়ানক দেখা কৰক। কুঁৱলি অথবা গৰম ভাপ উশাহত লোৱাৰপৰা বাচি থাকক, যদি উশাহত লোৱা যায়, তেন্তে মুকলি বতাহ লওক। যদি কুলেণ্ট চকুত লাগে, তেন্তে পানীৰে চকু ধোৱক আৰু চিকিৎসা সাহায্য বিচাৰক। ব্যৱহাৰ কৰাৰ পিছত ভালদৰে ধোৱক। জন্তুৰ বাবে তৰল বিষাক্ত হ'ব পাৰে। শিশু আৰু জন্তুয়ে ঢুকি পোৱাৰপৰা আঁতৰত ৰাখক।

জাননী

- **আপুনি ব্যৱহাৰ কৰিবলগা মিশ্ৰণটো এণ্টিফ্ৰীজৰ গাঢ়তা 30% হ'ব লাগে।**
- **যদি আপোনাৰ এলেকাৰ তাপমাত্ৰা –35°C (–31°F) অথবা তাৰ তলত হ'ব বুলি আশা কৰা যায়, তেন্তে এণ্টিফ্ৰীজ কণ্টেইনাৰত থকা নিৰ্দেশনা অনুসৰণ কৰি 60% লৈ অধিক গাঢ়তা ব্যৱহাৰ কৰক।**



77PH039

যদি কুলেণ্টৰ স্তৰ "L" (ল') চিহ্নৰ তলত থাকে, তেন্তে অধিক কুলেণ্ট ব্যৱহাৰ কৰা উচিত।

ৰিজাৰ্ভয়ৰ টেংকৰ কেপটো আঁতৰাওক আৰু ৰিজাৰ্ভয়ৰৰ টেংকৰ স্তৰ "F" (ফুল) মাৰ্ক নোপোৱালৈকে কুলেণ্ট যোগ দিয়ক। কেতিয়াও ৰিজাৰ্ভয়ৰ টেংকটো "F" (ফুল) চিহ্নৰ ওপৰলৈকে নভৰাব।

জাননী

ৰিজাৰ্ভয়ৰ টেংকত কেপ লগোৱাৰ পিছত, কেপত চিহ্নটো আৰু টেংকত চিহ্নটো লাইন আপ কৰক। এনে কৰাটো অনুসৰণ নকৰাৰ ফলত কুলেণ্ট লিকেজ হ'ব পাৰে।

কুলেণ্ট সলনি কৰা

যিহেতু বিশেষ প্ৰক্ৰিয়া প্ৰয়োজন হয়, কুলেণ্ট সলনি কৰাৰ বাবে কাষৰ মাকুতি চুজুকি কমাৰ্চিয়েল ডিলাৰৰ ওচৰলৈ নিয়াৰ বাবে পৰামৰ্শ দিছো।

এয়াৰ ক্লিনাৰ

যদিহে এয়াৰ ক্লিনাৰ ধূলিময় হৈ আছে, তেন্তে ইনটেক ৰেজিষ্টেন্স বাঢ়িব পাৰে, যাৰ ফলত শক্তিৰ আউটপুট কমিব পাৰে আৰু ইন্ধনৰ ব্যয় বাঢ়িব পাৰে।



77PH040

কাষৰ ক্লেম্পবোৰ আনক্লেম্প কৰা, আৰু এয়াৰ ক্লিনাৰ কেচৰ ইলেমেণ্টবোৰ আঁতৰাওক।



60A183

যদি সেয়া লেতেৰা যেন লাগে, তেন্তে নতুন এটাৰে এয়াৰ ক্লিনাৰ চাফা কৰক।

গিয়েৰ অইল

ট্রেন্সমিশ্যন অইল মেনুয়েল / ডিফাৰেন্সিয়েল অইল

গিয়েৰ অইল যোগ দিয়াৰ সময়ত, যথোপযুক্ত ভিচক'চিটিৰ গিয়েৰ অইল ব্যৱহাৰ কৰক আৰু তলত দিয়া তালিকা হিচাপত গ্রেড কৰক।

মেনুয়েল ট্রেন্সমিশ্যন অইল

উদাহৰণ



68LM728

আপুনি ব্যৱহাৰ কৰাৰ বাবে আমি পৰামর্শ দিছোঃ মেনুয়েল ট্রেন্সমিশ্যন গিয়েৰ অইলৰ বাবে ''মাৰুতি জেনুইন গিয়েৰ অইল **75W-80**''

ৰিয়েৰ ডিফাৰেন্সিয়েল অইল

উদাহৰণ



77PH075

আপুনি ব্যৱহাৰ কৰাৰ বাবে আমি পৰামর্শ দিছোঃ ''টোটলফিনাএল্ফ ট্রান্সসেল্ফ এলএল **85W-140**'' ৰিয়েৰ ডিফাৰেন্সিয়েল অইলৰ বাবে।

গিয়েৰ অইল স্তৰ পৰীক্ষা

মেনুয়েল ট্রেন্সমিশ্যন

উদাহৰণ



77PH078

ৰিয়েৰ ডিফাৰেন্সিয়েল



উদাহৰণ

77PH047

1. অইল ফিল্টাৰ আৰু স্তৰ প্লাগ (কেতিয়াও পুনর্ব্যহাৰ নকৰিব)।
2. অইল ড্রেইন প্লাগ ।

গিয়েৰ অইল স্তৰ পৰীক্ষা কৰাৰ বাবে, তলত দিয়া প্রক্রিয়া ব্যৱহাৰ কৰকঃ

1) পার্কিং ব্রেক লগাই এখন সমতলত বাহনখন ৰখাওক। তেতিয়া, ইঞ্জিনটো বন্ধ কৰক।
2) অইল ফিল্টাৰটো আৰু লেভেল প্লাগটো আঁতৰাওক (1)।
3) ফুটাটোত আঙুলি ভৰাই ভিতৰত পৰীক্ষা কৰক। যদি তেলৰ স্তৰ প্লাগ হ'লৰ তলিলৈকে আহি যায়, তেন্তে তেলৰ স্তৰ ঠিকে আছে। যদি তেনে হয়, তেন্তে প্লাগটো ৰি–ইনষ্টল কৰক।
4) যদি তেলৰ পৰিমাণ কম হয়, তেন্তে গিয়েৰ অইল অইল ফিল্টাৰৰ প্লাগৰ হ'লৰ যোগেদি (1) যেতিয়ালৈকে তেলৰ স্তৰ ফিলাৰ হ'লৰ তলি নাপায়গৈ, তেতিয়া প্লাগটো ৰিইনষ্টল কৰক।

অইল ফিলাৰ আৰু স্তৰ প্লাগৰ বাবে টাইটেনিং টর্ক

মেনুয়েল ট্রেন্সমিশ্যন (1):
23 নিউট্রন মিটাৰ (2.3 কিলোগ্রাম ফ'ৰ্চ মিটাৰ, 17.0 পাউণ্ড ফ'ৰ্চ ফুট)

ৰিয়েৰ ডিফাৰেন্সিয়েল (1):
25 নিউট্রন মিটাৰ (2.5 কিলোগ্রাম ফ'ৰ্চ মিটাৰ, 18.5 পাউণ্ড ফ'ৰ্চ ফুট)

টোকাঃ
ৰিয়েৰ ডিফাৰেন্সিয়েলৰ বাবে সদায় এটা নতুন অইল ফিলাৰ আৰু লেভেল প্লাগ (1)।

⚠ সাবধানতা

বাহন চলোৱাৰ পাছত, গিয়েৰ অইলৰ উষ্ণতাই আপোনাৰ ছাল জ্বলাব পাৰে। গিয়েৰ অইলৰ স্তৰ পৰীক্ষা কৰাৰ আগতে হাতেৰে চুব পৰাকৈ অইল ফিলাৰ প্লাগ ঠাণ্ডা নোহোৱালৈকে ৰওক।

জাননী

প্লাগ টান কৰাৰ সময়ত, তলত দিয়া চিলিং উপাদান অথবা সমতূল্য উপাদান প্লাগৰ থ্ৰেডত দিয়ক যাতে তেলৰ লিকেজ প্ৰতিৰোধ কৰিবপৰা যায়।

মাৰুতি চুজুকি বণ্ড নংঃ "1216E" অথবা "1217G"

গিয়েৰ অইল সলনি

যিহেতু বিশেষ প্ৰক্ৰিয়া, সামগ্ৰী আৰু সঁজুলি আদি প্ৰয়োজন হয়, সেইকাৰণে এই কামটোৰ কাৰণে আপুনি প্ৰাধিকৃত মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰক বিশ্বাস কৰাৰ বাবে পৰামৰ্শ দিয়া হৈছে।

ক্লাটচ্ পেডেল

কেবল কণ্ট্ৰ'ল ক্লাটচ্

উদাহৰণ



54G274

ক্লাটচ্ পেডেল প্লে ''ঘ''
10 - 15 মি.মি. (0.4 - 0.6 ইঞ্চি)

আপোনাৰ হাতেৰে ক্লাটচ পেডেল লৰাই আৰু আপুনি সামান্য বাধা নোপোৱালৈকে যিমান দূৰলৈকে যাব পাৰি সেই দূৰত্ব জোখ কৰি লওক। ক্লাটচ পেডেলৰ প্লে নিৰ্দিষ্ট ভেল্যুৰ ভিতৰত থাকিব লাগিব। যদি প্লে কম বেছি পৰিমাণে ওপৰত দিয়া ধৰণৰ হয়, অথবা পেডেল সম্পুৰ্ণৰূপে ডিপ্ৰেছড হৈ থকা সময়ত ক্লাটচ ড্ৰেগিং অনুভৱ কৰা হয়, তেন্তে আপোনাৰ মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰত আপোনাৰ ক্লাটচ পৰীক্ষা কৰাওক।

ফিউল ফিল্টাৰ

উদাহৰণ



77PH089

ফিউল ফিল্টাৰে পানীৰ পৰিশোধক হিচাপে কাম কৰে।

পিৰিয়ডিক মেৰামতি সূচী অনুসৰি পানী নিগৰাওক। পানী নিগৰাবলৈঃ

1) ফিউল ফিল্টাৰ ড্ৰেইনন'জলৰ অধীনত এখন পেন বা এম্পল ৰেগ ৰাখক।
2) ড্ৰেইন স্ক্ৰু ঢিলা কৰক (1)। পানী নিগৰি যাব।
3) ডিজেল ফিউলৰ সৈতে পানী সলনি হোৱাৰ পিছত ড্ৰেইন স্ক্ৰু টান কৰক।

ড্ৰেইন স্ক্ৰু টাইটেনিং টৰ্ক
1.0 নিউট্ৰন মিটাৰ (0.10 কিলোগ্ৰাম ফ'ৰ্চ মিটাৰ, 0.74 পাউণ্ড ফ'ৰ্চ ফুট)

ব্ৰেকচ

ব্ৰেক ফ্লুইড

উদাহৰণ



77PM706

ইনষ্ট্ৰুমেণ্ট পেনেলৰ ৰিজাৰ্ভয়ৰ পেনেল চাই ব্ৰেক ফ্লুইডৰ স্তৰ পৰীক্ষা কৰক। ব্ৰেক ফ্লুইডৰ ৰিজাৰ্ভয়ৰৰ স্তৰ পৰীক্ষা কৰাৰ বাবে ষ্টিয়ে�ৰিং হুইলৰ সোঁফালৰ কভাৰ আঁতৰাওক। নিশ্চিত কৰক যাতে ফ্লুইডৰ স্তৰ "MAX" আৰু "MIN" ৰেখাৰ মাজতে থাকে। যদি ব্ৰেক ফ্লুইড স্তৰ "MIN" ৰেখাৰ ওচৰত থাকে, তেন্তে মাৰুতি জেনুইন ব্ৰেক ফ্লুইডৰে সেয়া "MAX" ৰেখালৈ সেয়া ভৰাওক।

⚠ সাবধান

তলত দিয়া নিৰ্দেশাৱলী অনুসৰণ কৰাত ব্যৰ্থ হ'লে ব্যক্তিগত আঘাত অথবা ব্ৰেক চিষ্টেমৰ গুৰুতৰ ক্ষতি হ'ব পাৰে।

- **যদি ৰিজাৰ্ভয়ৰৰ ব্ৰেক ফ্লুইড এটা নিৰ্দিষ্ট স্তৰৰ তললৈ নামি যায়, তেন্তে ইনষ্ট্ৰুমেণ্ট পেনেলত ব্ৰেক ৱাৰ্ণিং লাইট "ON" হ'ব (ইঞ্জিনটো পাৰ্কিং ব্ৰেক সম্পুৰ্ণৰূপে ডিচএংগেজ কৰাৰ পিছত চলি থাকিব লাগিব)। লাইট অন হোৱাৰ পিছত, মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰক ব্ৰেক চিষ্টেম পৰীক্ষা কৰাৰ বাবে তৎক্ষণাত সোধক।**
- **ফ্লুইড দ্ৰুত গতিত ক্ষৰণ হোৱা মানে ব্ৰেক চিষ্টেমত লিক হোৱাটো বুজায় যিটো মাৰুতি চুজুকি কমাৰ্চিয়েলত দেখুৱাই লোৱা উচিত।**
- **মাৰুতি জেনুইন ব্ৰেক ফ্লুইডতকৈ আন কোনো ফ্লুইড ব্যৱহাৰ নকৰিব। ৰিক্লেইমড ফ্লুইড অথবা যিটো ফ্লুইড পুৰণা বা খোলা পাত্ৰত আছে তেনে ফ্লুইড ব্যৱহাৰ নকৰিব। বাহিৰা উপাদান আৰু অইন তৰলবোৰ ব্ৰেক ফ্লুইড ৰিজাৰ্ভয়ৰপৰা আঁতৰাই ৰখাটো আৱশ্যকীয়।**

⚠ সাবধানতা

ব্ৰেক ফ্লুইডে আপোনাৰ চকু ক্ষতি কৰিব পাৰে আৰু ৰং দিয়া উপৰিভাগ বেয়া কৰিব পাৰে। ৰিজাৰ্ভয়ৰ ৰিফিল কৰাৰ সময়ত সাৱধানতা অৱলম্বন কৰক।

⚠ সাবধান

- **অত্যন্ত তপত হোৱা অৱস্থাত গাড়ী চলালে, ব্ৰেকিং সময় দীঘলীয়া হ'ব পাৰে আৰু পেডেল ফ'ৰ্চ বেছি লাগিব পাৰে।**

⚠ সাবধান

ব্ৰেক ফ্লুইড ক্ষতিকাৰক অথবা মাৰাত্মক যদিহে সেৱন কৰা যায়, আৰু ছাল অথবা চকুৰ সংস্পৰ্শলৈ আহিলে অপকাৰ কৰিব পাৰে। যদি সেৱন কৰা যায়, বমি কৰাৰ চেষ্টা নকৰিব। তৎক্ষণাত বিষ নিয়ন্ত্ৰণ কেন্দ্ৰ অথবা ফিজিচিয়ানক দেখা কৰক। যদি ব্ৰেক ফ্লুইড চকুত লাগে, তেন্তে পানীৰে চকু ধোৱক আৰু চিকিৎসা সাহায্য বিচাৰক। ব্যৱহাৰ কৰাৰ পিছত ভালদৰে ধোৱক। জন্তুৰ বাবে তৰল বিষাক্ত হ'ব পাৰে। শিশু আৰু জন্তুয়ে ঢুকি পোৱাৰপৰা আঁতৰত ৰাখক।

টোকাঃ

ডিস্ক ব্ৰেকৰ সৈতে, ব্ৰেক পেড ৰেৰৰ লগে লগে ফ্লুইডৰ স্তৰ নামি ক্ৰমান্বয়ে তল পৰে।

ব্ৰেক পেডেল

নিশ্চিত কৰক যাতে ব্ৰেক পেডেল স্বাভাৱিক উচ্চতাত ৰৈ যায় আৰু আপুনি হেঁচা প্ৰয়োগ কৰাৰ সময়ত আপুনি স্পঞ্জি অনুভৱ নকৰে। যদি নহয়, তেন্তে ব্ৰেক চিষ্টেম আপোনাৰ মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰৰ হতুৱাই পৰীক্ষা কৰাওক। যদি ব্ৰেক পেডেলৰ স্বাভাৱিক উচ্চতাক লৈ কিবা সন্দেহ থাকে, তেন্তে তলত দিয়াখিনি অনুসৰণ কৰকঃ



77PM701

পেডেলৰপৰা ফ্ৰণ্ট পেনেললৈ অতিকমেও "ক" ব্যৱধান ৰাখকঃ
180 মি.মি. (7.1 ইঞ্জি)

ইঞ্জিন চলি থকা অৱস্থাত, ব্ৰেক পেডেল আৰু ফ্ৰণ্ট পেনেলৰ মাজত দুৰত্বৰ জোখ লওক যেতিয়া পেডেল 30 কি.গ্ৰা. (66 এলবিএচ) ওজনেৰে হেঁচা দিয়া হয়। আৱশ্যকীয় নুন্যতম ব্যৱধান দিয়া হৈছে। যিহেতু আপোনাৰ বাহনৰ ব্ৰেক চিষ্টেম চেলফ–এডজাষ্টিং, সেয়ে পেডেল এডজাষ্টমেণ্টৰ প্ৰয়োজন নাই।

প্ৰয়োজনীয় ব্যৱধানতকৈ যদি পেডেল আৰু ফ্ৰণ্ট পেনেলৰ ব্যৱধান কম হয়, তেন্তে আপোনাৰ বাহনখন মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰৰদ্বাৰা পৰীক্ষা কৰাই লওক।

টোকাঃ
ব্ৰেক পেডেল আৰু ফ্ৰন্ট পেনেলৰ মাজত ব্যৱধান জোখাৰ সময়ত, নিশ্চিত কৰক যাতে আপোনাৰ ফ্ৰণ্ট পেনেলৰ জোখত যাতে ফ্লু'ৰ মেট বা ৰাবাৰ ধৰা নহয়।



উদাহৰণ

60G104S

⚠ সাবধান

যদি আপুনি আপোনাৰ বাহনৰ ব্ৰেক চিষ্টেমৰ সৈতে তলত দিয়া সমস্যা দেখা পায়, তেন্তে বাহনখন তৎক্ষণাত আপোনাৰ মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰৰ হতু�ৰাই পৰীক্ষা কৰাই লওক।
- **ব্ৰেকিঙৰ পুতৌলগা প্ৰদৰ্শন**
- **আনইভেন ব্ৰেকিং (সকলো চকাতে ব্ৰেকে ভালদৰে কাম নকৰা)**
- **অত্যাধিক পেডেল ট্ৰেভেল**
- **ব্ৰেক ড্ৰেগিং**
- **অত্যাধিক শব্দ কৰা**
- **পেডেল পালচেচন (পেডেল হেঁচাৰ সময়ত কঁপা)**

পার্কিং ব্রেক



উদাহৰণ

77PM702

ৰেটচেট টুথ স্পেচিফিকেশ্যন
7ম–9ম টিথ
লিভাৰ পুল ফ'ৰ্চ (1)ঃ
200 নিউট্রন (20 কিলোগ্ৰাম ফ'ৰ্চ, 44 পাউণ্ড ফ'ৰ্চ)

পার্কিং ব্রেক লিভাৰডাল লাহে লাহে সম্পূৰ্ণৰূপে টানি ধৰিলে ৰেটচেট টিথে কিমানসংখ্যক ক্লিক কৰে সেয়া গণনা কৰি সঠিক এডজাষ্টমেণ্টৰ বাবে পার্কিং ব্রেকৰ পৰীক্ষা কৰিব পাৰে। পার্কিং ব্রেক লিভাৰডাল নির্দিষ্ট ৰেটচেট টিথৰ মাজত ৰৈ যাব লাগে আৰু সমুখৰ চকা সুৰক্ষিতভাৱে লক হৈ যাব লাগে। যদিহে পার্কিং ব্রেক সঠিকভাৱে এডজাষ্ট কৰা নাযায় অথবা লিভাৰ সফলতাৰে এৰাৰ পিছতো ব্রেকাডাল চোঁচৰে, তেন্তে পার্কিং ব্রেক ভালদৰে পৰীক্ষা কৰোৱা উচিত অথবা আপোনাৰ মাৰুতি চুজুকি ডিলাৰৰ হতুৰাই এডজাষ্ট কৰাই লোৱা উচিত।

⚠ সাবধান

- **বাহন অভাৰলোড কৰি থ'লে পার্কিং ব্রেকে কাম নকৰিবও পাৰে। বাহন হ'ল্ড কৰাৰ বাবে অতিৰিক্ত চ'কচ ব্যৱহাৰ কৰক।**

ষ্টিয়েৰিং



77PH042

ষ্টিয়েৰিং হুইল প্লে "গ"ঃ
0 – 30 মি.মি. (0.0 – 1.2 ইঞ্চি)

ষ্টিয়েৰিং হুইলডাল কেন্দ্ৰৰপৰা সোঁৱে–বাওৱে ঘুৰাই আপুনি সামান্য বাধা অনুভৱ নকৰালৈকে দূৰত্ব জোখক। প্লে নির্দিষ্ট মানৰ ভিতৰত থকা উচিত।
চাওক যাতে মুকলি ঠাইত লাহে লাহে গাড়ী চলোৱা অৱস্থাত ষ্টিয়েৰিং হুইলডাল সোঁৱে–বাওবে সকলোফালে সহজে ঘূৰে আৰু মিহিকৈ ঘূৰে। যদি ফ্রী প্লে নির্দিষ্ট কৰি দিয়াতকৈ বেছি অথবা আপুনি কিবা বেয়া দেখিছে, তেন্তে আপোনাৰ মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰত সেয়া দেখুৱাই লোৱাটো জৰুৰী।

প্ৰপেলাৰ চেফট ইউনিভার্চেল জইণ্ট

ফ্ৰণ্ট



77PM703

ৰিয়েৰ



77PM704

চাৰ্ভিচৰ সূচীমতে প্ৰপেলাৰ চেফট ইউনিভার্চেল জইণ্ট (1) (ফ্ৰণ্ট আৰু ৰিয়েৰ) লুব্ৰিকেট কৰক।

প্ৰপেলাৰ চেফট ইউনিভার্চেল জইণ্ট লুব্ৰিকেট কৰাৰ বাবে, আপুনি গ্ৰীজ গান (2) আৰু নিৰ্দিষ্ট কৰা NLGI GRADE 2 ব্যৱহাৰ কৰিব লাগিব।

টায়াৰ

77PM705

টায়াৰ ইনফৰমেশ্বন লেবেলত আপোনাৰ বাহনৰ আগ-পিছৰ টায়াৰৰ বাবে বিশেষীকৰণবোৰ তালিকাবদ্ধ কৰা আছে। আগ আৰু পিছৰ আটাইকেইটা টায়াৰতে নিৰ্দিষ্ট কৰি দিয়া টাপ থাকিব লাগে।

মন কৰিব যে যদিহে কমপেক্ট স্পেয়াৰ টায়াৰ থাকে, তেন্তে সেই টায়াৰৰ সৈতে মান একে নহয়।

টায়াৰৰ পৰীক্ষণ

তলত দিয়া চেকচৰ জৰিয়তে আপোনাৰ বাহনৰ টায়াৰ মাহত অন্ততঃ এবাৰ হ'লেও পৰীক্ষা কৰকঃ

1) টায়াৰ প্ৰেছাৰ গজৰ যোগেদি এয়াৰ প্ৰেছাৰ পৰীক্ষা কৰক। প্ৰয়োজন সাপেক্ষে প্ৰেছাৰ এডজাষ্ট কৰক। স্পেয়াৰ টায়াৰৰো প্ৰেছাৰ পৰীক্ষা কৰিবলৈ নাপাহৰিব।

⚠ সাবধান

- **টায়াৰ ঠাণ্ডা হৈ থকা অৱস্থাতহে এয়াৰ প্ৰেছাৰ পৰীক্ষা কৰোৱা উচিত অথবা আপোনাৰ ৰিডিং সঠিক নহ'বও পাৰে।**
- **সময়ে সময়ে টায়াৰ ক্ৰমান্বয়ে ফুলিব দি ইনক্লেশ্চন প্ৰেছাৰ পৰীক্ষা কৰা উচিত, যেতিয়ালৈকে নিৰ্দিষ্ট প্ৰেছাৰ পোৱা নাযায়।**
- **টায়াৰ কেতিয়াও কমকৈ বা বেছিকৈ নুফুলাব।**
- **কমকৈ ফুলালে অস্বাভাৱিক চালন বৈশিষ্টই দেখা দিব পাৰে অথবা টায়াৰৰ বিডত ৰিম শ্লিপ কৰিব পাৰে, যাৰ ফলত দূৰ্ঘটনা ঘটিব পাৰে অথবা টায়াৰ বা ৰিমৰ ক্ষতি হ'ব পাৰে।**
- **অধিক ফুলাই দিয়াৰ ফলত টায়াৰ বিস্ফোৰণ ঘটিব পাৰে, যাৰ ফলত ব্যক্তিগত আঘাত পাব পাৰে। অধিক ফুলোৱাৰ ফলত অস্বাভাৱিক লক্ষণে দেখা দিব পাৰে যাৰ ফলত দূৰ্ঘটনা ঘটিব পাৰে।**

উদাহৰণ



52KM110

(1) ট্ৰেড ৰেৰ সূচাংক
(2) সূচাংকৰ স্থানাংকৰ চিহ্ন

2) পৰীক্ষা কৰক যাতে ট্ৰেড গ্ৰুভৰ গভীৰতা 1.6 মি.মি. তকৈ (0.06 ইঞ্চি) কম। আপুনি এয়া পৰীক্ষা কৰাত সহায় কৰাৰ বাবে, টায়াৰবোৰ গ্ৰুভত ট্ৰেড ৰেৰ ইণ্ডিকেটৰত ম'ল্ড কৰা হয়। যেতিয়া সূচাংকবোৰ ট্ৰেড চাৰফেচত ওলায়, বাকী থকা ট্ৰেডৰ গভীৰতা 1.6 মি.মি. (0.06 ইঞ্চি) অথবা তাতোকৈ কম হয় আৰু টায়াৰ সলাব পাৰি।
3) অস্বাভাৱিক উখহা, ফাঁট মেলা আৰু ক্ষতিৰ হৈছে নেকি সেয়া চাওক। ফাঁট বা অন্য ক্ষতিগ্ৰস্ত টায়াৰ সলোৱা উচিত। কোনো টায়াৰতে যদি অস্বাভাৱিক অৱস্থা দেখা যায়, তেন্তে সেয়া আপোনাৰ মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰত দেখুৱাই লওক।

⚠ সাবধানতা

ওখ ঠাইত খুন্দা খুওৱা আৰু শিলৰ ওপৰেৰে চলোৱাৰ ফলত টায়াৰ ক্ষতিগ্ৰস্ত হ'ব পাৰে আৰু চকাৰ এলাইনমেণ্টত প্ৰভাৰ পেলাব পাৰে। আপোনাৰ মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰত নিয়মিতভাৱে দেখুৱাই লোৱাটো নিশ্চিত কৰক।

4) চকাৰ নট সুলকি আছে নেকি সেয়া চাওক।
5) টায়াৰত যাতে কোনোধৰণৰ গজাল, শিল অথবা আন কোনো বস্তু লাগি থকা নাই সেয়া পৰীক্ষা কৰক।

⚠ সাবধান

- **আপোনাৰ বাহনখনত সকলোবোৰ একে আকৃতিৰ আৰু প্ৰকাৰৰ টায়াৰ দিয়া হৈছে। বাহনখন ভালদৰে ষ্টিয়েৰিং কৰা আৰু চলোৱাটো আৱশ্যকীয়। আপোনাৰ বাহনত কেতিয়াও বেলেগ বেলেগ আকাৰৰ অথবা ধৰণৰ টায়াৰ মিশ্ৰণ নকৰিব। ব্যৱহাৰ কৰা টায়াৰৰ আকাৰ আৰু প্ৰকাৰ মাৰুতি চুজুকি কমাৰ্চিয়েল ডিলাৰৰদ্বাৰা অনুমোদিত মানকৰ অথবা বিকল্প সঁজুলিহে ব্যৱহাৰ কৰা উচিত।**
- **আপোনাৰ বাহনৰ সৈতে থকা চকা আৰু টায়াৰ কেতবোৰ আফটাৰ মাৰ্কেট চকা আৰু টায়াৰৰ সংযোজনে আপোনাৰ বাহনৰ ষ্টিয়েৰিং আৰু চলোৱাৰ বৈশিষ্ট লক্ষণীয়ভাৱে সলনি কৰিব পাৰে।**
- **সেয়ে, মাৰুতি চুজুকি ৰদ্দাৰা মানক হিচাপে দিয়া অথবা বৈকল্পিক হিচাপত আপোনাৰ বাহনৰ বাবে চকা আৰু টায়াৰৰ যুটি ব্যৱহাৰ কৰক।**

জাননী

ভিন্ন আকাৰৰ টায়াৰৰ সৈতে অৰিজিনেল টায়াৰ সলালে অশুদ্ধ স্পীড'মিটাৰ অথবা অড'মিটাৰ ৰিডিং দেখাব পাৰে। মূল টায়াৰৰ সৈতে ভিন্ন আকাৰৰ ৰিপ্লেচমেণ্ট টায়াৰ ক্ৰয় কৰাৰ আগেয়ে আপোনাৰ মাৰুতি চুজুকি কমার্চিয়েল ডিলাৰৰ সৈতে যোগাযোগ কৰক।

টায়াৰৰ ঘূৰ্ণন

উদাহৰণ



80JK7001

আপোনাৰ টায়াৰ ফাটি-চিগি নোযোৱাকৈ দীঘলীয়া জীৱন দিওৱাৰ বাবে আৰু দীঘলীয়া জীবনৰ বাবে, বাখ্যা কৰা ধৰণে টায়াৰ ঘূৰাওক। প্ৰত্যেক 10000 কি.মি.ৰ মুৰে মুৰে টায়াৰ ঘূৰোৱা উচিত। ঘূৰোৱাৰ পিছত, আপোনাৰ বাহনৰ টায়াৰৰ তথ্যসম্বলিত লেবেল অনুযায়ী আগৰ-পিছৰ টায়াৰৰ প্ৰেছাৰ এডজাষ্ট কৰক।

চকাৰ বেলেঞ্চিং

যদি চকা মসৃণ ৰাস্তাটো অস্বাভাৱিকভাবে ঘূৰে, প্ৰাধিকৃত মাৰুতি চুজুকি কমার্চিয়েল ৰৰ্কশ্বপত চকা বেলেঞ্চিং কৰক।

চকাৰ এলাইনমেণ্ট

অস্বাভাৱিক টায়াৰ উখহা অথবা এফালে টনাধৰণৰ কৰিলে প্ৰাধিকৃত মাৰুতি চুজুকি কমার্চিয়েল ৰৰ্কশ্বপত চকা এলাইন কৰক।

বেটাৰি

⚠ সাবধান

- **বেটাৰিৰ সামগ্ৰীবোৰ জ্বলনশীল হাইড্ৰজেন গেছেৰে ভৰা। শিখা আৰু ফিৰিঙতিৰপৰা বেটাৰি আঁতৰাই ৰাখক অথবা বিস্ফোৰণ ঘটিব পাৰে। বেটাৰিৰ কাষত থাকোতে কেতিয়াও ধূম্ৰপান নকৰিব।**
- **যেতিয়া বেটাৰি পৰীক্ষা বা চার্ভিচিং কৰা হয়, নিগেটিভ কেবলডালৰ যোগাযোগ বিচ্ছিন্ন কৰি ৰাখক। বেটাৰি পষ্ট আৰু একে সময়তে বাহনৰ সৈতে সংস্পৰ্শলৈ আনি ধাতুৰ বস্তুৰদ্বাৰা চৰ্ট চার্কিট হোৱাৰপৰা সাৱধান থাকক।**
- **আপোনাৰ নিজৰ বা বাহনখনৰ বা বেটাৰীৰ ক্ষতি নহ'বলৈ, এই মেনুয়েলখনত থকা ''জৰুৰীকালীন সেৱা'' শিতানৰ জাম্প ষ্টার্টিং নির্দেশনা অনুসৰণ কৰক যদিহে আপোনাৰ বাহনখন জাম্প ষ্টার্ট কৰাটো আৱশ্যকীয় হয়।**

উদাহৰণ



54GM701

মেইনটেনেন্স–ফ্ৰী বেটাৰী (কেপ–লেচ প্ৰকাৰ) ৰ বাবে, আপুনি পানী যোগ দিব নালাগে। প্ৰচলিত বেটাৰীৰ বাবে, য'ত পানী ভৰোৱা কেপ থাকে, বেটাৰীৰ দ্ৰৱ উচ্চতম স্তৰৰ লাইন (1) আৰু নিম্নতম স্তৰৰ লাইনৰ (2) মাজত সকলো সময়তে ৰাখিব লাগিব। যদি এই স্তৰ তলৰ স্তৰৰ লাইন (2) তলত পোৱা যায়, তেন্তে উচ্চতম স্তৰৰ লাইন (1) নোপোৱালৈকে ডিষ্টিলড ৰাটাৰ পুৰাওক। আপুনি বেটাৰি, কেচ বেটাৰি টাৰ্মিনেল, আৰু ক্ষতি বা মামৰে ধৰা চাবলৈ বেটাৰি ধৰি ৰকা ব্ৰেকেট সময়ে সময়ে পৰীক্ষা কৰা উচিত। এডাল টান ব্ৰাছেৰে এমনিয়া বা বেকিং ছ'ডা মিশ্ৰিত পানীৰে মামৰ আঁতৰাওক। মামৰ আঁতৰোৱাৰ পিছত, চাফা পানীৰে ভালদৰে ধোৱক।

আপোনাৰ বাহন যদি এমাহ বা তাতোকৈ বেছি দিনৰ বাবে চলোৱা নহয়, বেটাৰিৰ নিগেটিভ মুৰটোৰপৰা তাঁৰডাল বিচ্ছিন্ন কৰি ৰাখক যাতে ডিচাৰ্জ নহয়।

ফিউজবোৰ

আপোনাৰ বাহনত তলত দিয়া তিনিধৰণৰ ফিউজ থাকেঃ

ফিউজেবল লিংক ৰায়াৰ আৰু মূল ফিউজ

মূল ফিউজটোৱে পোনপটীয়াকৈ বেটাৰীৰপৰা বিদ্যুত লয়।

প্ৰাথমিক ফিউজ

এই ফিউজবোৰ হৈছে মূল ফিউজ আৰু গাইগুটীয়া ফিউজৰ মাজৰ ফিউজ আৰু ইলেক্ট্ৰিকেল লোড গ্ৰুপৰ বাবে।

গাইগুটীয়া ফিউজ

এই ফিউজবোৰ গাইগুটীয়া ইলেক্ট্ৰিকেল বৰ্তনীৰ বাবে।

এটা ফিউজ আঁতৰোৱাৰ বাবে, ৰিলে বাকচত থকা ফিউজ পুলাৰ (1) ব্যৱহাৰ কৰক।

উদাহৰণ



77PM07012

ইঞ্জিন কম্পাৰ্টমেণ্টৰ ফিউজবোৰ



77PH076



77PH077

মূল ফিউজ / প্ৰাথমিক ফিউজ / ৰিলে		
ক্ৰমিক নং	ৰেটিং	ফিউজ / ৰিলে
(1)	–	এচটি (ষ্টাৰ্টিং মটৰ ৰিলে)
(2)	–	আৰডিটিআৰ (ৰেডিয়েশ্বন ফেন ৰিলে)
(3)	–	গ্ল’ 2 (গ্ল’ প্লাগ 2 ৰিলে)
(4)	–	এপ/পি (ফিউল পাম্প ৰিলে)
(5)	20A	এপ/পি (ফিউল পাম্প)
(6)	30A	এফ আই (ফিউল ইনজেক্টৰ)
(7)	30A	এচটি (ষ্টাৰ্টিং মটৰ)
(8)	15A	হৰ্ণ/হেজার্ড
(9)	70A	অল্ট (অলটাৰনেটৰ)
(10)	20A	গ্ল’ প্লাগ
(11)	20A	গ্ল’ প্লাগ 2
(12)	40A	বেটাৰি
(13)	40A	আইজিএন (ইগনিশ্বন চুইটচ)
(14)	30A	আৰডিটিআৰ (ৰেডিয়েটৰ ফেন)
(15)	–	গ্ল’ প্লাগ ৰিলে
(16)	–	ব্লেংক
(17)	–	ব্লেংক
(18)	–	ফিউল ইনজেক্টৰ মেইন ৰিলে
(19)	15A	এফI2 (ফিউল ইনজেক্টৰ 2)
(20)	20A	ইনজে ডিআৰভি (ইনজেক্সন ড্ৰাইভাৰ)

মূল ফিউজ, প্ৰাথমিক ফিউজ আৰু কেতবোৰ গাইগুটীয়া ফিউজ ইঞ্জিন কম্পাৰ্টমেণ্টতে থাকে। যদি মূল ফিউজটো উৰে, তেন্তে কোনো ইলেক্ট্ৰিকেল উপাদানে কাম নকৰে। যদি এটা প্ৰাথমিক ফিউজ উৰে, তেন্তে যোগসুত্ৰ থকা কোনো এটা বিশেষ লোড গ্ৰুপে কাম নকৰে। মূল ফিউজ, প্ৰাথমিক ফিউজ অথবা এটা গাইগুটীয়া ফিউজ সলাওতে মাৰুতি জেনুইন ৰিপ্লেচমেণ্টহে ব্যৱহাৰ কৰক। এটা ফিউজ আঁতৰোৱাৰ বাবে, ফিউজ পুলাৰ (1) ব্যৱহাৰ কৰক যিটো ৰিলে বাকচত পাব। প্ৰত্যেকটো ফিউজৰে এম্পাৰেজ ফিউজ বাকচতে দেখুওৱা হৈছে।

উদাহৰণ

60G111

⚠ সাবধান

যদি এটা মূল ফিউজ অথবা প্ৰাথমিক ফিউজ উৰে, তেন্তে আপোনাৰ বাহনখন প্ৰাধিকৃত মাৰুতি চুজুকি কমাৰ্চিয়েল ৰ্বকশ্বপত পৰীক্ষাকৃত কৰোৱাটো নিশ্চিত কৰক। সদায় মাৰুতি জেনুইন ৰিপ্লেচমেণ্ট অংশ ব্যৱহাৰ কৰক। অস্থায়ী মেৰামতিৰ বাবে কেতিয়াও তাঁৰ আদি ব্যৱহাৰ নকৰিব, অন্যতাই অত্যাধিক বৈদ্যুতিক ক্ষতিসাধন / অগ্নিকাণ্ড ঘটিব পাৰে।

টোকাঃ
নিশ্চিত কৰক যাতে ফিউজ বাকচত সদায় স্পেয়াৰ ফিউজ আৰু ফিউজ পুলাৰ থাকে।

ডেশ্ব ব’ৰ্ডত ফিউজ

উদাহৰণ



77PH048



77PH049

মূল ফিউজ / প্ৰাথমিক ফিউজ		
(1)	10A	হেডলাইট (সোঁ)
(2)	10A	হেডলাইট (বাও)
(3)	10A	টেইল লাইট
(4)	10A	ষ্টপ লাইট
(5)	15A	ৰেডিঅ'/ ড'ম
(6)	10A	এচটি এচআইজি
(7)	10A	মিটাৰ
(8)	10A	আইজি1
(9)	10A	ৰেক-আপ লাইট
(10)	15A	ৰাইপাৰ
(11)	15A	এক্সেছৰি

ফিউজ বাকচটো ডেশ্বৰ'ৰ্ডৰ তলত থাকে।

উদাহৰণ



65D046

⚠ সাবধান

এটা উৰা ফিউজ সঠিক এম্পাৰেজৰ ফিউজেৰে সলোৱাটো নিশ্চিত কৰক। এটা উৰা ফিউজ সলাবলৈ কেতিয়াও এলুমিনিয়ামৰ তাঁৰ অথবা তাঁৰ আদি ব্যৱহাৰ নকৰিব। আপুনি যদি সলোৱাৰ কম সময়ৰ ভিতৰতে দ্বিতীয়টোও উৰে, তেন্তে আপোনাৰ গুৰুতৰ বৈদ্যুতিক সমস্যা থাকিব পাৰে। আপোনাৰ প্ৰাধিকৃত মাৰুতি চুজুকি কমাৰ্চিয়েল ৰ্বৰশ্বপত আপোনাৰ বাহন পৰীক্ষা কৰাওক।

বাল্ব সলনি

⚠ সাবধানতা

- **বন্ধ কৰাৰ ঠিক পিছতে লাইটৰ বাল্ব গৰম হৈ থকা বাবে আপোনাৰ হাত পুৰিব পাৰে। এয়া বিশেষকৈ হেল'জেন হেডলাইট বাল্বৰ ক্ষেত্ৰত খাটে। ভালদৰে ঠাণ্ডা হোৱাৰ পিছতহে বাল্ব সলাওক।**
- **হেডলাইট বাল্বত প্ৰেছাৰাইজড হেল'জেন গেছ থাকে। সেয়া বিস্ফোৰণ ঘটিব পাৰে আৰু খুণ্ডা মাৰিলে বা পেলালে আপোনাক আঘাত কৰিব পাৰে। সেয়া সাৱধানতাৰে কৰক।**

জাননী

আপোনাৰ ছালৰ তেলে এটা হেল'জেন বাল্ব উত্তপ্ত কৰি তুলিব পাৰে আৰু লাইট অন কৰাৰ পিছত বিস্ফোৰণ ঘটিব পাৰে। নতুন বাল্ব চাফা কাপোৰ এখনেৰে ধৰক।

জাননী

সঘনাই বাল্ব সলাই থকাটোয়ে বৈদ্যুতিক ব্যৱস্থাটোত কিবা বিজুতি থকাটোয়ে বুজায়। এয়া প্ৰাধিকৃত মাৰুতি চুজুকি কমাৰ্চিয়েল ৰ্বৰশ্বপত কৰাই লোৱা উচিত।

হেডলাইটচ



77PH050

1) স্ক্ৰু আঁতৰাওক (1) আৰু এয়াৰ ইনলেট বক্স আঁতৰাওক (2)।



77PH051

2) কাপলাৰ (3) ৰ সংযোগ বিচ্ছিন্ন কৰক। চিলিং ৰাবাৰ আঁতৰাওক (4)।



77PH052

3) ৰিটেইনিং স্প্ৰীং (5) আগফালে ঠেলক আৰু সেয়া আনলক কৰক। তাৰপিছত বাল্বটো (6) আঁতৰাওক। আঁতৰোৱাৰ বিপৰীত পদক্ষেপত নতুন বাল্ব লগাওক।

ফ্ৰণ্ট টাৰ্ণ চিগনেল লাইট

ফ্ৰণ্ট পজিশ্যন লাইট

বিশেষ পদ্ধতিৰ প্ৰয়োজন হোৱা হেতুকে আমি আপোনাৰ বাহনখন প্ৰাধিকৃত মাৰুতি চুজুকি কমাৰ্চিয়েল ৰ্বকশ্বপলৈ বাল্ব সলোৱাৰ বাবে লৈ যোৱাৰ বাবে পৰামৰ্শ দিয়া হৈছে।

ৰিয়েৰ কম্বিনেশ্যন লাইট



77PH055

1) স্ক্ৰু আঁতৰাওক (1) আৰু কভাৰ আঁতৰাওক (2)।



77PH056



76MH0A123

(6) আঁতৰোৱা
(7) লগাওক

2) টর্ণ চিগনেল লাইট (3), টেইল ব্রেক লাইট (4) অথবা বিভাৰ্চিং লাইট (5) বাল্ব হ'ল্ডাৰ আঁতৰোৱাৰ বাবে বাল্বটো ভিতৰলৈ ঠেলক আৰু ইয়াক ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত ঘূৰাওক। নতুন বাল্ব লগোৱাৰ বাবে, সেয়া ভিতৰলৈ ঠেলক আৰু সেয়া ঘড়ীৰ কাঁটাৰ দিশত ঘূৰাওক।

লাইচেন্স প্লেট লাইট



77PH066

1) স্ক্রু আঁতৰাওক (1) আৰু কভাৰ আঁতৰাওক (2)।



77PH063

(4) আঁতৰোৱা
(5) লগাওক

2) লাইচেন্স প্লেটৰ লাইট (3) আঁতৰোৱাৰ বা লগোৱাৰ বাবে, সহজেই টানি উলিয়াওক বা বাল্বটো ভিতৰলৈ ঠেলক।

ইণ্টেৰিয়ৰ লাইট

দেখুওৱা ধৰণে এখন কোমল কাপোৰেৰে মেৰিয়াই এখন চেপেটা ব্লেড স্ক্রুড্রাইভাৰেৰে লেন্স আঁতৰাওক। সেয়া লগোৱাৰ বাবে, সহজেই সেয়া ঠেলি লগাওক।



77PH057

ৱাইপাৰ ব্লেড

82DY06

ৱাইপাৰ ব্লেড যদি ঠুনুকা অথবা ক্ষতিগ্রস্ত হয়, অথবা চাফা কৰোতে আঁচ পৰে, তেন্তে ৱাইপাৰ ব্লেড সলাওক।

নতুন ৱাইপাৰ ব্লেড লগাওতে, তলত দিয়া প্রক্রিয়া অনুসৰণ কৰক।

জাননী
আইনা ভঙা বা আঁচোৰ পৰাৰপৰা বাচিবৰ বাবে, ৱাইপাৰ সলোৱাৰ সময়ত সেই ৱাইপাৰৰ বাহুৰে আইনাৰ সৈতে খুন্দা নলগাব।

টোকাঃ
কেতবোৰ ৱাইপাৰ ব্লেড ইয়াত দেখুৱাবোৰতকৈ বেলেগ হ'ব পাৰে সেয়া বাহনৰ বিশেষত্ববোৰৰ ওপৰত নিৰ্ভৰ কৰিব। সেয়ে, আপোনাৰ প্ৰাধিকৃত মাৰুতি চুজুকি কমাৰ্চিয়েল ৰৰ্কশ্বপত সঠিক ৰিপ্লেচমেণ্ট পদ্ধতিৰ বাবে পৰামৰ্শ কৰক।

ৱাইণ্ডশ্বিল্ড ৱাইপাৰৰ বাবেঃ



70G119

1) ৱাইণ্ডশ্বিল্ডৰপৰা ৱাইপাৰ আৰ্ম আঁতৰাই ধৰক।



54G130

2) ৱাইপাৰ আৰ্মৰ দিশত (1) লকটো (2) হেঁচক আৰু আৰ্মৰপৰা দেখুওৱা ধৰণে ৱাইপাৰ ফ্ৰেম আঁতৰাওক।
3) ৱাইপাৰ ব্লেডৰ লকড এণ্ড আনলক কৰক আৰু দেখুওৱা ধৰণে লেডখন শ্লাইড কৰক।

আঁতৰোৱা



60A260

লগোৱা



54G132

(1) লকড এণ্ড



68PH00754

(3) ৰিটেইনাৰ

4) যদি নতুন ব্লেডখন দুডাল মেটেল ৰিটেইনাৰৰ সৈতে দিয়া হৈছে, তেন্তে সেয়া পুৰণা ব্লেডৰপৰা নতুন ব্লেডলৈ আনক।



60MH071



60MH072

(ক) ওপৰলৈ
(খ) তললৈ

টোকাঃ
আপুনি যেতিয়া মেটেল ৰিটেইনাৰ (3) লগাব, নিশ্চিত কৰক যাতে মেটেল ৰিটেইনাৰৰ দিশ ছৰিত দেখুওৱা ধৰণৰ হয়।

5) আঁতৰোৱাৰ ঠিক বিপৰীত ঢাপে ঢাপে নতুন ব্লেড লগাওক, য'ত লক এণ্ড পজিশ্যনটো ৰাইপাৰ আৰ্মৰ দিশত থাকে।
   নিশ্চিত কৰক যাতে ব্লেডখন ভালদৰে হুক লগোৱা আছে। ব্লেড এণ্ড সঠিক স্থানত লগাওক।
6) ৰাইপাৰ ফ্ৰেমটো আৰ্মত লগাওক, নিশ্চিত কৰক যাতে লক লিভাৰটো আৰ্মৰ সৈতে ভালদৰে লাগি থাকে।

ৰিগুচিল্ড ৰাশ্চাৰ ফ্লুইড (যদি সঁজুলি আছে)



77PM07027

চকুৰে চাওক যাতে টেংকত ৰাশ্চাৰ ফ্লুইড আছে। প্ৰয়োজন হ'লে সেয়া ভৰাই লওক। ভাল গুণসম্পন্ন ৰিগুচিল্ড ৰাশ্চাৰ ফ্লুইড ব্যৱহাৰ কৰক, সেয়া পানীৰে আৱশ্যক অনুসাৰে লঘু কৰক।

⚠ সাবধান

ৰিগুচিল্ড বাশ্চাৰ ৰিজাৰ্ভাৰত ৰেডিএটৰ এণ্টিফ্ৰীজ ব্যৱহাৰ নকৰিব। ৰিগুচিল্ডত ছটিয়ালে ই দেখা পোৱাত বাৰুকৈয়ে অসুবিধাৰ সৃষ্টি হ'ব পাৰে, আৰু আপোনাৰ বাহনৰ ৰঙৰো ই ক্ষতি কৰিব পাৰে।

জাননী

বাশ্চাৰ টেংকত ফ্লুইড নথকাকৈ বাশ্চাৰ মটৰ চলালে ক্ষতি হ'ব পাৰে।

জৰুৰীকালীন সেৱা

টায়াৰ সলোৱা সৰঞ্জাম 8-1
জেক ব্যৱহাৰ সম্পৰ্কীয় নিৰ্দেশাৱলী 8-2
চকা সলাওতে..... 8-5
জাম্প ষ্টাৰ্টিঙৰ নিৰ্দেশাৱলী..... 8-5
টনা বিষয়ে..... 8-7
যদি ষ্টাৰ্টাৰে সঠিকভাৱে কাম নকৰে 8-7
যদি ইঞ্জিনত অধিক ইন্ধন প্লাৱিত হয়..... 8-7
যদি ইঞ্জিন অধিক গৰম হয় 8-8
আঘাতৰ দ্বাৰা হোৱা আণ্ডাৰবডীৰ সমস্যা 8-8
ৱাৰ্ণিং ট্ৰায়াংগেল..... 8-9

টায়াৰ সলোৱা সৰঞ্জাম



77PH202

(1) জেক
(2) হুইল বেচ
(3) জেক হেণ্ডেল
(4) স্পেনাৰ

টায়াৰ সলোৱা সৰঞ্জামবোৰ ড্ৰাইভাৰৰ চিটৰ পাছফালে জাপি ৰখা থাকে।
জেক বাহিৰ উলিয়াবলৈ হ'লে ডিলামাৰিডাল ঘড়ীৰ কাঁটাৰ বিপৰীতে ঘূৰাই বাহিৰলৈ আনক। জেক জাপিবলৈ হ'লে ষ্ট'ৰেজ ব্ৰেকেটত ৰাখি ডিলামাৰি ঘড়ীৰ কাঁটাৰ দিশত ঘূৰাওক আৰু সুৰক্ষিতভাৱে জেকটো ৰাখক।

অতিৰিক্ত টায়াৰ বেডৰ তলত ৰখা থাকে।
অতিৰিক্ত টায়াৰ উলিয়াবলৈ হ'লেঃ



77PH099

1) টায়াৰটো ধৰি ৰখা নট ঢিলা কৰক (1)।
2) অতিৰিক্ত টায়াৰ ধৰি ৰখাডাল আনহুক কৰি লাহে লাহে তললৈ আনক।
3) অতিৰিক্ত টায়াৰৰ কেন্দ্ৰত থকা স্ক্ৰুটো খোলক আৰু টায়াৰটো খোলক।

⚠ সাবধান

টায়াৰটো সলোৱা কামত ব্যৱহাৰ হোৱা সঁজুলিবোৰ কাম কৰি সুৰক্ষিতভাৱে জাপি ৰাখক। নতুবা যদি হঠাৎ দুৰ্ঘটনা হয় সেইবোৰে আঘাত অধিক কৰিব পাৰে।

⚠ সাবধানতা

চকা সলাবলৈ কেবল জেকৰ ব্যৱহাৰ কৰিব। জেক ব্যৱহাৰ কৰাৰ পূৰ্বে জেকিং নিৰ্দেশাৱলীবোৰ ভালদৰে পঢ়াটো প্ৰয়োজনীয়।

জেক ব্যৱহাৰ সম্পৰ্কীয় নিৰ্দেশাৱলী

উদাহৰণ



77PH054

1) সমান আৰু টান মাটিত গাড়ীখন ৰাখক।
2) পাৰ্কিং ব্ৰেক দৃঢ়ভাৱে লগাওক আৰু “R” (ৰিভাৰ্ছ) লৈ নিয়ক।

⚠ সাবধান

- **গাড়ীত জেক লগাওতে আকৌ “R” (ৰিভাৰ্ছ) লৈ নিয়াটো নিশ্চিত কৰি লওক।**
- **গাড়ীৰ সঞ্চাৰণ শক্তি “N” (নিউট্ৰেল) ত ৰাখি কেতিয়াও জেক নলগাব। নতুবা অস্থিৰ জেকে দুৰ্ঘটনা সংঘটিত কৰাব পাৰে।**

3) ট্ৰেফিকৰ কাষত আপোনাৰ গাড়ী ৰখালে বিপদৰ সংকেত লাইট জলাই ৰাখক।
4) চকা সলনি কৰাৰ বিপৰীত চকাৰ আগ আৰু পাছত প্ৰতিবন্ধক দি ৰাখক।
5) জেক পিচলাৰ সাৱধানতা হিচাপে বৰ্ণনা কৰা অনুসৰি চকা খোলাৰ কাষতে অতিৰিক্ত চকাটো ৰাখক।



77PH802

উদাহৰণ



54G253

ফ্ৰণ্ট জেকিং পইণ্ট

উদাহৰণ



77PH084

ৰিয়েৰ জেকিং পইণ্ট

উদাহৰণ



77PH106

উদাহৰণ



77PS052

6) জেক উলম্বভাৱে ৰাখক আৰু জেকৰ হেণ্ডেল ঘড়ীৰ কাঁটাৰ দিশত ঘূৰাই জেকৰ হেড গ্ৰুভ বাৰত আৰু জেকিং বাৰ বাহনৰ তলত গৈ সঠিকভাৱে নলগালৈকে জেক উঠাই থাকক। উদাহৰণলৈ লক্ষ্য কৰক।

7) টায়াৰ মাটিৰপৰা দাং নোখোৱালৈকে লাহে লাহে আৰু কোমলতাৰে জেকটো ঘূৰাই দাঙি থাকক। প্ৰয়োজনতকৈ গাড়ী অধিক নাদাঙিব।

⚠ সাবধান

- **চকা সলাবৰ বাবে টান আৰু সমান মাটিতহে জেক ব্যৱহাৰ কৰিব।**
- **হেলনীয়া ঠাঁইত গাড়ী ৰাখি কেতিয়াও জেক নলগাব।**
- **সলনি কৰিবলগা চকাটোৰ কাষত নিৰ্দিষ্ট কৰা জেকিং পইণ্টৰ (উদাহৰণত দেখুওৱাৰ দৰে) বাদে আন ঠাঁইত কেতিয়াও জেক নলগাব।**
- **জেকৰ সহায়ত দাঙি ৰখা অৱস্থাত গাড়ীৰ তলৈলে কেতিয়াও নোসোমাব।**
- **জেকৰ সহায়ত ৰখাই থোৱা গাড়ীৰ ইঞ্জিন কেতিয়াও নচলাব আৰু গাড়ীতো কোনো যাত্ৰীক নাৰাখিব।**

গেৰেজ জেকেৰে গাড়ীখন উঠাওক

- তলত দিয়া পইণ্টতহে গেৰেজ জেক লগাওক।
- উঠাই ৰখা গাড়ী সদায় তলত দিয়া পইণ্ট অনুসাৰে (বাণিজ্যিকভাৱে উপলব্ধ) জেক ষ্টেণ্ডৰ সহায়তহে ৰাখিব।

গেৰেজ জেকৰ বাবে ফ্ৰণ্ট জেকিং পইণ্ট (1)



77PH060

গেৰেজ জেকৰ বাবে ৰিয়েৰ জেকিং পইণ্ট (2)



77PH101

জেকৰ ষ্টেণ্ডৰ বাবে এপ্লিকেশ্যন পইণ্ট (3) অথবা দুটা স্তম্ভৰ লিফট



77PS055 (2)

জাননী

- **ধোঁৱা নিৰ্গত নলাত কেতিয়াও গেৰেজ জেক নলগাব।**
- **যেতিয়া জেক ষ্টেণ্ড অথবা দুই স্তম্ভৰ লিফট ব্যৱহাৰ কৰিব তেতিয়া পাছফালৰ এপ্লিকেশ্যন পইণ্টে ইয়াক আৱৰি ৰখা অংশ যেনে পার্কিং কেবোল নাইবা ইন্ধনৰ টেংকৰ হাকোটা আদিত যাতে বাধা নিদিয়ে তাৰ প্ৰতি সাৱধান হ'ব।**

টোকাঃ
অধিক জানিবৰ বাবে অনুগ্ৰহ কৰি স্বীকৃতিপ্ৰাপ্ত মাৰুতী চুজুকী কমাৰ্চিয়েল ডিলাৰৰ সৈতে যোগাযোগ কৰক।

চকা সলাওতে

চকা সলাবলৈ নিম্নলিখিত কার্যপ্রণালী মানি চলকঃ

1) গাড়ীৰ পৰা সকলোবোৰ বস্তু আৰু যান্ত্রীক নমাই লওক।
2) জেক, আন সঁজুলি আৰু অতিৰিক্ত চকা গাড়ীৰ পৰা নমাই লওক।
3) চকাৰ নট ঢিলা কৰক কিন্তু সম্পুর্ণৰূপে নুখুলিব।
4) গাড়ীৰ জেক উঠাওক।
5) চকা আৰু চকাৰ নট খোলক।
6) নতুন চকা লগোৱাৰ পূৰ্বে চকাটোৰ চাৰিওফালে লাগি থকা ধূলি, বোকা আদি কাপোৰেৰে আঁতৰাই লওক আৰু চকাৰ কেন্দ্রবিন্দু চাফা কাপোৰেৰে চাফা কৰক; সেইবোৰে চলাওতে সমস্যাৰ সৃষ্টি কৰিব।
7) নতুন চকাটো লগাওক আৰু চকাৰ নটবোৰৰ শংকু আকাৰটো চকাটোৰ ফালে দি লগাওক। ইয়াৰ পাছত চকাটো সঠিক ঠাইত নলগালৈকে প্রত্যেকটো নট নিয়াৰিকৈ টান কৰক।



54G116

চকাৰ নট টান কৰাৰ টর্ক
100 নিউট্রন মিটাৰ (10.2 কিলোগ্রাম ফ'চ মিটাৰ, 73.8 পাউণ্ড ফ'চ ফুট)

8) উদাহৰণত দেখুওৱা ধৰণে জেক তললৈ নমাওক, ৰেঞ্চৰ সহায়ত ক্রিচক্রচ ফেশ্বনত নটকেইটা ভালদৰে টান কৰক।

⚠ সাবধান

চকা সলোৱাৰ পাছত যিমান পাৰি সোনকালে নির্দিষ্ট কৰি দিয়া টর্ক দি নটকেইটা টান কৰিব লাগে। অসঠিক টর্কৰ নট আৰু ভালদৰে টান নকৰা নট সুলকি পৰাৰ সম্ভাৱনা থাকে, যিটোৰ ফলাফল হ'ব পাৰে দুর্ঘটনা। যদি আপোনাৰ নট টান কৰা ৰেঞ্চ নাই তেনেহ'লে কাষৰ স্বীকৃতিপ্রাপ্ত মাৰুতী চুজুকী ডিলাৰত নি পৰীক্ষা কৰাওক।

জাম্প ষ্টার্টিঙৰ নির্দেশাৱলী

⚠ সাবধান

- **যদি আপোনাৰ গাড়ীৰ বেটাৰী নিষ্ক্রিয় হয়, জাম্প ষ্টার্টিঙৰ যত্ন নকৰিব। এনে পৰিস্থিতিত জাম্প ষ্টার্টিহৰ বাবে যত্ন কৰিলে বেটাৰীৰ বিস্ফোৰণ ঘটিব পাৰে।**
- **যেতিয়া লিড জাম্প কানেক্সন কৰিব তেতিয়া আপোনাৰ হাত আৰু জাম্প লিড পুলি, বেল্ট অথবা ফেনৰপৰা আঁতৰত থকাটো নিশ্চিত কৰক।**
- **বেটাৰী নির্মাণৰ বস্তুবোৰ জ্বলনযুক্ত হাইড্রজেন গেছেৰে বনোৱা হয়। সেয়েহে জুই অথবা ফিৰিঙতি আদিৰ পৰা ইয়াক আঁতৰত ৰাখক। নতুবা বিস্ফোৰণ হ'ব পাৰে। বেটাৰীৰ ওচৰত কেতিয়াও ধুমপান নকৰিব।**
- **জাম্প ষ্টার্টিঙৰ বাবে বুষ্টাৰ হিচাপে আন গাড়ীৰ বেটাৰী হিচাপে আন গাড়ীৰ বেটাৰী সংযোগ কৰে তেতিয়া দুয়োখন গাড়ীৰ মাজত দূৰত্ব ৰখাটো নিশ্চিত কৰক।**
- **কোনো স্পষ্ট কাৰণ নোহোৱাকৈ যদি আপোনাৰ গাড়ীৰ বেটাৰী সঘনাই চার্জ নোহোৱা হয়, তেতিয়া স্বীকৃতিপ্রাপ্ত মাৰুতী চুজুকী কমার্চিয়েল ডিলাৰত গৈ পৰীক্ষা কৰক।**
- **আপোনাৰ লগতে গাড়ীৰ ক্ষতি এৰাই চলিবলৈ হ'লে জাম্প ষ্টার্টিঙৰ বাবে তলত দিয়া নির্দেশাৱলী মানি চলক।**
  যদি আপোনাৰ সন্দেহ আছে তেতিয়াহ'লে যোগ্য ৰোড চার্ভিচক মাতক।

জাননী

টানি অথবা ঠেলি আপোনাৰ গাড়ী ষ্টাৰ্ট কৰিবলৈ যত্ন নকৰিব। এই পদ্ধতিত আপোনাৰ গাড়ীৰ কেটালাইটিক কনভাৰ্টাৰৰ স্থায়ী ক্ষতি হ'ব পাৰে। এটা কমজোৰী নাইবা সমপৰ্যায়ৰ বেটাৰীৰে জাম্প লিড ব্যৱহাৰ কৰি গাড়ী ষ্টাৰ্ট কৰক।

আপোনাৰ গাড়ীৰ জাম্প ষ্টাৰ্টিং কৰিবলৈ হ'লে তলৰ পদ্ধতি মানি চলকঃ

1) আপোনাৰ গাড়ীখন জাম্প ষ্টাৰ্টিঙৰ বাবে কেৱল 12 ভ'ল্ট বেটাৰী ব্যৱহাৰ কৰক। দুয়োটা বেটাৰীত জাম্প লীড পোৱাকৈ এটা ভাল ভ'ল্টৰ বেটাৰী আপোনাৰ গাড়ীৰ কাষত ৰাখক। আন এখন গাড়ীত লগাই ৰখা বেটাৰী ব্যৱহাৰ কৰা সময়ত দুয়োখন গাড়ীৰ মাজত ব্যৱধান ৰাখক। দুয়োখন গাড়ীত পার্কিং ব্ৰেক সম্পুৰ্ণৰূপে লগাই ৰাখক।
2) সুৰক্ষাৰ বাবে প্ৰয়োজনীয়বোৰৰ বাদে (যেনে হেডলাইট, বিপদ সংকেত লাইট) গাড়ীৰ সকলোবোৰ এক্সেছৰী বন্ধ ৰাখক।



77PS056

3) তলত দিয়া ধৰণে জাম্প লিড সংযোগ কৰকঃ
   1. প্ৰথম জাম্প লিডৰ এটা মূৰ ফ্লেট বেটাৰীৰ (1) ৰ পজিটিভ (+) দিশত সংযোগ কৰক।
   2. আনটো দিশত বুষ্টাৰ বেটাৰী (2) ৰ পজিটিভ (+) দিশত সংযোগ কৰক।
   3. দ্বিতীয় জাম্প লিডৰ এটা মূৰ বুষ্টাৰ বেটাৰী (2) ৰ (–) দিশত সংযোগ কৰক।
   4. ফ্লেট বেটাৰীৰ (1) ৰ সৈতে ৰং নকৰা হেভী মেটেল পার্টেৰে (যেনে দোৱাৰৰ লেটচ ষ্টিকাৰ (3)) গাড়ীখনৰ লগত চুডান্ত সংযোগটো কৰক।

⚠ সাবধান

জাম্প লিড বেটাৰীৰ সৈতে চার্জ নোহোৱা বেটাৰীটোৰ (–) মূৰৰ সৈতে কেতিয়াও সংযোগ নকৰিব।

4) যদি আপুনি ব্যৱহাৰ কৰা বুষ্টাৰ বেটাৰীটো আন গাড়ীৰ বাবে উপযুক্ত হয়, বুষ্টাৰৰ বেটাৰীৰে গাড়ীখন ষ্টাৰ্ট কৰক। ইঞ্জিনটো মধ্যমীয়া গতিত চলাওক।
5) ফ্লেট বেটাৰীৰে গাড়ীখনৰ ইঞ্জিনটো ষ্টাৰ্ট কৰক।
6) আপুনি যেনেদৰে জাম্প লিড লগাইছিলে ঠিক তেনেদৰে খোলক।

টনা বিষয়ে

যদি আপোনাৰ গাড়ীখন টানিবলগা হয়, তেনেহ'লে এজন বিশেষজ্ঞৰ কাষ চাপক। আপোনাৰ ডিলাৰে টনাৰ সম্পৰ্কে সবিশেষ পৰামৰ্শ দিব পাৰিব।

জাননী
টনাৰ সময়ত কোনোধৰণৰ ক্ষতি এৰাই চলিবলৈ হ'লে সঠিক সঁজুলি আৰু টনাৰ পদ্ধতিহে ব্যৱহাৰ কৰক।

2 হুইল ড্ৰাইভ (2 ডব্লিউ ডি) মেনুৱেল ট্ৰান্সমিশ্যন

মেনুৱেল ট্ৰান্সমিশ্যন গাড়ী নিম্নলিখিত পদ্ধতি ব্যৱহাৰ কৰি টনা হয়।

1) আগফালৰ পৰা টানিবলৈ, আগৰ চকা দুটা দাঙি পাছফালৰ দুটা মাটিত ৰাখক। টনাৰ পূৰ্বে ট্ৰান্সমিশ্যন নিউট্ৰেল আৰু পার্কিং ব্ৰেক মুক্ত অৱস্থাত থকাটো নিশ্চিত কৰি লওক।
2) পাছফালৰ পৰা টানিবলৈ পাছৰ চকাদুটা দাঙি আগফালৰ দুটা মাটিত ৰাখক। টনাৰ পূৰ্বে ষ্টিয়েৰিং হুইল আনলক (ইগনিশ্বন চাবি “ACC” স্থিতিত থাকিব) কৰক আৰু টনাৰ বাবে বিশেষভাৱে বনোৱা ক্লেম্পিং ডিভাইচৰ সহায়ত উক্ত হুইল সুৰক্ষিত কৰাটো নিশ্চিত কৰি লওক।

জাননী
টনাৰ সময়ত আগৰ চকাটো যি থেকেচাৰ সঞ্চাৰণ কৰে তাক ষ্টিয়েৰিং হুইল স্তম্ভই সহ্য কৰিব নোৱাৰিব। টনাৰ পূৰ্বে সদায় ষ্টিয়েৰিং হুইল আনলক ৰাখক।

যদি ষ্টার্টাৰে সঠিকভাৱে কাম নকৰে

1) বেটাৰীৰ স্থিতি জানিবলৈ হেডলাইট চুইচ দি জ্বলন বুটাম "START" (ষ্টার্ট) লৈ নিয়ক। যদি হেডলাইট অত্যন্ত নিষ্প্রভ হয় নাইবা নুমাই যায়, তাৰ অর্থ হ'ল বেটাৰী চার্জ নাই অথবা বেটাৰী টার্মিনেল কণ্টেক্ট অতি দুর্বল। বেটাৰী ৰিচার্জ কৰক নাইবা প্রয়োজন হ'লে বেটাৰী টার্মিনেল কণ্টেক্ট ঠিক কৰি লওক।
2) যদি হেডলাইট উজ্বল হৈ থাকে, তেন্তে ফিউজ পৰীক্ষা কৰক। যদি তাতো কোনো বিশেষ বিজুতি নাই তেতিয়াহ'লে গভীৰ ইলেকট্ৰিকেল সমস্যা থাকিব পাৰে। এনে অৱস্থাত স্বীকৃতিপ্রাপ্ত মাৰুতী চুজুকী কমার্চিয়েল ডিলাৰত গৈ গাড়ী পৰীক্ষা কৰক।

যদি ইঞ্জিনত অধিক ইন্ধন প্লাৱিত হয়

যদি ইঞ্জিনত অধিক ইন্ধন অধিক প্লাৱিত হৈ থাকে তেতিয়া ষ্টার্ট দিয়াটো অতি কঠিন। যদি তেনে হয় ইঞ্জিন ষ্টার্ট দিয়াটো অতি কঠিন। যদি তেনে হয় ইঞ্জিন ষ্টার্ট কৰিবলৈ যত্ন কৰাৰ সময়ত এক্সেলেটৰ পেডেলত সম্পুর্ণ হেঁচা দি ৰাখক।

- ষ্টার্টাৰ মটৰ 30 চেকেণ্ডতকৈ অধিক সময় চলাই নাথাকিব।

যদি ইঞ্জিন অধিক গৰম হয়

অধিক চলোৱাৰ পৰিস্থিতিত ইঞ্জিন অস্থায়ীভাৱে অধিক গৰম হ'ব পাৰে। যদি হাই ইঞ্জিন কুলেণ্ট টেম্পাৰেচাৰ ৱার্ণিং লাইট চলাই থকা অৱস্থাত অন হয়ঃ

1) গাড়ী সুৰক্ষিত স্থানলৈ নিয়ক আৰু ৰাখক।
2) হাই ইঞ্জিন কুলেণ্ট টেম্পাৰেচাৰ ৱার্ণিং লাইট বন্ধ নোহোৱালৈকে ইঞ্জিন সাধাৰণ নিষ্কর্মা গতিত কেইটা মান মিনিট চলাওক।

⚠ সাবধান

যদি আপুনি এচকেপিং ষ্ট্রীম দেখে বা শুনে, গাড়ীখন তৎক্ষণাত সুৰক্ষিত ঠাইলৈ নি ৰাখক আৰু ইঞ্জিনটো ঠাণ্ডা হ'বলৈ দিয়ক। যেতিয়া ষ্ট্রীমৰ উপস্থিত থাকে ইঞ্জিনৰ কোঠা নুখুলিব। যেতিয়া ষ্ট্রিমৰ উপস্থিত থাকে ইঞ্জিনৰ কোঠা নুখুলিব। যেতিয়া ষ্ট্রিম নুশুনা বা নেদেখা হ'ব তেতিয়া ইঞ্জিনৰ কোঠা খুলি কুলেণ্ট উতলি নকমালৈকে অপেক্ষা কৰক।

যদি হাই ইঞ্জিন কুলেণ্ট টেম্পাৰেচাৰ ৱার্ণিং লাইট বন্ধ নহয়ঃ

1) ইঞ্জিনটো বন্ধ কৰক আৰু ৰাটাৰ পাম্প বেল্ট আৰু পুলি পিচলি পৰিছে নেকি পৰীক্ষা কৰক। যদি কিবা অস্বাভাৱিক দেখে তাক ঠিক কৰি লওক।
2) কুলেণ্ট স্তৰ চাওক। যদি সামান্যতকৈ অধিক ''কম'' থকা দেখে তেনেহ'লে ৰেডিয়েটৰ, ৰাটাৰ পাম্প আৰু হিটাৰ হৰ্চচ বিন্ধা হৈছে নেকি সেয়া পৰীক্ষা কৰক। যদি আপুনি কিবা বিন্ধা দেখা পায়, তেতিয়াহ'লে অধিক গৰম তাৰ বাবে হৈছে। উক্ত সমস্যাটো সমাধান নকৰালৈকে ইঞ্জিনটো নচলাব।
3) যদি আপুনি কোনো ধৰণৰ সুৰুঙা দেখা পোৱা নাই তেতিয়াহ'লে প্রয়োজন হ'লে ৰেডিয়েটৰ আৰু ৰিজার্ভয়েৰত সাৱধানে ক'লেণ্ট ভৰাওক। (''পৰীক্ষণ আৰু মেৰামতি'' শিতানৰ ''ইঞ্জিন কুলেণ্ট'' চাওক।)

টোকাঃ
যদি আপোনাৰ ইঞ্জিন অধিক গৰম হৈছে আৰু এনে পৰিস্থিতিত কি কৰিব লাগে আপুনি নাজানে, তেতিয়াহ'লে আপোনাৰ মাৰুতি চুজুকী কমার্চিয়েল ডিলাৰৰ সৈতে যোগযোগ কৰক।

উদাহৰণ

65D350d

⚠ সাবধান

- **যেতিয়া পানী গৰম অধিক হয়, তেতিয়া অভ্যন্তৰীণ চাপৰ বাবে গৰম পানী ওলায় অহাৰ সম্ভাৱনা থকাৰ বাবে ৰেডিয়েটৰ সাঁফৰ (নাইবা ডিজেল ইঞ্জিনত থকা ডিগেছীং টেংকৰ সাঁফৰ) খোলাটো বিপদজনক। যেতিয়া কুলেণ্ট গৰম কমে তেতিয়াহে উক্ত সাঁফৰটো খোলক।**
- **ব্যক্তিগত আঘাত এৰাই চলিবলৈ ইঞ্জিন ঠাণ্ডা কৰা ফেনৰ পৰা হাত, আহিলা আৰু কাপোৰ আদি আঁতৰাই ৰাখক। এই ইলেকট্রিক ফেনখন কোনো ৱার্ণিং অবিহনে চলিব পাৰে।**

আঘাতৰ দ্বাৰা হোৱা আণ্ডাৰবডীৰ সমস্যা

আপোনাৰ গাড়ীৰ বডীৰ তলটো ক'ৰবাত খুণ্ডা মাৰে তেতিয়া স্বীকৃতিপ্রাপ্ত মাৰুতি চুজুকী কমার্চিয়েল ডিলাৰক পৰীক্ষা কৰিবলৈ দিয়ক। নতুবা ষ্টিয়েৰিং চাছপেন্সন, ড্রাইভলাইন আৰু ব্রেক আদিয়ে সুৰক্ষিত ড্রাইভিঙত সমস্যা কৰিব।

ৰাৰ্ণিং ট্ৰায়াংগেল



MHO-07-001

যদি গাড়ী হঠাৎ ৰখাব লগীয়া হয় অর্থাৎ আকস্মিক গাড়ী ৰখাব লগাহ'লে আপোনাৰ গাড়ী সম্ভাব্য ট্ৰেফিক বিপদত পৰিব পাৰে। তেনেহ'লে আপোনাৰ গাড়ীত দিয়া ৰাৰ্ণিং ট্ৰায়াংগেল লগাই আপোনাৰ গাড়ীৰ পাছত থকা গাড়ীৰ প্ৰতি লক্ষ্য ৰাখি ট্ৰেফিকৰ পৰা 50-100 মিটাৰ দূৰত্বত ৰাখক। ট্ৰায়াংগেলৰ উজ্বল লাইট আহি থকা বাহনে দেখাকৈ ৰাখক। ৰাৰ্ণিং ট্ৰায়াংগেলত গাড়ী ৰখাৰ পূৰ্বে অনুগ্ৰহ কৰি বিপদৰ সংকেত দিয়া লাইট অন কৰক।



MHO-07-014-1

- 1 নংত কাঁড়ত দিয়া ধৰণে কভাৰৰ পৰা ৰাৰ্ণিং ট্ৰায়াংগেলত উলিয়াওক।
- কাড়ঁত দেখুওৱাৰ দৰে ৰিফ্লেক্টৰ আৰ্ম দুটা খোলক আৰু সোঁ আৰ্মত দিয়া ক্লিপে ইটোৱে সিটোৰ সৈতে লক কৰক। 3 নংত কাড়ঁত দেখুওৱাৰ দৰে তলৰ ষ্টেণ্ড ঘড়ী কাঁটাৰ বিপৰীত দিশত ঘূৰাই খোলক আৰু গাড়ীৰ পাছত সমতল ঠাইত ৰাৰ্ণিং ট্ৰায়াংগল ৰাখক।
- খোলাৰ দৰেই ইয়াক পুনৰ কভাৰৰ ভিতৰত ৰাখক।



MH007014

বাহ্যিক যতন

অবক্ষয় প্রতিরোধ 9-1
গাড়ী ধোৱা বিষয়ে 9-2

অৱক্ষয় প্ৰতিৰোধ

অৱক্ষয়ৰ পৰা প্ৰতিৰোধ কৰাৰ বাবে আপোনাৰ গাড়ীৰ উত্তম যত্ন লোৱাটো প্ৰয়োজন। কেনেকৈ আপোনাৰ গাড়ীৰ অৱক্ষয় ৰোধ কৰিব তলত তাৰ কিছু নির্দেশাৱলী দিয়া হৈছে। অনুগ্ৰহ কৰি এই নির্দেশাৱলীবোৰ ভালদৰে অধ্যয়ন কৰি মানি চলক।

অৱক্ষয়ৰ সম্পৰ্কে গুৰুত্বপূৰ্ণ তথ্য

অৱক্ষয়ৰ মূল কাৰণ

1) পথত থকা নিমখ, ধূলি, জেকা লগা অথবা কেমিকেল গাড়ীৰ তলৰ অংশত পুঞ্জীভূত হোৱাৰ বাবে।
2) শিলে আঘাত কৰা নাইবা সামান্য দুর্ঘটনা আদিৰ ফলত ৰং লগোৱা অংশত আঁচোৰ, কাষ এৰাই যোৱা নাইবা নষ্ট কৰাৰ বাবে ।

অৱক্ষয়ৰ পৰিমাণ অধিক কৰা প্ৰাকৃতিক পৰিৱেশ

1) নিমখীয়া পথ, ধূলি নিয়ন্ত্ৰণ কৰা কেমিকেল, সাগৰীয় বায়ু অথবা ঔদ্যোগিক প্ৰদূষণ আদিয়ে ধাতুৰ অৱক্ষয়ত অৰিহণা যোগায়।
2) অধিক আৰ্দ্ৰতাই বিশেষকৈ যেতিয়া তাপমান হিমাংকৰ পৰা সামান্য ওপৰত থাকে তেনে জলবায়ুয়ে অৱক্ষয় অধিক কৰে।
3) গাড়ীৰ কোনো নির্দিষ্ট অংশ দীঘলীয়া সময় ধৰি জেকা লাগি থাকিলে অইন ঠাই শুকান হৈ থাকিলেও উক্ত অংশত অৱক্ষয় বৃদ্ধি হয়।
4) অধিক তাপমান যিবোৰ অংশ অধিক শুকান হৈ থাকিলে ভাল নহয় তেনে কিছুমান অংশত অৱক্ষয়ৰ বিকাশ হয়।

এইবোৰ তথ্যই আপোনাৰ গাড়ীখন (বিশেষকৈ তলৰ অংশটো) যিমান পাৰি সন্তুৰ চাফা আৰু শুকান কৰি ৰখাৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে উনুকিয়াই দিছে। লগতে গাড়ীৰ কোনো অংশৰ ৰং এৰালে যিমান সোনকালে পাৰি সুৰক্ষিত প্ৰলেপ দিয়াটো সমানেই প্ৰয়োজন।

কেনেকৈ অৱক্ষয় প্ৰতিৰোধ কৰিব

গাড়ীখন সঘনাই ধোৱক

আপোনাৰ গাড়ীত হ'ব পৰা অৱক্ষয় ৰোধ কৰি নিঁখুত কৰি ৰাখিবলৈ উত্তম উপায় হ'ল সঘনাই ধুই চাফা কৰি ৰখা।
শীতকাল আৰু শীতকাল সমাপ্ত হোৱাৰ লগে লগে আপোনাৰ গাড়ীখন অতি কমেও এবাৰকৈ ধোৱক। গাড়ীৰ বিশেষকৈ তলৰ অংশটো যিমান পাৰি চাফা আৰু শুকান কৰি ৰাখক।
যদি আপোনাৰ গাড়ীখন নিমখীয়া পথত সঘনাই চলায়, তেন্তে শীতকালত মাহে অতি কমেও এবাৰকৈ ধোৱক। যদি আপুনি সাগৰৰ পাৰত বাস কৰে তেনেহ'লে প্ৰতি মাহে এবাৰকৈ গাড়ীখন ধোৱক।

ধোৱাৰ নির্দেশাৱলী ''গাড়ী ধোৱা বিষয়ে'' শিতানত দিয়া হৈছে।

লাগি থকা বাহিৰা বস্তুবোৰ আঁতৰাই দিয়ক।

বাহিৰৰ বস্তু যেনে নিমখ, কেমিকেল, পথত থকা তেল নতুবা আলকাতৰা, গছৰ ৰস, চৰাইৰ বিষ্ঠা আৰু উদ্যোগৰ পেলনীয়া বস্তু আদি ৰং দিয়া অংশত থাকিলেও আপোনাৰ গাড়ীৰ নিঁখুততা ধ্বংস কৰিব পাৰে। যিমান পাৰে সোনকালে তেনে বস্তু আঁতৰাই পেলাওক। যদি এইবোৰ ধুলে নাযায় তেনেহ'লে অতিৰিক্ত চার্ফ কৰা দ্ৰব্যৰ প্ৰয়োজন হ'ব। তেনেদৰে ব্যৱহাৰ কৰা দ্ৰব্য ৰং দিয়া অংশটোৰ বাবে ক্ষতিকাৰক নেকি সেইটো ভালদৰে জানি লওক। তেনে বস্তু ব্যৱহাৰ কৰোতে নির্মাতাৰ নির্দেশাৱলী মানি চলক।

ৰং এৰোৱা ঠাইত লগে লগে প্ৰলেপ দিয়ক

গাড়ীৰ ৰং দিয়া অংশত কিবা ক্ষতি হৈছে নেকি ভালদৰে পৰীক্ষা কৰক। যদি কিবা আঁচোৰ অথবা আঘাত দেখা পালে অৱক্ষয় ৰোধৰ বাবে লগে লগে প্ৰলেপ লগাওক। যদি আঁচোৰ বা আঘাত বডিৰ ভিতৰলৈকে হয় তেতিয়া যোগ্য বডি বনোৱা প্ৰতিষ্ঠানলৈ নি বনাই লওক।

যাত্ৰী আৰু বস্তু নিয়া কোঠালী চাফা কৰি ৰাখক

আৰ্দ্ৰতা, ধূলি আৰু বোকা তলত পৰা ভৰিমচা কার্পেটত জমা হৈ অৱক্ষয়ৰ কাৰক হ'ব পাৰে। মাজে মাজে কার্পেটৰ তলখন চাই পৰিষ্কাৰ হৈ থকাটো নিশ্চিত কৰক। বোকাময় পথ আৰু সেমেকা বতৰত চলোৱা গাড়ীৰ তলখন সঘনাই পৰীক্ষা কৰি পৰিষ্কাৰকৈ ৰাখক।
কিছুমান সামগ্ৰী যেনে কেমিকেল, ৰাসায়নিক সাৰ, চাফা কৰোতে ব্যৱহাৰ কৰা দ্ৰব্য, নিমখ আদিবোৰ প্ৰাকৃতিকভাৱে অতি অৱক্ষয়ৰ কাৰক। এনেবোৰ বস্তু বন্ধ পাত্ৰত ভৰাইহে গাড়ীত তুলিব। যদি কেনেবাকৈ গাড়ীত তেনে বস্তু নির্গত হৈ পৰে, লগে লগে ধুই পৰিষ্কাৰ কৰিব।

গাড়ীখন শুকান আৰু বতাহ চলাচল কৰা ঠাইত ৰাখক

সেমেকা আৰু বতাহ চলাচল নকৰা ঠাইত গাড়ী নাৰাখিব। যদি আপুনি কেতিয়াবা গেৰেজত গাড়ী ধোৱে নাইবা তিতি থকা গেৰেজৰপৰা সঘনাই গাড়ী অনা-নিয়া কৰোতে গাড়ী সেমেকিব পাৰে। গেৰেজত

উচ্চ আর্দ্রতাই গাড়ীৰ অৱক্ষয়ৰ কাৰক হ'ব পাৰে। বতাহ চলাচল ভাল নহ'লে শুকান গেৰেজত থকা গাড়ীৰো অৱক্ষয় হ'ব পাৰে।

⚠ সাবধান

নির্গমন ব্যৱস্থা যেনে কেটালাইটিক কনভার্টৰ, নির্গমন পাইপ আদিত অতিৰিক্ত প্ৰলেপ অথবা মামৰ প্ৰতিৰোধী প্ৰলেপ নলগাব। অধিক গৰম হ'লে প্ৰলেপজাতীয় বস্তুত জুইৰ উৎপত্তি হ'ব পাৰে।

গাড়ী ধোৱা বিষয়ে

উদাহৰণ



76G044S

⚠ সাবধান

গাড়ীৰ ভিতৰ নাইবা বাহিৰৰ ভাগ চাফা কৰোতে কেতিয়াও দহনীয় দ্ৰব্য লেকোয়েৰ থিনাৰ, পেট্ৰল, ৰেবজিন অথবা চাফাই কামত ব্যৱহৃত দ্ৰব্য যেনে ৰিচেছ নাইবা ঘৰত ব্যৱহাৰ কৰা চাবোন কেতিয়াও ব্যৱহাৰ নকৰিব। এনেবোৰ বস্তুয়ে ব্যক্তি নাইবা গাড়ীৰ ক্ষতি কৰিব পাৰে।

ভিতৰ পৰিষ্কাৰ কৰোতে

ভিনাইল আপহলষ্টেৰি

গৰম পানীত নৰম ডিটাৰজেণ্ট নতুবা চাবোন মিলাওক। উক্ত পানী কোমল কাপোৰ নাইবা স্পঞ্জত অথবা কোমল কাপোৰত ভিনাইলৰ সৈতে দ্ৰৱ যোগ দিয়ক আৰু কিছুসময়ৰ বাবে লেতেৰা আঁতৰি নোযোৱালৈকে ডুবাই ৰাখক।

ওপৰৰ অংশত পৰিষ্কাৰ তিতা কাপোৰেৰে ময়লা আৰু চাবোন আঁতৰাওক। যদি ইয়াৰ পাছতো লেতেৰা থাকে উক্ত পদ্ধতি পুনৰ প্ৰয়োগ কৰক।

ফেব্ৰিক আপহ'লষ্টেৰী

কোমল ময়লা ভেকুৱাম ক্লিনাৰে চাফাই কৰক। নৰম চাবোন মিহলি পানীৰে পৰিষ্কাৰ তিতা কাপোৰ মোহাৰি দিয়ক। ইয়াৰ পাছত চাবোন আঁতৰাবলৈ পানী দি আন এখন কাপোৰেৰে মোহাৰি দিয়ক নাইবা কমার্চিয়েল চাফা কৰক। যদি ফেব্ৰিক ক্লিনাৰ ব্যৱহাৰ কৰে উৎপাদকৰ নির্দেশাৱলীৰে মানি চলক।

চিট বেল্ট

পানী আৰু নৰম চাবোনেৰে চিট বেল্ট পৰিষ্কাৰ কৰক। ব্লিচ অথবা নীল ব্যৱহাৰ নকৰিব। এইবোৰ বেল্টৰ ফেব্ৰিক দুর্বল কৰিব পাৰে।

ভিনাইল ফ্লু'ৰ মেট

ভিনাইলৰপৰা সাধাৰণ ময়লা পানী আৰু নৰম চাবোনে চাফা কৰিব পাৰে। ব্ৰাচ ব্যৱহাৰ কৰি ময়লা চাফা কৰক। ময়লা চাফা হোৱাৰ পাছত পানী দি চাফা কৰক আৰু শুকাবলৈ দিয়ক।

কার্পেটবোৰ

ভেকুৱাম ক্লিনাৰে যিমান পাৰি চাফা কৰক। পানী আৰু নৰম চাবোন দি ময়লা থকা ঠাইত পৰিষ্কাৰ কাপোৰ তিয়াই মোহাৰক। চাবোন চাফা কৰিবলৈ কাপোৰ পানীত তিঁয়াই পুনৰ মোহাৰক। দাগ নোযোৱালৈকে উক্ত পদ্ধতি ব্যৱহাৰ কৰক নাইবা কমার্চিয়েল ক্লিনাৰ ব্যৱহাৰ কৰক নাইবা কমার্চিয়েল ক্লিনাৰ ব্যৱহাৰ কৰি ময়লা দূৰ কৰক। যদি কার্পেট ক্লিনাৰ ব্যৱহাৰ কৰে উৎপাদকৰ নির্দেশাৱলী মানি চলক।

ইনষ্ট্ৰুমেণ্ট পেনেল আৰু কনচ'ল

ভেকুৱাম ক্লিনাৰ ব্যৱহাৰ কৰি ময়লা চাফ কৰক। ডাঠ কাপোৰেৰে ময়লা লাহে লাহে মোহাৰি চাফা কৰক। ময়লা চাফা নোহোৱালৈকে উক্ত কাম কৰি থাকক।

জাননী

ইলেকট্ৰিকেল সৰঞ্জাম যেনে চুইচ আদি কেমিকেল ব্যৱহাৰ কৰি চাফা নকৰিব। তেনে কৰিলে উক্ত বস্তুৰ গুণাগুণ নষ্ট কৰিব পাৰে।

বাহিৰফালে চাফা কৰোতে

জাননী

আপোনাৰ গাড়ীখন পৰিষ্কাৰ আৰু ধূলিৰপৰা মুক্ত কৰি ৰখাটো প্ৰয়োজন। তাকে কৰাত বিফল হ'লে ৰঙৰ নষ্ট কৰাৰ লগতে গাড়ীৰ বহুতো পার্টৰ অৱক্ষয় ঘটাব পাৰে।

ধোৱাৰ সময়ত

উদাহৰণ

82DY09

⚠ সাবধান

- **ইঞ্জিন চলাই লৈ কেতিয়াও ধোৱা বা পলিছ কৰা কাম নকৰিব।**
- **বডীৰ ভিতৰত আৰু সন্মুখ ভাগত কিছুমান তীক্ষ্ণ পার্ট থাকে। সেইবোৰে আপোনাৰ হাতত আঘাত দিয়াৰপৰা এৰাই চলিবলৈ হাত মোজা আৰু দীঘল হাত থকা চোলা পৰিধান কৰি আপোনাৰ হাতক সুৰক্ষা দিয়ক।**
- **গাড়ীখন ধোৱাৰ পাছত চলোৱাৰ পূৰ্বে ব্ৰেক পৰীক্ষা কৰি সঠিকভাৱে কাম কৰিছেনে নাই নিশ্চিত হওক।**

গাড়ী ধোৱাৰ সময়ত সূর্যৰ ৰশ্মি পৰাকৈ নাৰাখিব আৰু তলত দিয়া পৰামর্শ মানি চলকঃ

1) গাড়ীৰ তলখন আৰু হুইল হাউচিঙৰ অংশটো পানীৰ চাপ দি বোকাৰ লগতে লাগি থকা আন ক্ষতিকৰ বস্তুবোৰ আঁতৰাই পেলাওক। প্ৰচুৰ পানীৰ ব্যৱহাৰ কৰক।

জাননী

যেতিয়া গাড়ী ধুবঃ

- **প্লাষ্টিকৰ অংশবোৰত 80 ডিগ্ৰী চেলচিয়াচ (176 ফাৰেণহাইট) তকৈ অধিক গৰম পানী নিদিব।**
- **ইঞ্জিন নষ্ট কৰাটো এৰি চলিবলৈ চাপ থকা পানী ইঞ্জিন থকা ঠাইত নিদিব।**

2) ধূলি চাফা কৰিবলৈ বডিটো ধোৱক। চাপ থকা পানী মাৰি বডিৰ ভিতৰৰ অংশত থকা ধূলি আৰু বোকা চাফা কৰক। স্পঞ্জ আৰু ব্ৰাচ ব্যৱহাৰ কৰিব পাৰে কিন্তু ৰং আৰু প্লাষ্টিকত আঁচোৰ বহা কঠিন বস্তুৰে নোমোহাৰিব। মনত ৰাখিব হেডলাইটৰ কভাৰ আৰু লেন্সবোৰ বহু ক্ষেত্ৰত প্লাষ্টিকেৰে নির্মিত।

জাননী

ৰং আৰু প্লাষ্টিক নষ্ট হোৱাটো এৰাই চলিবলৈ প্ৰচুৰ পানী নহ'লে ধূলি নঘঁহিব। উল্লেখিত পদ্ধতিবোৰ পালন কৰি চলক।

3) সমগ্ৰ বাহিৰখন নৰম ডিটাৰজেণ্ট নাইবা গাড়ী ধোৱা চাবোন ব্যৱহাৰ কৰি কোমল কাপোৰ নাইবা স্পঞ্জেৰে মোহাৰক।

জাননী

ব্যৱসায়িক গাড়ী ধোৱা দ্ৰব্য ব্যৱহাৰ কৰোতে নির্মাতাই নির্দিষ্ট কৰি দিয়া সাৱধানতা অৱলম্বন কৰক। ঘৰত ব্যৱহাৰ কৰা শক্তিশালী ডিটাৰজেণ্ট নাইবা চাবোন কেতিয়াও ব্যৱহাৰ নকৰিব।

4) লেতেৰা সম্পুর্ণৰূপে আঁতৰোৱাৰ পিছত চাফা পানীৰে ডিটাৰজেণ্টখিনি ভালদৰে ধুই পেলাওক।
5) ধুই হোৱাৰ পাছত গাড়ীখন তিতা জন্তুৰ নোম অথবা কাপোৰেৰে মোহাৰি শুকুৰাই কাপোৰখন গাড়ীৰ ওপৰত শুকাবলৈ দিয়ক।

6) ৰং দিয়া ওপৰখন নষ্ট হোৱাটো সাৱধানে প্ৰতিৰোধ কৰক। নষ্ট হ'লে নিম্নলিখিত পদ্ধতি মানি চলকঃ
   1. নষ্ট হোৱা ঠাইকণ চাফা কৰক আৰু শুকাবলৈ দিয়ক।
   2. এডাল সৰু ব্ৰাছ ব্যৱহাৰ কৰি নষ্ট হোৱা ঠাইকণত ৰং লাহে লাহে সানি দিয়ক।
   3. লগোৱা ৰং সম্পুৰ্ণৰূপে শুকাবলৈ দিয়ক।

জাননী
যদি আপুনি অট'মেটিক গাড়ী ধোৱা মেচিন ব্যৱহাৰ কৰে তেতিয়া গাড়ীৰ বডিৰ অংশ যেনে স্পইলাৰ নষ্ট নকৰাকৈ কৰক। আপোনাৰ যদি সন্দেহ আছে, তেন্তে পৰামৰ্শৰ বাবে গাড়ী ধোৱা অপাৰেটৰৰ সৈতে আলোচনা কৰক।

ৱেক্সিং

উদাহৰণ



82DY010

গাড়ী ধোৱাৰ পাছত ৰং সুৰক্ষা আৰু সৌন্দৰ্য ৰক্ষাৰ বাবে ৱেক্সিং আৰু পলিচ কৰাৰ পৰামৰ্শ দিয়া হয়।

- কেৱল উত্তম ৱেক্স আৰু পলিচহে ব্যৱহাৰ কৰিব।
- ৱেক্সিং আৰু পলিচ ব্যৱহাৰ কৰোতে নিৰ্মাতাই নিৰ্দিষ্ট কৰি দিয়া পৰামৰ্শ মানি চলক।

সাধাৰণ জাননী

গাড়ী চিনাক্তকৰণ 10-1
ফাষ্টেগ (যদি দিয়া থাকে) 10-2

গাড়ী চিনাক্তকৰণ

চেচিছ ক্রমিক নং

77PH059

চেচিছ নাইবা ইঞ্জিনৰ ক্রমিক নং গাড়ী পঞ্জীয়নৰ বাবে ব্যৱহাৰ কৰা হয়। বিশেষ সেৱা সম্পৰ্কীয় তথ্য দিবৰ বাবে ডিলাৰৰ সহায়ক হ'বৰ বাবেও ব্যৱহাৰ কৰা হয়। আপোনাৰ মাৰুতি চুজুকী কমার্চিয়েল ডিলাৰৰপৰা কিবা পৰামর্শ ল'ব লগা হ'লে উক্ত চিনাক্তকৰণ নম্বৰটো ক'বলৈ নাপাহৰিব। যদি আপুনি নম্বৰটো পঢ়াত অসুবিধা পাইছে তেনেহ'লে আইডেণ্টিফিকেশ্বন প্লেটত চাব পাৰে।

ইঞ্জিনৰ ক্রমিক নম্বৰ



54G082

ইঞ্জিনৰ ক্রমিক নম্বৰ উদাহৰণত দেখুওৱা ধৰণে চিলিণ্ডাৰ ব্লকত লিখা থাকে।

ফাষ্টেগ (যদি দিয়া থাকে)

পথ পৰিবহন আৰু ঘাইপথ মন্ত্রনালয়, ভাৰত চৰকাৰৰ নির্দেশনা অনুসৰি ফাষ্টেগ (1) প্ৰত্যেক গাড়ীৰ ইলেকট্রনিক পৰিবহণ শুল্ক সংগ্রহ আৰু আন যিকোনো কামৰ বাবে বাধ্যতামূলক।

ফাষ্টেগ কিবা কাৰণত যদি নষ্ট হয় নতুবা ফ্রণ্ট ৱাইণ্ডস্ক্রীণ সলনি কৰাৰ বাবে অনুগ্রহ কৰি আপোনাৰ কাষত স্বীকৃতিপ্রাপ্ত মাৰুতি চুজুকী কমার্চিয়েল ডিলাৰৰ সৈতে যোগযোগ কৰক।

উদাহৰণ



66MM01001

গাড়ীৰ ভিতৰৰ পৰা উদাহৰণত দেখুওৱা ধৰণে

উদাহৰণ

64MM01002

টোকাঃ
চিত্রখন কেৱল দেখুওৱাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হৈছে। গাড়ীৰ ভিতৰত প্রকৃতত আহিলা কিছু পৃথক হ'ব পাৰে।

গাড়ীৰ বাহিৰৰ পৰা উদাহৰণত দেখুওৱা ধৰণে

উদাহৰণ



64MM01003

টোকাঃ
চিত্রখন কেৱল দেখুওৱাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হৈছে। গাড়ীৰ ভিতৰত প্রকৃতত আহিলা কিছুপৃথক হ'ব পাৰে।

টোকাঃ

- *ৱাইণ্ড স্ক্রীণৰপৰা টেগ আঁতৰোৱাৰ বাবে কৰা প্রচেষ্টা কৰিলে টেগটো স্থায়ী নষ্ট হ'ব পাৰে।*
- *কমার্চিয়েল ক্লিনাৰ ব্যৱহাৰ কৰি গাড়ী চাফা কৰোতে ৱাইণ্ড স্ক্রীণত থকা টেগৰ ক্ষতি কৰিব পাৰে।*
- *টেগত চোকা বস্তুৰে ঘাঁহিলে টেগ নষ্ট হ'ব পাৰে।*

নির্দিষ্টকৰণ

টোকাঃ
কোনো জাননী নোহোৱাকৈ নির্দিষ্ট কৰাবোৰ চৰ্তসাপেক্ষে সলনি কৰিব পাৰে ।

এম/টিঃ মেনুয়েল ট্রেন্সমিশ্বন

ডিজেলঃ ডিজেল ইঞ্জিন মডেল

আইটেমঃ আয়তন	**ইউনিটঃ মি.মি.**	
সামগ্রিক দৈর্ঘ্য		3800
সামগ্রিক বহল		1562
সামগ্রিক উচ্চতা		1883
হুইলবেছ		2110
ট্রেক	ফ্রন্ট	1345
	ৰিয়েৰ	1330
গ্রাউণ্ড ক্লিয়াৰেঞ্চ		175 (বোজাই নকৰা অৱস্থাত)

আইটেমঃ পৰিসৰ (ওজন)	**ইউনিটঃ কেজি**	
বেষ্টনী পৰিসৰ (ওজন)	এম/টি	860
গাড়ীৰ সর্বমুঠ (ওজন) মান		1600
অনুমতিযোগ্য এক্সেলৰ সর্বোচ্চ ওজন	ফ্রন্ট	900
	ৰিয়েৰ	1020

আইটেমঃ ইঞ্জিন	
টাইপ	E08A (DOHC)
চিলিণ্ডাৰৰ সংখ্যা	2
ব'ৰ	77.0 মি.মি.
ষ্ট্ৰ'ক	85.1 মি.মি.
পিষ্টনৰ ডিচপ্লেচমেণ্ট	793 চিএম^3
হেঁচা বা চাপৰ অনুপাত	15.1 ± 0.4 : 1

আইটেমঃ ইলেকট্ৰিকেল	
বেটাৰী	12V 38B20R
ফিউজবোৰ	''পৰীক্ষণ আৰু মেৰামতি'' বিভাগত চাওক

আইটেমঃ লাইট		ৱাট	বাল্ব নংঃ
হেডলাইট		12V 60/55W	H4
পজিশ্বন লাইট		12V 5W	W5W
টাৰ্ণ চিগনেল লাইট	ফ্ৰণ্ট	12V 21W	PY21W
	ৰিয়েৰ	12V 21W	P21W
ব্ৰেক/টেইল লাইট		12V 21/5W	P21/5W
ৰিভাৰ্ছিং লাইট		12V 21W	P21W
লাইট প্লেট লাইট		12V 5W	W5W
ইণ্টেৰিঅ'ৰ লাইট		12V 5W	C5W

আইটেমঃ চকা আৰু টায়াৰ					
টায়াৰৰ আকাৰ	155R13 LT 8PR 89/88S*				
	155R13 LT 8PR 90/89Q*				
ৰিমৰ আকাৰ	13X4J				
টায়াৰৰ প্ৰেছাৰ	টায়াৰৰ নিৰ্ধাৰিত প্ৰেছাৰৰ বাবে ড্ৰাইভাৰ দ'ৰ লক পিলাৰত থকা টায়াৰ ইনফৰ্মেশ্বন লেবেলত চাওক।				
	লোডিং	300 কি.গ্ৰা. লৈ		300 কিলোগ্ৰামৰ অধিক	
	ক'ল্ড টায়াৰ প্ৰেছাৰ	ফ্ৰণ্ট	ৰিয়েৰ	ফ্ৰণ্ট	ৰিয়েৰ
	কেপিএ	240	240	350	450
	(কেগিএফ /চিএম^2)	(2.4)	(2.4)	(3.5)	(4.5)
	<পিএচআই>	<34>	<34>	<50>	<64>

* যদি আপুনি নিৰ্ধাৰিত বোজা সূচাংক মান আৰু স্পীড অনুসৰি বোজা টায়াৰ নাপায় তেতিয়া অধিক বোজা সূচাংক মান আৰু স্পীড চিহ্ন অনুসৰি টায়াৰ বনাই লওক।

আইটেমঃ পৰামৰ্শ দিয়া ইন্ধন দিয়া ইন্ধন/লুব্ৰিকেট আৰু সক্ষমতা (অনুমানত)		
ইন্ধন	''ইন্ধন বিষয়ক পৰামৰ্শ'' অংশ চাওক।	30 লি.#
ইঞ্জিনৰ তেল	চিন্থেটিক অইল, কোৱালিটিঃ ACEA A5/B5 তৰলতাঃ SAE 5W-30	3.4 লি. (তেলৰ ফিল্টাৰৰ সৈতে সলনি)
ইঞ্জিনৰ কুলেণ্ট	''পৰীক্ষণ আৰু মেৰামতি'' অংশ চাওক	3.5 লি. (ৰিজাৰ্ভ টেংক সহ)
ষ্ঠমনুৱেল ট্ৰেন্সমিচন অইল	''এমজিজিও 75W-80''	1.3 লি.
ৰেয়াৰ জিফাৰেন্সিয়েল অইল	''টোটলফিনাএল্ফ ট্ৰান্সসেল্ফ এলএল 85W-140''	1.6 লি.
ব্ৰেক ফ্লুইড	মাৰুতি প্ৰকৃত ব্ৰেক ফ্লুইড	''পৰীক্ষণ আৰু মেৰামতি'' অংশত দিয়া পৰামৰ্শ অনুসৰি সঠিক তেলৰ স্তৰত তেল ভৰাওক।

ইন্ধনৰ টেংকৰ ক্ষমতা ইয়াত আপুনি ভৰাব পৰা অনুমোদিত ইন্ধনৰ পৰিমাণতকৈ সামান্য বেছি। অতিৰিক্ত বৃহৎ ঠাইখিনি সুৰক্ষা আৰু বৈজ্ঞানিক কাৰণত দিয়া হয়।

বডি ফেব্রিকেছনৰ বাবে নির্দেশনা (চেচিচ প্রকৰণৰ বাবে)

কেব–চেচিচ বাহনত বডি ফেব্রিকেছনৰ কাম তলত দিয়া পৰামর্শ আৰু সীমাৰ চর্ত নিশ্চিত কৰি কৰিব লাগিবঃ

(ক) **ডাইমেনছনসমূহঃ** নির্মাতাই যোগান ধৰা কেব চেচিচ বাহনত নির্মাণ কৰিবলগীয়া বডি / এপ্লিকেছনটো তলত দিয়া বাখ্যা অনুযায়ী ন্যুনতম আৰু সর্বোচ্চ এনভেলপত খাপ খোৱাকৈ ডিজাইন কৰিব লাগিব।



77PM12001

(খ) **ওজন আৰু ইয়াৰ বিতৰণঃ** সম্পূর্ণ বাহনখনৰ ন্যুনতম কার্ব ওজন যেনে সম্পূর্ণ বাহনৰ ওজন 860 কি.গ্রা. আৰু সর্বোচ্চ 930 কি.গ্রা. বিবেচনা কৰি লোড বডি / এপ্লিকেছন ফেব্রিকেট কৰিব লাগে। ফ্রণ্ট এক্সেল আৰু ৰিয়েৰ এক্সেলৰ কার্ব ওজন 1.389 পাৰ হ'ব নালাগিব।
চিএমভিআৰ ৰুল 122ৰ প্রয়োজন অনুসাৰে আনলেডেন ৱেইট আৰু পেলোড নির্দিষ্ট কৰা বডি–বিল্ডাৰৰ প্লেটত ৰাখিব লাগিব।

(গ) **বডি এক্সটেৰিয়ৰসমূহঃ** লোড কৰা বডি / এপ্লিকেছন এনেদৰে ফেব্রিকেট কৰিব লাগিব যাতে বাহনখনৰ পৃষ্ঠখনত তীক্ষ্ণ কাষ বা তীক্ষ্ণ উন্মুখ অংশ ওলাই নাথাকে যিয়ে এগৰাকী ব্যক্তিক শাৰিৰীকভাবে আঘাত কৰিব পাৰে বডিৱর্ক কৰি থকাৰ সময়ত অথবা খুন্দা খোৱাৰ সময়ত। সম্পূর্ণ বাহনখনত স্থিৰ অথবা গতিশীল অৱস্থাত এয়া খাটে। বাহ্যিক কাষবোৰৰ ক্ষেত্রত আৰু প্রজেক্টিং বডি পার্টছৰ ক্ষেত্রত 2.5 মি.মি.ৰ ব্যাসার্ধৰ বক্র নিশ্চিত কৰাৰ পৰামর্শ দিয়া হৈছে। চিএমভিআৰ ৰুল 124(1)-11 অধীনত বডিয়ে নির্ধাৰিত আৱশ্যকতাসমূহ পুৰাব লাগিব।

(ঘ) **লাইটিং আৰু চিগনেলিং আহিলাসমূহঃ** কেবৰ সৈতে ইনবিল্ট হেড লেম্প এচেম্বলী আৰু সাময়িকভাবে ৰিয়েৰ কম্বিনেছন লেম্পচ আৰু ৰেজিষ্ট্রেছন প্লেট লেম্পচৰ সৈতে কেব চেচিচ যোগান ধৰা হৈছে। হেড লেম্প এচেম্বলীৰ সৈতে একোধৰণৰ সালসলনি কৰা নহ'ব। চিত্রত নির্দিষ্ট কৰি দিয়া ধৰণে পৰামর্শিত স্থানত (উচ্চতা আৰু পুতল) ৰিয়েৰ কম্বিনেছন লেম্পচ আৰু ৰেজিষ্ট্রেছন প্লেট লেম্পচ লোড বডি / এপ্লিকেছনত ফিটিং কৰিব লাগিব।

উদাহৰণ



77PM12002

(ঙ) **ৰিফলেক্টিভ টেপঃ** বডি বিল্ডাৰজনে বাহনখনৰ আগফালৰ পুতল আগুৰি ৰঙা ৰিফলেক্টিভ টেপ (20 মি.মি.কৈ কম দৈর্ঘৰ নহয়) লগাব লাগিব আৰু চিএমভিআৰ ৰুল নং 104 ৰ আবশ্যকতাৰ সৈতে মিলিব লাগিব।

(চ) **ফর্ম 22এ পার্ট IIঃ** বডি বিল্ডাৰে চিএমভিআৰ ৰুল নং 47 ৰ আবশ্যকতা অনুসৰি ফর্ম 22এ পার্ট II যোগান ধৰিব।

(ছ) বডি ফেব্রিকেছনৰ সময়ত বডি বিল্ডাৰজনে ইলেকট্রিকেল ৱায়াৰিং, ইলেকট্রিকেল সা-সঁজুলি, ব্রেক কানেক্সনচ, ব্রেক পাইপিং, ফিউল কানেক্সন, এগহষ্ট চিষ্টেম আৰু চেচিচ কম্প'নেণ্টচৰ হেৰফেৰ কৰিব নালাগিব।

দাবীত্যাগঃ চুপাৰ কেৰী চেচিচ ভেৰিয়েণ্টৰ বডি ফেব্রিকেছনৰ সময়ত মালিক / বডি-বিল্ডাৰে প্রযোজ্য চিএমভিআৰ আৱশ্যকতা আৰু ষ্টেট মটৰ ভেহিকল নিয়মসমূহ সময়ে সময়ে প্রযোজ্য অনুসাৰে মানি চলিব লাগিব।
নির্মাতাৰ পৰামর্শ আৰু প্রচলিত নিয়মৰ ক্ষেত্রত স্ববিৰোধৰ ক্ষেত্রত বাহনৰ নির্মাতা বডি /এপ্লিকেছনৰ ফলত উদ্ভব হ'ব পৰা প্রযোজ্য আইনৰ লংঘনৰ ক্ষেত্রত দায়বদ্ধ নহ'ব।

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO

MEMO